# فتاوى الحج والعمرة والزيارة

# (للجمعية)

# হজ্জ, ওমৰাহ আৰু জিয়াৰত সম্পৰ্কীয় ফাতাৱাসমূহ

# হজ্জ, ওমৰাহ আৰু জিয়াৰত সম্পৰ্কীয় ফাতাৱাসমূহ
# ওমৰাহ কৰিবলৈ অহা লোকসকলৰ বাবে (এই ফতোৱাবোৰ) খুবেই গুৰুত্বপূৰ্ণ তথা অধিক প্ৰয়োজনীয়।[1]

বিভিন্ন ভাষাত ইছলামিক কণ্টেণ্টৰ সেৱা প্ৰদানকাৰী সংস্থাৰ গৱেষণা সমিতি

## প্ৰথমঃ সাধাৰণ ফাতাৱা

প্ৰশ্নঃ বেংকৰ পৰা ঋণ গ্ৰহণ কৰি সেই টকাৰে ওমৰাহ কৰিবলৈ যোৱাটো মোৰ পিতৃৰ বাবে বৈধ হ'বনে?

উত্তৰঃ যিয়ে নিজৰ ফালৰ পৰা অথবা আন কাৰোবাৰ ফালৰ পৰা হজ্জ বা ওমৰাহ কৰিব বিচাৰে, সেই ব্যক্তিয়ে হজ্জ বা ওমৰাৰ বাবে হালাল তথা পৱিত্ৰ উপাৰ্জনৰ পৰা ব্যয় কৰা অনিবাৰ্য্য। কাৰণ মহান আল্লাহ হৈছে পৱিত্ৰ, তেওঁ কেৱল পৱিত্ৰ বস্তুহে কবূল কৰে।

আনহাতে বেংক বা বেলেগ কোনো ঠাইৰ পৰা অতিৰিক্ত ধন আদায়ৰ ভিত্তিত লোৱা ঋণ বৈধ নহয়। কাৰণ এইটো হৈছে সুতৰ অন্তৰ্ভুক্ত। লগতে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সুত প্ৰদানকাৰী আৰু সুত

---

[1] এই ফতোৱাসমূহ ছৌদি আৰবৰ স্থায়ী ফতোৱা কমিটিৰ 'ফাতাৱা সমগ্ৰ'ৰ পৰা সংগ্ৰহ কৰা হৈছে, লগতে প্ৰশ্নোত্তৰবোৰ স্থান অনুযায়ী সংগতিপূৰ্ণভাৱে সংক্ষিপ্তৰূপে দাঙি ধৰা হৈছে।

গ্ৰহণকাৰী, সুতৰ লেখক আৰু এই ক্ষেত্ৰত থকা সাক্ষীসকলক অভিসম্পাত কৰিছে। লগতে তেখেতে কৈছেঃ "এই সকলোবোৰ হৈছে সমান"। এইদৰে হাৰাম ভক্ষণ হৈছে দুআ প্ৰত্যাখ্যান হোৱাৰ আৰু আমল কবূল নোহোৱাৰ অন্যতম কাৰণ। পক্ষান্তৰে যদি সুতবিহীন ঋণ হয়, তেনেহ'লে কোনো অসুবিধা নাই।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ৩৫৩)।

প্ৰশ্নঃ এইটো সঠিক নে যে, যদি কোনোবাই চল্লিছ দিনলৈকে মক্কাৰ পৰা অনুপস্থিত থাকে তেন্তে তেওঁৰ বাবে পুনৰ ওমৰাহ কৰাটো বাধ্যতামূলক, যদিও তেওঁ ইতিপূৰ্বে কেইবাবাৰো ওমৰাহ পালন কৰিছে?

উত্তৰঃ প্ৰতিজন প্ৰাপ্তবয়স্ক সক্ষম ব্যক্তিৰ ওপৰত জীৱনত কেৱল এবাৰেই ওমৰাহ কৰা বাধ্যতামূলক। ইয়াৰ বাহিৰে যিমানবাৰ কৰা হ'ব, সেয়া হ'ব ছুন্নত। ওমৰাহ যিকোনো সময়তে কৰিব পাৰি, ইয়াৰ বাবে কোনো নিৰ্দিষ্টি সময়সীমা নাই।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ২০)।

প্ৰশ্নঃ বছৰৰ যিকোনো সময়তে ওমৰাহ পালন কৰিব পাৰিনে?

উত্তৰ। হয়, বছৰৰ যিকোনো সময়তে ওমৰাহ পালন কৰিব পাৰি, আনকি হজ্জৰ মাহবোৰতো। যদি কোনোবাই হজ্জৰ মাহবোৰত ওমৰাহ কৰে আৰু সেই বছৰতে যদি হজ্জ পালন কৰে তেন্তে তেওঁ তামাত্তু

হজ্জকাৰী হিচাপে গণ্য হ'ব। এইদৰে যদি কোনোবাই হজ্জ আৰু ওমৰাহ একেলগে পালন কৰে তেন্তে তেওঁ কিৰান হজ্জকাৰী হিচাপে বিবেচিত হ'ব। তামাত্তু আৰু কিৰান হজ্জকাৰীয়ে কুৰবানী কৰা জৰুৰী, যদিহে তেওঁ মছজিদে হাৰামৰ ওচৰৰ অধিবাসী নহয়। যদি কোনো হাজীয়ে জুলহিজ্জা মাহৰ তাশ্বৰীকৰ দিনবোৰ পাৰ হোৱাৰ পিছত ওমৰাহ পালন কৰে, তেন্তে সেয়া বৈধ, আৰু ইয়াৰ বাবে কুৰবানীৰ প্ৰয়োজন নাই।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৩১৬)।

প্ৰশ্নঃ ফৰজ হজ্জ কৰাৰ আগতে যদি কোনোবাই ওমৰাহ কৰিব বিচাৰে তেন্তে সেইটো শুদ্ধ হ'বনে?

উত্তৰঃ হয়, নিশ্চয়। হজ্জ কৰাৰ আগতে ওমৰাহ কৰিব পাৰি। কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আৰু তেখেতৰ চাহাবাসকলে ফৰজ হজ্জ পালন কৰাৰ আগতে ওমৰাহ কৰিছিল।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৩১৮)।

প্ৰশ্নঃ বছৰত বাৰে বাৰে ওমৰাহ কৰাৰ বিধান কি?

উত্তৰঃ বছৰত একাধিকবাৰ ওমৰাহ কৰাত কোনো অসুবিধা নাই। বৰং নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«العمرة إلى العمرة كفارة لما بينهما، والحج المبرور ليس له جزاء إلا الجنة»

"এটা ওমৰাৰ পৰা আন এটা ওমৰাহ হৈছে, মাজত হোৱা গুনাহৰ কাফ্ফাৰাহ। আনহাতে হজ্জে মাবৰূৰৰ

প্ৰতিদান জান্নাতৰ বাহিৰে আন একো নহয়।" হাদীছটোৰ শুদ্ধতাৰ ক্ষেত্ৰত বুখাৰী আৰু মুছলিম একমত।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৩৩৪)।

***

প্ৰশ্নঃ কিছুমান লোকে হজ্জ কৰিবলৈ আহি তামাত্তু ওমৰাহ কৰাৰ পিছত নিজৰ পিতৃ-মাতৃৰ ফালৰ পৰা ওমৰাহ কৰিব বিচাৰে, তেওঁ কেনেকৈ আদায় কৰিব?

উত্তৰঃ যিয়ে ওমৰাৰ ইহৰাম কৰি তামাত্তু হজ্জৰ নিয়্যতেৰে আহিছে, সেই ব্যক্তিৰ বাবে উত্তম হৈছে ওমৰাহ সম্পন্ন কৰাৰ পিছত হজ্জৰ সময়লৈকে মক্কাতেই অৱস্থান কৰা। ইয়াৰ পিছত হজ্জৰ ইহৰাম বান্ধি হজ্জ সম্পন্ন কৰিব, হজ্জৰ আগত বেলেগ আন কোনো ওমৰাহ নকৰিব। হজ্জ সম্পন্ন কৰাৰ পিছত তানঈম অথবা বেলেগ কোনো হিল্ল (মক্কাৰ হাৰামৰ সীমাৰ বাহিৰৰ) স্থানৰ পৰা ইহৰাম কৰি আহি ওমৰাহ কৰাত কোনো অসুবিধা নাই। এতেকে হজ্জৰ কৰণীয় সম্পন্ন কৰাৰ পিছত যদি তেওঁ নিজৰ মৃত পিতৃৰ ফালৰ পৰা অথবা মৃত মাতৃৰ ফালৰ পৰা নাইবা বাৰ্ধক্যজনিত কাৰণত অপাৰগ হৈ থকাৰ কাৰণে বা এনেকুৱা বেমাৰৰ কাৰণে যিটো নিৰাময় হোৱাৰ কোনো সম্ভাৱনা নাই তেনেকুৱা লোকৰ ফালৰ পৰা ওমৰাহ কৰাত কোনো অসুবিধা নাই। কাৰণ এই ক্ষেত্ৰত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ সাধাৰণ উক্তি হৈছেঃ

«العمرة إلى العمرة كفارة لما بينهما والحج المبرور ليس له جزاء إلا الجنة»

"ওমৰাহ হৈছে, দুটা ওমৰাৰ মাজত হোৱা গুনাহৰ কাফ্‌ফাৰাহ। আনহাতে হজ্জে মাবৰূৰৰ প্ৰতিদান জান্নাতৰ বাহিৰে আন একো নহয়।" হাদীছটোৰ শুদ্ধতাৰ ক্ষেত্ৰত বুখাৰী আৰু মুছলিম একমত।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ১১৭)।

***

প্ৰশ্নঃ যিয়ে একাধিক ওমৰাহ কৰে আৰু বাৰে বাৰে ইহৰাম বান্ধিবলৈ তানঈমলৈ যায়, ইয়াৰ বিধান কি?

উত্তৰঃ যিসকলে কম সময়ৰ কাৰণে মক্কালৈ আহি বাৰে বাৰে ওমৰাহ কৰে, তেওঁলোকে জানি থোৱা উচিত যে, এইটো নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ আদৰ্শ নাছিল আৰু চাহাবাসকলেও এনেকুৱা কৰা নাছিল। এইটো যদি উত্তম হ'লহেঁতেন তেন্তে তেওঁলোকেই প্ৰথমে ইয়াক আঁকোৱালি ল'লেহেঁতেন। সেয়ে মক্কাত আগমণকাৰী লোকসকলৰ বাবে চৰীয়তসন্মত বিধান হৈছে এই যে, নিজৰ হজ্জ, ওমৰাহ পালনৰ পিছত বেছি বেছি নফল তাৱাফ কৰা, কোৰআন তিলাৱত কৰা, নামাজ পঢ়া, দান-খয়ৰাত কৰা আৰু অন্যান্য ইবাদত কৰা। কিন্তু কোনোবাই যদি নিজৰ ফালৰ পৰা অথবা এনেকুৱা লোকৰ ফালৰ পৰা ওমৰাহ কৰে, যাৰ ফালৰ পৰা ওমৰাহ কৰা বৈধ, যেনে- মৃত ব্যক্তিৰ ফালৰ পৰা, অথবা বাৰ্ধক্যজনিত অপাৰগ ব্যক্তিৰ ফালৰ পৰা নাইবা এনেকুৱা বেমাৰী ব্যক্তিৰ ফালৰ পৰা যিজন সুস্থ হৈ

উঠাৰ কোনো সম্ভাৱনা নাই, তেন্তে কৰিব পাৰে কিন্তু মনত ৰখা উচিত যে, ইয়াৰ ফলত যাতে নিজৰো কষ্ট নহয় আৰু আনকো কষ্ট দিয়া নহয়, উদাহৰণস্বৰূপে ভিৰৰ সময়ত। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«العمرة إلى العمرة كفارة لما بينهما، والحج المبرور ليس له جزاء إلا الجنة»،

"ওমৰাহ হৈছে, দুটা ওমৰাৰ মাজত হোৱা গুনাহৰ কাফ্‌ফাৰাহ। আনহাতে হজ্জে মাবৰূৰৰ প্ৰতিদান জান্নাতৰ বাহিৰে আন একো নহয়।" ইয়াৰ ওপৰিও এইটো প্ৰমাণিত যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাক হজ্জ আৰু ওমৰাহ সম্পন্ন কৰাৰ পিছত তানঈমৰ পৰা ওমৰাহ কৰাৰ নিৰ্দেশ দিছিল, যেতিয়া তেওঁ তেখেতৰ পৰা এই বিষয়ত অনুমতি বিচাৰিছিল।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ৩৫৫)।

***

দ্বিতীয়ঃ মীকাত সম্পৰ্কীয় ফাতাৱা

প্ৰশ্নঃ যদি কোনোবাই হজ্জ বা ওমৰাহ কৰিব বিচাৰে আৰু বিমানত তেওঁৰ পক্ষে ইহৰাম কৰাটো কষ্টসাধ্য হয়, লগতে তেওঁ মীকাতৰ সঠিক সীমাও নাজানে, তেনেকুৱা লোকৰ বাবে জিদ্দাত উপস্থিত হৈ ইহৰাম কৰাটো ঠিক হ'বনে?

উত্তৰঃ এনেকুৱা লোকে নিজৰ ঘৰতে গোছল কৰি ইহৰামৰ কাপোৰ পৰিধান কৰি অহা উচিত, আৰু

বিমানত মীকাত পোৱাৰ কিছু আগতে হজ্জ অথবা ওমৰাৰ তালবিয়্যা পাঠ কৰিব লাগে। এইটো কৰাত তেওঁৰ বাবে কোনো কষ্ট নাই। আনহাতে যদি তেওঁ মীকাত সম্পৰ্কে অৱগত নহয়, তেন্তে তেওঁ বিমানৰ পাইলটক নাইবা সহকাৰীক অথবা কোনো ফ্লাইট এটেনডেণ্টক নাইবা কোনো অভিজ্ঞ যাত্ৰীক যাক তেওঁ বিশ্বাস কৰে, সুধি নিশ্চিত কৰিব পাৰে।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ১৫৩)।

***

প্ৰশ্নঃ ওমৰাহ কৰিবলৈ ইচ্ছুক কোনো ব্যক্তিয়ে ইহৰামৰ কাপোৰ পৰিধান নকৰাকৈয়ে যদি বিমানত কেৱল ওমৰাৰ নিয়্যত কৰি তালবিয়া পাঠ কৰে, তেন্তে এয়া বৈধ হ'বনে? কাৰণ জিদ্দাত অৱতৰণ কৰাৰ পাছত তেওঁৰ কিছুমান কাম কৰিবলগীয়া আছে, সেইখিনি শেষ কৰাৰ পিছত তেওঁ জিদ্দাৰ পৰা ইহৰাম বান্ধি ওমৰাহ কৰিব বিচাৰে। এই ক্ষেত্ৰত তেওঁ কি কৰা জৰুৰী?

উত্তৰঃ হজ্জ বা ওমৰাৰ নিয়্যত কৰি ভ্ৰমণ কৰা কোনো ব্যক্তিয়েই ইহৰাম নকৰাকৈ মীকাত অতিক্ৰম কৰাটো বৈধ নহয়। তেওঁ চিলাইকৃত কাপোৰ বৰ্জন কৰিব লাগিব আৰু ইহৰাম অৱস্থাৰ নিষিদ্ধ কৰ্মবোৰ পৰিহাৰ কৰিব লাগিব।

এতেকে, প্ৰশ্নত উল্লেখ কৰা ধৰণে কাম কৰাটো আপোনাৰ বাবে বৈধ নহয়। কাৰণ এইটো হৈছে চৰীয়তৰ বিধানৰ পৰিপন্থী। আনহাতে ইহৰাম নকৰাকৈ

আপুনি জিদ্দালৈ গৈ নিজৰ প্ৰয়োজনীয় কামখিনি কৰিব পাৰে আৰু তাৰ পিছত কোনো মীকাতলৈ উভতি গৈ তাৰ পৰা হজ্জ বা ওমৰাৰ নিয়্যত কৰি ইহৰাম বান্ধি অহাত কোনো আপত্তি নাই।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ৮১)।

***

প্ৰশ্নঃ কোনো হজ্জযাত্ৰী বা ওমৰাহ পালনকাৰী ব্যক্তিয়ে যদি জিদ্দা বিমান বন্দৰত অৱতৰণ কৰি মদিনালৈ আহে আৰু যোৱাৰ সময়ত আবাৰে আলী (জুলহুলাইফা)ৰ পৰা ইহৰাম বান্ধে, তেন্তে এয়া সঠিক হ'বনে?

উত্তৰঃ যদি কোনো হজ্জযাত্ৰীয়ে জিদ্দা বিমান বন্দৰত অৱতৰণ কৰে, আৰু হজ্জ আদায়ৰ আগতে জিদ্দাৰ পৰা মদীনালৈ যাব বিচাৰে, তেন্তে যেতিয়া তেওঁ মদীনাৰ ছফৰ শেষ কৰি হজ্জ বা ওমৰাৰ বাবে মক্কালৈ উভতি আহিব, তেতিয়া তেওঁ মদীনাবাসীৰ মীকাত জুলহুলাইফা (যিটো আবাৰে আলী নামেৰে পৰিচিত)ৰ পৰা ইহৰাম বান্ধিব লাগিব। কাৰণ তেওঁৰ বিধান মদীনাবাসীৰ দৰেই হ'ব। কিয়নো নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«هن لهن ولمن أتى عليهن من غير أهلهن ممن أراد الحج أو العمرة»

"এইবোৰ হৈছে তেওঁলোকৰ নিৰ্ধাৰিত মীকাত, লগতে সেইসকল লোকৰো মীকাত যিসকলে হজ্জ বা ওমৰাৰ নিয়্যতেৰে এই পথেৰে অতিক্ৰম কৰিব, যদিও

তেওঁলোক সেই অঞ্চলৰ বাসিন্দা নহয়।" হাদীছটোৰ শুদ্ধতাৰ ক্ষেত্ৰত বুখাৰী আৰু মুছলিম একমত।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/৯৪)।

***

প্ৰশ্নঃ যদি কোনো ব্যক্তিয়ে কোনো মাহৰ শুক্ৰবাৰে এটা ওমৰাহ কৰিছে, আৰু তাৰ পিছত তেওঁ বেলেগ কোনো অঞ্চললৈ গৈছে, আকৌ দুই তিনিদিন পিছত তেওঁ পুনৰ মক্কালৈ উভতি আহিছে আৰু তেওঁ পুনৰ এটি ওমৰাহ কৰিব বিচাৰে, এই অৱস্থাত তেওঁ ইহৰামৰ কাপোৰ পৰিধান নকৰাকৈ আন এটা ওমৰাহ কৰিব পাৰিবনে?

উত্তৰঃ ওমৰাহ কৰিবলৈ অহা ইচ্ছুক ব্যক্তিয়ে মক্কাত যিটো পথেৰে আহিব সেই পথত অৱস্থিত মীকাতৰ পৰাই ইহৰাম কৰি অহাটো জৰুৰী। ইহৰাম নকৰাকৈ মীকাত অতিক্ৰম কৰা বৈধ নহয়। কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ওমৰাহ বা হজ্জ পালনকাৰী ব্যক্তিসকলৰ ইহৰামৰ বাবেই এইবোৰ মীকাতসমূহ নিৰ্ধাৰণ কৰিছে। সেয়া প্ৰথম ওমৰাহ হওক বা দ্বিতীয় নাইবা ততোধিক। আনহাতে যিসকল লোক মীকাতৰ ভিতৰত আছে, তেওঁলোকে সেই ঠাইৰ পৰাই ইহৰাম কৰিব যি ঠাইৰ পৰা তেওঁলোকে ওমৰাহ কৰাৰ নিয়্যত কৰিব। কিন্তু মক্কাত অৱস্থান কৰা লোকে হাৰামৰ সীমাৰ বাহিৰত গৈ ওমৰাৰ ইহৰাম কৰি আহিব লাগিব।

যিদৰে আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাই নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ নিৰ্দেশত কৰিছিল।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ৩৫৪)।

***

প্ৰশ্নঃ এজনে নিজৰ ওমৰাহ কৰাৰ পিছত নিজৰ পিতৃৰ ফালৰ পৰা ওমৰাহ কৰিছে, আৰু মক্কা মুকাৰ্ৰামাৰ তানঈম অঞ্চলৰ পৰা পিতৃৰ বাবে কৰা ওমৰাৰ ইহৰাম কৰিছে, ইয়াৰ বিধান কি?

উত্তৰঃ যদি আপুনি নিজৰ ওমৰাহ কৰাৰ পিছত হালাল হৈছে, আৰু ইয়াৰ পিছত আপোনাৰ পিতৃৰ ফালৰ পৰা ওমৰাহ কৰিব বিচাৰে, যদি তেওঁ মৃত্যুবৰণ কৰিছে অথবা অক্ষম হৈ পৰিছে তেন্তে আপুনি হাৰামৰ সীমাৰ পৰা ওলাই তানঈমৰ দৰে কোনো হিল (হাৰামৰ সীমাৰ বাহিৰত থকা অঞ্চলক হিল বোলে) অঞ্চললৈ যাব লাগিব, আৰু তাৰ পৰা ওমৰাৰ ইহৰাম বান্ধি আহিব লাগিব। ইয়াৰ বাবে মীকাতলৈ যোৱাটো বাধ্যতামূলক নহয়।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ১৩৫)।

***

তৃতীয়ঃ ইহৰাম আৰু ইহৰাম অৱস্থাত নিষিদ্ধ বিষয় সম্পৰ্কীয় ফতোৱাসমূহ

প্ৰশ্নঃ যদি কোনোবাই হজ্জ বা ওমৰাৰ ইহৰাম পৰিধান কৰাৰ পিছত সেয়া ভংগ কৰে, তেনেহ'লে তাৰ কৰণীয় কি?

উত্তৰঃ যদি তেওঁ ইহৰামৰ কাপোৰ (ইঝাৰ আৰু ৰিদা) পৰিধান কৰিছে কিন্তু হজ্জ বা ওমৰাৰ নিয়্যত কৰা নাই আৰু তালবিয়াও পাঠ কৰা নাই, তেন্তে এই ক্ষেত্ৰত তেওঁৰ ওপৰত নিৰ্ভৰ কৰিব, তেওঁ ইচ্ছা কৰিলে হজ্জ বা ওমৰাত প্ৰৱেশ কৰিব পাৰে আৰু ইচ্ছা কৰিলে পৰিত্যাগো কৰিব পাৰে। ইয়াৰ ফলত কোনো গুনাহ নহ'ব। যদি তেওঁ ইতিপূৰ্বে ফৰজ হজ্জ অথবা প্ৰথম ওমৰাহ কৰিছে।

কিন্তু যদি তেওঁ হজ্জ অথবা ওমৰাত প্ৰৱেশ কৰাৰ নিয়্যত কৰি পেলাইছে, তেন্তে তেওঁৰ বাবে সেইটো বাতিল কৰা আৰু তাৰ পৰা উভতি অহাটো বৈধ নহয়। বৰং এই ক্ষেত্ৰত তেওঁৰ ওপৰত ওৱাজিব হৈছে তেওঁ যিটোৰ নিয়্যত কৰি ইহৰাম কৰিছে সেইটো চৰীয়তৰ নিয়ম অনুযায়ী আদায় কৰা। কাৰণ মহান আল্লাহে পৱিত্ৰ কোৰআনত কৈছেঃ

(وأتموا الحج والعمرة لله).

"আৰু তোমালোকে কেৱল আল্লাহৰ বাবেই হজ্জ আৰু ওমৰাহ সম্পন্ন কৰা।"

ইয়াৰ দ্বাৰা আপোনাৰ ওচৰত স্পষ্ট হৈ গ'ল যে, যেতিয়া কোনো মুছলিম ব্যক্তিয়ে হজ্জ বা ওমৰাৰ নিয়্যত কৰি ইহৰমাত প্ৰৱেশ কৰে, তেতিয়া তেওঁৰ পক্ষে সেইটোক ভংগ কৰা নাজায়েজ হৈ পৰে, বৰং উল্লিখিত

আয়াতৰ ভিত্তিত সেইটো সম্পূৰ্ণ কৰাটো তেওঁৰ বাবে ওৱাজিব হৈ পৰে। কিন্তু যদি কোনোবাই ইহৰামত প্ৰৱেশ কৰাৰ সময়ত চৰ্ত নিৰ্ধাৰণ কৰে আৰু তেওঁ যিটো আশংকা কৰিছিল সেই প্ৰতিবন্ধকতাৰ সন্মুখীন হয়, তেনেহ'লে তেওঁৰ বাবে ইহৰামৰ পৰা হালাল হোৱা বৈধ। কিয়নো জুবাআ বিন্তে ঝুবাইৰে যেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামক কৈছিলঃ হে আল্লাহৰ ৰাছুল! মই হজ্জ কৰিব বিচাৰোঁ, কিন্তু মই অসুস্থ। তেতিয়া তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক কৈছিলঃ

«حجي واشترطي أن محلي حيث حبستني»

"তুমি হজ্জ কৰা, আৰু এই বুলি চৰ্ত কৰা যে, য'ত মই বাধাগ্ৰস্ত হ'ম, সেইটোৱে হ'ব মোৰ হালাল হোৱাৰ স্থান।" হাদীছটোৰ শুদ্ধতাৰ ক্ষেত্ৰত বুখাৰী আৰু মুছলিম একমত।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ১৬৬)।

***

প্ৰশ্নঃ মহিলা এজনীৰ ইহৰাম কৰাৰ পিছত হায়েজ হৈছে, ফলত তেওঁ তাৱাফ আৰু ছায়ী কৰিব পৰা নাই। ইয়াৰ পিছত তেওঁ ঘৰলৈ উভতি গৈ ইহৰামৰ পৰা হালাল হৈছে। এই অৱস্থাত তেওঁৰ কিবা কৰণীয় আছেনে? আনহাতে যদি তেওঁ ইহৰামৰ পৰা হালাল নহয় তেন্তে তেওঁৰ কৰণীয় কি?

উত্তৰঃ যিজনী নাৰীৰ ইহৰাম কৰাৰ পিছত হায়েজ হৈছে আৰু তেওঁ তাৱাফ আৰু ছায়ী নকৰাকৈয়ে

ইহৰামৰ পৰা হালাল হৈছে, তেওঁ যদি ইয়াৰ বিধান সম্পৰ্কে অজ্ঞ হয় আৰু যদি স্বামীৰ সৈতে সহবাস কৰা নাই তেন্তে তেওঁ হায়েজ শেষ হোৱাৰ পিছত ফৰজ গোছলৰ দৰে ভালকৈ গোছল কৰিব লাগিব আৰু তাৰ পিছত তাৱাফ আৰু ছায়ী কৰিব লাগিব, লগতে মূৰৰ কিছু পৰিমাণ চুলি কাটি হালাল হ'ব। ইয়াৰ বাহিৰে তেওঁ আৰু একো কৰিব নালাগে।

আৰু যদি এই সময়ছোৱাত তেওঁ সহবাস কৰিছে তেন্তে তেওঁৰ ওমৰাহ বাতিল হৈছে। কিন্তু তেওঁ ওমৰাৰ বাকী কৰণীয়বোৰ সম্পন্ন কৰিব লাগিব, যেনে- তাৱাফ কৰা, ছায়ী কৰা আৰু চুলি কটা আদি। ইয়াৰ পিছত তেওঁৰ ওপৰত ওৱাজিব হৈছে এই ওমৰাৰ পৰিবৰ্তে নতুন এটা ওমৰাহ কৰা। তেওঁ কাজা ওমৰাৰ বাবে সেই মীকাতৰ পৰাই ইহৰাম কৰিব যিটোৰ পৰা তেওঁ প্ৰথমে ইহৰাম কৰিছিল। লগতে তেওঁ এটা দম (কুৰবানী) দিব লাগিব। অৰ্থাৎ ছয় মহীয়া বা তাতকৈ ডাঙৰ এটা দুম্বা অথবা এবছৰ বয়সীয়া বা তাতকৈ ডাঙৰ এটা ছাগলী জবেহ কৰি মক্কাৰ দৰিদ্ৰসকলৰ মাজত বিতৰণ কৰিব লাগিব।

পক্ষান্তৰে যদি তেওঁ এতিয়াও ওমৰাৰ পৰা হালাল হোৱা নাই তেন্তে তেওঁ নিশ্চয় ওমৰাৰ বাকী কামখিনি সম্পন্ন কৰিব লাগব, তাৱাফ কৰিব, ছায়ী কৰিব আৰু মূৰৰ সামান্য কিছু চুলি কৰ্তন কৰি ইহৰামৰ পৰা হালাল হ'ব। হায়েজৰ কাৰণে ওমৰাহ বাতিল নহ'ব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৩২৩)।

***

প্ৰশ্নঃ ইহৰাম অৱস্থাত সুগন্ধিযুক্ত চাবোন ব্যৱহাৰ কৰা বৈধনে?

উত্তৰঃ পুৰুষ হওক বা নাৰী ইহৰাম অৱস্থাত উভয়ৰে বাবে সুগন্ধি ব্যৱহাৰ কৰা বৈধ নহয়। সুগন্ধিযুক্ত চাবোন ব্যৱহাৰো ইয়াৰে অন্তৰ্ভুক্ত। যিয়ে জানি-বুজি ইচ্ছাকৃতভাৱে সুগন্ধি স্পৰ্শ কৰিব, তেওঁ ফিদিয়া প্ৰদান কৰিব লাগিব। কিন্তু যদি কোনোবাই অজ্ঞতাবশতঃ বা ভুলবশতঃ সুগন্ধি স্পৰ্শ কৰে তেনেহ'লে তেওঁৰ কোনো অপৰাধ নহয়। কিয়নো মহান আল্লাহে কৈছেঃ

(ربنا لا تؤاخذنا إن نسينا أو أخطأنا)،

অৰ্থঃ হে আমাৰ প্ৰতিপালক! যদি আমি পাহৰি যাওঁ অথবা ভুল কৰোঁ, তেনেহ’লে তুমি আমাক জবাবদিহি নকৰিবা। আৰু নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«رفع عن أمتي الخطأ والنسيان وما استكرهوا عليه».

"আল্লাহে মোৰ উম্মতৰ অনিচ্ছাকৃত ভুল-ত্ৰুটি ক্ষমা কৰি দিছে আৰু (বান্দাৰ) সেইসমূহ কৰ্মকো ক্ষমা কৰিছে যিটো কৰিবলৈ তাক বাধ্য কৰোৱা হৈছে।"

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ১৩৭)।

***

প্ৰশ্নঃ মই হাৰামত প্ৰৱেশ কৰাৰ আগতে শৌচালয়ত গৈছিলোঁ আৰু তাত ভুলবশতঃ কিছুসময় ইহৰামৰ কাপোৰ মূৰত ৰাখি থৈছিলোঁ, কিন্তু মনত পৰাৰ লগে লগে মই সেইটো আঁতৰাই দিছোঁ। এতিয়া প্ৰশ্ন হ'ল, ইয়াৰ বাবে মোৰ কিবা কৰণীয় আছে নেকি?

উত্তৰঃ ইহৰাম অৱস্থাত যদি কোনোবাই ভুলবশতঃ কোনো নিষিদ্ধ কৰ্ম কৰে, তেন্তে তেওঁৰ কৰ্তব্য হৈছে মনত পৰাৰ লগে লগে সেইটোৰ পৰা বিৰত থকা। ইয়াৰ ফলত তেওঁৰ ওপৰত কোনো কাফ্‌ফাৰা নাই আৰু কোনো গুনাহো নহ'ব। মহান আল্লাহে পৱিত্ৰ কোৰআনত উল্লেখ কৰিছেঃ

(ربنا لا تؤاخذنا إن نسينا أو أخطأنا)

অৰ্থঃ হে আমাৰ প্ৰতিপালক! যদি আমি পাহৰি যাওঁ অথবা ভুল কৰোঁ, তেনেহ'লে তুমি আমাক জবাবদিহি নকৰিবা। তেতিয়া মহান আল্লাহে কয়ঃ ঠিক আছে, মই সেইটোৱে কৰিম। এই কথা বিশুদ্ধ সূত্ৰত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা বৰ্ণিত হৈছে। ইয়াৰ ওপৰিও নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«عفي لأمتي عن الخطأ والنسيان وما استكرهوا عليه».

"আল্লাহে মোৰ উম্মতৰ অনিচ্ছাকৃত ভুল-ত্ৰুটি ক্ষমা কৰি দিছে আৰু (বান্দাৰ) সেইসমূহ কৰ্মকো ক্ষমা কৰিছে যিটো কৰিবলৈ তাক বাধ্য কৰোৱা হৈছে।"

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ১৪৯)।

***

প্ৰশ্নঃ মই, মোৰ স্ত্ৰী আৰু মোৰ ভন্টিয়ে ৰমজান মাহত ওমৰাহ কৰিছোঁ, কিন্তু মই অজ্ঞতাবশতঃ ইহৰাম অৱস্থাত তেওঁলোকক হাতমোজা পিন্ধিবলৈ নির্দেশ দিছিলোঁ। এতিয়া আমি কি কৰিব লাগিব?

উত্তৰঃ যদি কোনো নাৰীয়ে অজ্ঞতাবশতঃ ইহৰাম অৱস্থাত হাতমোজা পৰিধান কৰে, তেন্তে তেওঁৰ ওপৰত বাধ্যতামূলক একো কৰিবলগীয়া নাই। কিন্তু যদি ইহৰাম অৱস্থাতে তেওঁ এই বিধান সম্পৰ্কে অৱগত হয় তেন্তে লগে লগে সেইটো খুলি পেলোৱাটো বাধ্যতামূলক।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ১৫৬)।

***

প্ৰশ্নঃ মই আৰু মোৰ স্ত্ৰীয়ে ওমৰাহ কৰিবলৈ ইহৰাম বান্ধিছিলোঁ, কিন্তু ইহৰাম কৰাৰ পিছত মোৰ স্ত্ৰীৰ হায়েজ আৰম্ভ হয়। বিধান সম্পৰ্কে অজ্ঞতাৰ কাৰণে মই ইহৰামৰ পৰা হালাল হৈ যাওঁ আৰু ইহৰামৰ কাপোৰ খুলি পেলাওঁ, লগতে মক্কাৰ ছফৰ বাতিল কৰোঁ। কিন্তু এইবাৰ ৰমাজান মাহত আল্লাহৰ অনুগ্ৰহত মই আৰু মোৰ স্ত্ৰীয়ে ওমৰাহ সম্পন্ন কৰিছোঁ। গতিকে এই সম্পৰ্কে চৰীয়তৰ সঠিক বিধান বৰ্ণনা কৰিব বুলি আপোনালৈ অনুৰোধ জনাইছোঁ। এই ক্ষেত্ৰত মোৰ কৰণীয় কি?

উত্তৰঃ আপোনালোকে সেই ওমৰাহটো সম্পন্ন কৰিব লাগিছিল, বাতিল কৰাটো ঠিক হোৱা নাই। ইহৰামৰ নিয়্যত পৰিত্যাগ কৰি সাধাৰণ পোছাক

পৰিধান কৰিলেও বাস্তৱতা পৰিবৰ্তন নহয়, ইহৰাম তেতিয়াও বাহাল থাকে, বাতিল নহয়। এতেকে আপোনালোকৰ দ্বিতীয় ওমৰাহটো প্ৰথম ওমৰাৰে ধাৰাবাহিকতা হিচাপে গণ্য হ'ব। কিন্তু ওমৰাহ আদায়ৰ পূৰ্বে এই মাজৰ সময়ছোৱাত যদি আপুনি স্ত্ৰীৰ সৈতে যৌন সম্পৰ্ক স্থাপন কৰিছিল তেন্তে আপুনি আন এটা ওমৰাহ কৰিব লাগিব, যিটো সহবাসৰ ফলত ভংগ হোৱা প্ৰথম ওমৰাৰ কাজা হিচাপে গণ্য হ'ব, আৰু আপোনালোকে সেই মীকাতৰ পৰাই ইহৰাম কৰিব লাগিব যিটো মীকাতৰ পৰা সেই প্ৰথম ওমৰাৰ ইহৰাম কৰিছিল। ইয়াৰ উপৰিও আপোনালোকে ফিদিয়া দিব লাগিব। দুয়োৰে ফালৰ পৰা এটা এটাকৈ ছাগলী কুৰবানী কৰিব লাগিব, যিটো মক্কাত জবেহ কৰি মক্কাৰ দৰিদ্ৰসকলৰ মাজত বিতৰণ কৰিব লাগিব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ৩৮৪)।

***

প্ৰশ্নঃ চামৰাৰে তৈয়াৰ কৰা বে'ল্ট পিন্ধাৰ বিধান কি? যদি সেইটো চিলাই কৰা থাকে। এইদৰে চিলাইকৃত জোতা পৰিধান কৰাৰ বিধান কি?

উত্তৰঃ হজ্জ বা ওমৰাহ পালনকাৰী ব্যক্তিয়ে ইহৰাম অৱস্থাত বেল্ট আৰু জোতা চেণ্ডেল পৰিধান কৰিব পাৰে, যদিও সেয়া মেচিনৰ দ্বাৰা চিলাইকৃত হয়।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ১৭০)।

***

প্ৰশ্নঃ মই আবিয়াৰে আলীৰ (জুলহুলাইফাৰ) পৰা ইহৰাম বান্ধি যাত্ৰা আৰম্ভ কৰিলোঁ, আৰু মক্কাৰ পথত গৈ থাকোঁতে ক্লান্ত হৈ মোৰ প্ৰচণ্ড জ্বৰ আহিল। এই অৱস্থাত মই মূৰ ঢাকি টোপনি গৈছিলোঁ। এতিয়া ইয়াৰ বাবে মোৰ কিবা কৰিবলগীয়া আছে নেকি?

উত্তৰঃ আপুনি ফিদিয়া আদায় কৰাটো আৱশ্যক। সেয়া হৈছেঃ তিনি দিন ৰোজা ৰখা, বা ছয়জন দৰিদ্ৰ ব্যক্তিক খাদ্য খুৱাব লাগিব অথবা হাৰাম এলাকাত এটা ছাগলী জবেহ কৰিব লাগিব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ১৮১)।

***

প্ৰশ্নঃ ভৰিত মোজা পৰিধান কৰাৰ বিধান কি? মোজা পৰিধান কৰি তাৱাফ কৰিব পাৰিনে? আনহাতে মোজা চিলাইযুক্ত কাপোৰৰ অন্তৰ্ভুক্ত নেকি?

উত্তৰঃ হজ্জ বা ওমৰাৰ ইহৰাম অৱস্থাত পুৰুষৰ বাবে মোজা পৰিধান কৰাটো বৈধ নহয়। কিন্তু যদি কোনো অসুস্থতাৰ কাৰণে অথবা বিশেষ কোনো প্ৰয়োজনত মোজা পৰিধান কৰিবলগীয়া হয় তেন্তে কৰিব পাৰে, কিন্তু ইয়াৰ বাবে ফিদিয়া দিয়াটো জৰুৰী। সেয়া হৈছেঃ তিনি দিন ৰোজা ৰাখিব লাগিব, বা ছয়জন দৰিদ্ৰ ব্যক্তিক খাদ্য খুৱাব লাগিব অৰ্থাৎ প্ৰতিজন ব্যক্তিক আধা ছা খেজুৰ বা অনুৰূপ খাদ্য দিব লাগিব, অথবা এটা ছাগলী জবেহ কৰিব লাগিব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ১৮৩)।

***

প্ৰশ্নঃ ইহৰাম অৱস্থাত শৰীৰ শীতল ৰাখিবলৈ সম্পূৰ্ণ শৰীৰ ধোৱা জায়েজ নে? যদি জায়েজ তেন্তে কি কাৰণত?

উত্তৰঃ গৰম বেছি অনুভূত হ'লে শৰীৰ ঠাণ্ডা ৰাখিবলৈ সম্পূৰ্ণ শৰীৰ ধোৱা বৈধ, ইয়াৰ ফলত ইবাদত পালনত তেওঁ সক্ৰিয়তা অনুভৱ কৰিব, লগতে গোছলৰ সময়ত তেওঁ সাৱধান থাকিব লাগিব যে, গোছল কৰোঁতে যেন তেওঁৰ চুলি সৰি নপৰে আৰু ছাল নুঠে।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ১৮৪)।

***

প্ৰশ্নঃ ইহৰাম অৱস্থাত যদি কোনো ব্যক্তিয়ে গছ পুলি বা ঘাঁহ বন আদিৰ ওপৰেৰে নিজৰ গাড়ী চলাই লৈ যায়, তেন্তে তেওঁৰ ওপৰত কোনো বিধান প্ৰযোজ্য হ'ব নেকি?

উত্তৰঃ যদি এইটো হাৰামৰ সীমাৰ বাহিৰত হয় তেন্তে কোনো বিধান প্ৰযোজ্য নহ'ব। আনহাতে যদি এইটো কোনো ব্যক্তিৰ নিজা সম্পত্তি হয় তেন্তে ক্ষতিপূৰণ দিয়াটো আৱশ্যক। এইদৰে যদি হাৰামৰ সীমাৰ ভিতৰত কোনো ব্যক্তিগত গছ-গছনি বা ফুলনি নষ্ট কৰে তেন্তে তাৰ মালিকক ক্ষতিপূৰ্ণ দিব লাগিব। আনহাতে যদি এইবোৰ কাৰো মালিকানাধীন নহয় তেন্তে কোনো

অসুবিধা নাই। কিন্তু ইচ্ছাকৃতভাৱে এইটো কৰা উচিত নহয়। কিয়নো নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ইয়াৰ পৰা নিষেধ কৰিছে।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ১৮৫)।

***

প্ৰশ্নঃ হজ্জৰ সময়ত হওক বা ওমৰাৰ সময়ত, ইহৰাম অৱস্থাত পুৰুষসকলে বা নাৰীসকলে নিজৰ ইহৰামৰ কাপোৰ সলাব পাৰেনে?

উত্তৰঃ হজ্জ হওক বা ওমৰাহ, ইহৰাম অৱস্থাত ইহৰামৰ কাপোৰ পৰিবৰ্তন কৰাটো বৈধ। ইহৰামৰ কাপোৰ পৰিবৰ্তন কৰাৰ ফলত তেওঁৰ হজ্জ অথবা ওমৰাত কোনো প্ৰভাৱ নপৰিব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ১৮৫)।

***

প্ৰশ্নঃ কাবা শ্বৰীফৰ মুলতাজিমত শৰীৰ স্পৰ্শ কৰি দুআ কৰাৰ সময়ত হঠাৎ কাবা ঘৰত ব্যৱহাৰ হোৱা সুগন্ধিমূলক তেলত মোৰ হাত লাগি যায়, আৰু সেইবোৰ মই মোৰ শৰীৰ আৰু চুলিত, লগতে কাপোৰত সানি লওঁ, এইটো মোৰ দ্বাৰা অনিচ্ছাকৃতভাৱে হৈছে। ইয়াৰ পিছত মই অজু কৰি ইয়াৰ প্ৰভাৱ প্ৰায় দূৰ কৰি পেলাওঁ। এই ক্ষেত্ৰত চৰীয়তৰ বিধান কি?

উত্তৰঃ কাবা শ্বৰীফৰ সুগন্ধিমূলক তেলত হাত লগাই সেইটো শৰীৰত, চুলিত আৰু কাপোৰত সানি লোৱাটো

আপোনাৰ বাবে নিষিদ্ধ। এই অৱস্থাত সুগন্ধি ব্যৱহাৰ কৰিলে কাফ্‌ফাৰা দিব লাগে। ইয়াৰ কাফ্‌ফাৰা হৈছে তিনি দিন ৰোজা ৰাখিব লাগিব, নাইবা ছয়জন মিছকিনক আহাৰ কৰাব লাগিব অৰ্থাৎ প্ৰতিজন ব্যক্তিকে অৰ্দ্ধেক ছা খাদ্য বস্তু দিব লাগিব, অথবা এটা ছাগলী জবেহ কৰিব লাগিব। কিন্তু যদি আপুনি চৰীয়তৰ বিধান নজনা অৱস্থাত কৰিছে অথবা ভুলতে কৰিছে তেন্তে আপোনাৰ ওপৰত এই বিধান প্ৰযোজ্য নহ'ব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ১৮৬)।

***

প্ৰশ্নঃ এজনী মহিলা তিনিবাৰ ওমৰাহ কৰিছে। তেওঁ বুৰ্কা পৰিধান কৰিছিল আৰু মুখ ঢাকিবলৈ বুৰ্কাৰ ওপৰেৰে এটা পাতল কাপোৰ ওলোমাই ৰাখিছিল, তেওঁ কেতিয়াবা সেইটো মুখ ঢাকিবলৈ ওলোমাই ৰাখিছিল আৰু কেতিয়াবা উঠাই ৰাখিছিল। দৰাচলতে তেওঁ বুৰ্কাৰ বিধান সম্পৰ্কে অজ্ঞ আছিল। হে সন্মানীয় শ্বাইখ এই ক্ষেত্ৰত চৰীয়তি বিধান কি?

উত্তৰঃ হজ্জ বা ওমৰাৰ ইহৰাম অৱস্থাত কোনো মহিলাৰ বাবেই নিকাব পৰিধান কৰা বৈধ নহয়। অৰ্থাৎ মুখ ঢাকিবলৈ যিটো কাপোৰ ব্যৱহাৰ কৰা হয়। কিন্তু যদি তেওঁৰ সন্মুখত পৰপুৰুষ থাকে তেন্তে তেওঁ নিজৰ মুখৰ ওপৰলৈ ওৰণি বা বেলেগ কোনো কাপোৰ টানি ল'ব পাৰে, যিদৰে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ স্ত্ৰীসকলে বিদায়ী হজ্জত কৰিছিল। কিন্তু যিহেতু উক্ত

মহিলাজনীয়ে অজ্ঞতাবশতঃ এইটো পৰিধান কৰিছিল, সেয়ে তেওঁৰ কোনো গুনাহ নহ'ব। কাৰণ তেওঁ বিধান সম্পৰ্কে নজনাকৈ এইটো কৰিছে।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ১৯৪)।

***

চতুৰ্থঃ তাৱাফ সম্পৰ্কীয় ফতোৱা

প্ৰশ্নঃ মই ওমৰাহ পালন কৰিছোঁ, কিন্তু ওমৰাৰ যাৱতীয় পদ্ধতি সম্পৰ্কে মই অৱগত নাছিলোঁ, সেয়ে তাৱাফ আৰম্ভ কৰাৰ সময়ত মই হাজৰে আছৱাদৰ পৰা আৰম্ভ কৰা নাছিলোঁ, বৰং ৰুকনে য়ামানীৰ পৰা আৰম্ভ কৰিছিলোঁ। এই ওৱাজিব চৰ্তাৱলী সম্পৰ্কে মই অজ্ঞ আছিলোঁ। আনহাতে বাকী সকলো কৰণীয় মই সঠিকভাৱে পালন কৰিছোঁ। গতিকে সন্মানীয় শ্বাইখৰ ওচৰত মই এই কথা জানিব বিচাৰোঁ যে, এই ক্ষেত্ৰত মোৰ ওপৰত কোনো বিধান প্ৰযোজ্য হ'ব নেকি?

উত্তৰঃ প্ৰশ্নকাৰীয়ে ৰুকনে য়ামানীৰ পৰা তাৱাফ আৰম্ভ কৰি এটা ভুল কৰিছে, কাৰণ তাৱাফ আৰম্ভ কৰিব লাগে হাজৰে আছৱাদৰ পৰা। কিন্তু এই ভুলৰ ফলত তাৱাফৰ শুদ্ধতাত কোনো প্ৰভাৱ নপৰিব। কাৰণ এইটো প্ৰথম প্ৰদক্ষিণৰ অতিৰিক্ত হিচাপে গণ্য হ'ব। সেয়ে ইয়াৰ ফলত কোনো ক্ষতি নহ'ব, যদি তেওঁ সপ্তম প্ৰদক্ষিণ হাজৰে আছৱাদত শেষ কৰিছে।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ২১০)।

***

প্ৰশ্নঃ তাৱাফৰ সময়ত ইজতিবা কৰাটো ছুন্নত নেকি? যদি কোনোবাই এইটো কৰিবলৈ পাহৰি যায় তেন্তে তাৰ কৰণীয় কি? এইদৰে হাজৰে আছৱাদ চুমা খোৱাৰ সময়ত কেৱল বিছমিল্লাহি আল্লাহু আকবাৰ ক'লেই হ'বনে? কোনোবাই যদি এইটো ক'বলৈ পাহৰি যায় আৰু কেৱল চুমা খাই গুচি আহে আৰু তাৰ পৰা গুচি অহাৰ পিছত যদি মনত পৰে আৰু মাক্বামে ইব্ৰাহীমৰ ফালে যোৱাৰ সময়ত পাঠ কৰে, তেতিয়াহ'লে ইয়াৰ বিধান কি?

উত্তৰঃ ইজতিবা হৈছেঃ ইহৰাম পৰিধানকাৰী ব্যক্তিয়ে নিজৰ চাদৰৰ মাজভাগ সোঁহাতৰ কাষলতিৰ তলেৰে পাৰ কৰি উভয় প্ৰান্ত বাওঁ কান্ধৰ ওপৰত ৰখা, যাতে ইয়াৰ ফলত তেওঁৰ সোঁ কান্ধ আৰু বাহু উন্মুক্ত থাকে। এইটো এটা ছুন্নত আমল। মক্কাত উপস্থিত হৈ প্ৰথম তাৱাফৰ সময়ত এইটো কৰা হয়। তামাত্তু হজ্জকাৰীয়ে ওমৰাৰ তাৱাফত কৰিব আৰু কিৰান আৰু ইফৰাদ হজ্জকাৰীয়ে তাৱাফে কুদূমত কৰিব। কিন্তু যদি কোনোবাই এইটো কৰা নাই তেন্তে তেওঁৰ কোনো গুনাহ নহ'ব আৰু কাফ্ফাৰাও দিব নালাগে।

এইদৰে যিয়ে তাৱাফৰ আৰম্ভণিত বিছমিল্লাহ আৰু আল্লাহু আকবাৰ কোৱা নাই, তেওঁৰ ওপৰতো কোনো কাফ্ফাৰা নাই। কাৰণ তাৱাফ আৰু ছায়ীৰ সময়ত তাকবীৰ দিয়া, জিকৰ-আজকাৰ পাঠ কৰা আৰু দুআ কৰা আদি হৈছে ছুন্নত, ওৱাজিব নহয়। কিন্তু তাৱাফ আৰু ছায়ীৰ সময়ত নিয়্যত কৰাটো বাধ্যতামূলক।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ২১০)।

***

প্ৰশ্নঃ তাৱাফ কৰাৰ সময়ত মই মোৰ সৰু ছোৱালীক কোলাত লৈ আছিলোঁ, সেই সময়ত তাই ডায়পাৰ পিন্ধা অৱস্থাত আছিল। মই শুনিছোঁ যে, এইদৰে ডায়পাৰ পিন্ধা শিশুক কোলাত লৈ তাৱাফ কৰা বৈধ নহয়, কাৰণ সাধাৰণতে ডায়পাৰৰ ভিতৰত শৌচ-প্ৰস্ৰাৱ থাকিব পাৰে। গতিকে মই সন্মানীয় শ্বাইখৰ ওচৰত জানিব বিচাৰোঁ যে, এই ক্ষেত্ৰত চৰীয়তৰ বিধান কি?

উত্তৰঃ তাৱাফ কৰাৰ সময়ত শিশুক কোলাত লৈ তাৱাফ কৰা বৈধ, যদিও শিশু ডায়পাৰ পিন্ধা অৱস্থাত থাকে। কিন্তু চৰ্ত হৈছে তাৱাফকাৰীৰ শৰীৰত আৰু কাপোৰত যাতে কোনো নাপাকী স্পৰ্শ নকৰে। এই বিধান নামাজৰ ক্ষেত্ৰতো প্ৰযোজ্য।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ২৩৬)।

***

প্ৰশ্নঃ হায়েজ অৱস্থাত তাৱাফ কৰা বৈধনে?

উত্তৰঃ হায়েজ অৱস্থাত তাৱাফ কৰা বৈধ নহয়, যেতিয়ালৈকে তেওঁ পৰিপূৰ্ণৰূপে পৱিত্ৰতা অৰ্জন কৰি গোছল নকৰিব। কাৰণ আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ হায়েজ অৱস্থাত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক কৈছিলঃ

«لا تطوفي بالبيت حتى تطهري»

"পৱিত্ৰতা অৰ্জন নকৰালৈকে তুমি কাবা ঘৰৰ তাৱাফ নকৰিবা।"

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ২৪৯)।

***

প্ৰশ্নঃ কোনো মহিলাৰ বাবে এইটো ঠিক হ'বনে যে, স্বামী বা মাহৰাম নোহোৱাকৈ তাই অকলশৰীয়াকৈ তাৱাফ আৰু ছায়ী কৰিব আৰু ইপিনে তাইৰ মাহৰাম বা স্বামীয়ে হাৰামৰ কোনো স্থানত অপেক্ষা কৰিব, যাতে তাই ওমৰাহ সম্পন্ন কৰি আহে?

উত্তৰঃ হজ্জ অথবা ওমৰাৰ তাৱাফ বিশুদ্ধ হোৱাৰ বাবে নাৰীসকলৰ সৈতে মাহৰাম উপস্থিত থকাটো জৰুৰী নহয় আৰু এইটো কোনো চৰ্তও নহয়। কিন্তু ছফৰত নাৰীসকলৰ সৈতে মাহৰাম থকাটো চৰ্ত, সেয়া ওমৰাৰ ছফৰে হওক বা বেলেগ কোনো ছফৰ।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ৩৫৩)।

***

প্ৰশ্নঃ এজন ব্যক্তি তাৱাফ কৰি আছিল আৰু তেওঁ পঞ্চম পাকত আছিল। এই পঞ্চম নং পাকটো শেষ হোৱাৰ আগতে নামাজৰ একামত হ'ল আৰু তেওঁ জামাতত চামিল হ'ল। নামাজ শেষ কৰি তেওঁ তাৱাফৰ বাবে থিয় হ'ল। এতিয়া তেওঁ সেই স্থগিত ৰখা পঞ্চম নং পাকটো গণ্য কৰি তাৱাফ কৰিব নে সেইটোক বাতিল কৰি পুনৰ হাজৰে আছৱাদৰ পৰা আৰম্ভ কৰিব?

উত্তৰঃ সঠিক মত এইটোৱে যে, এনেকুৱা পৰিস্থিতিৰ বাবে সেই পাকটো বাতিল নহ'ব। বৰং নামাজ শেষ কৰি তেওঁ যি ঠাইৰ পৰা স্থগিত ৰাখিছিল সেই ঠাইৰ পৰা পুনৰ আৰম্ভ কৰিব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ২৩০)।

***

প্ৰশ্নঃ হাজৰে আছৱাদ আকাশৰ পৰা অৱতীৰ্ণ হৈছে নেকি, নে সেইডোখৰ অন্যান্য শিলৰ দৰেই এডোখৰ শিল?

উত্তৰঃ মহান আল্লাহে আমাৰ বাবে হাজৰে আছৱাদক চুমা খোৱাৰ আৰু স্পৰ্শ কৰাৰ বিধান প্ৰদান কৰি হাজৰে আছৱাদক বিশেষ মৰ্যাদা প্ৰদান কৰিছে। ইয়াক কাবাৰ এটা কোণত স্থাপন কৰা হৈছে, যি কাবাৰ ফালে আমি মুখ কৰি নামাজ আদায় কৰোঁ। লগতে তেওঁ তাৱাফকাৰীসকলৰ বাবে সক্ষম অনুযায়ী চুমা খোৱা বা স্পৰ্শ কৰা বৈধ কৰিছে। আনহাতে সম্ভৱ নহ'লে ইয়াৰ সীমাত আহি আল্লাহু আকবাৰ বুলি কৈ ইংগিত কৰিব। হাজৰে আছৱাদ সম্পৰ্কে তিৰমিজী আৰু অন্যান্য হাদীছ গ্ৰন্থত এটা হাদীছ বৰ্ণিত হৈছে, য'ত কোৱা হৈছে যে, এইটো জান্নাতৰ পৰা অৱতীৰ্ণ হৈছে। কিন্তু এই হাদীছটোৰ চনদত কিছু দুৰ্বলতা আছে।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ২২৮)।

***

প্ৰশ্নঃ হজ্জ বা ওমৰাহ পালনৰ সময়ত কাবা ঘৰক চুমা খোৱাটো হালাল নে হাৰাম?

উত্তৰঃ কেৱল হাজৰে আছৱাদক চুমা খোৱাটোহে চৰীয়তসন্মত। এইটো প্ৰমাণিত যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কেৱল হাজৰে আছৱাদকে চুমা খাইছিল, কাবাৰ আন কোনো অংশক চুমা খোৱা নাছিল।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ২২৮)।

***

প্ৰশ্নঃ আশে পাশে পৰপুৰুষ থকা অৱস্থাত মহিলা মানুহে হাজৰে আছৱাদ চুমা খোৱাটো ঠিক হ'বনে?

উত্তৰঃ হাজৰে আছৱাদ চুমা খোৱাটো হৈছে তাৱাফৰ এটা গুৰুত্বপূৰ্ণ ছুন্নত। নবী চাল্লাল্লাহু আলাইহি অছাল্লামক অনুসৰণ কৰি এইটো পালন কৰিব লাগে ভিৰ নকৰাকৈ আৰু কাকো কষ্ট নিদিয়াকৈ। কিন্তু যদি ঠেলা হেঁচা হয় বা বেলেগে কষ্ট পায় তেনেহ'লে এইটো পৰিহাৰ কৰা উচিত আৰু কেৱল হাতেৰে ইংগিত কৰাটোৱে যথেষ্ট, বিশেষকৈ মহিলাসকলৰ বাবে, কিয়নো তেওঁলোক হৈছে পৰ্দাশীল। ইয়াৰ উপৰিও যিহেতু পুৰুষসকলৰ বাবেই ঠেলা হেঁচা কৰাটো চৰীয়ত সন্মত নহয়, তেনেক্ষেত্ৰত নাৰীসকলৰ বাবে এইটো আৰু অধিক প্ৰযোজ্য। আনহাতে যদি কোনো ভিৰ নাথাকে তথা হাজৰে আছৱাদ চুমা খোৱা সম্ভৱ হ'লেও

নাৰীসকলে নিজৰ মুখ উন্মুক্ত কৰি চুমা খোৱাটো উচিত নহয়, কাৰণ তাত গায়েৰ মাহৰামৰ উপস্থিতি স্বাভাৱিক।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ২২৯)।

***

প্ৰশ্নঃ হজ্জ বা ওমৰাহ পালনকাৰীয়ে কাবা ঘৰ তাৱাফ কৰাৰ সময়ত হিজৰে ইছমাঈলত (হাতিমত) প্ৰৱেশ কৰিব পাৰেনে?

উত্তৰঃ হজ্জ হওক বা ওমৰাহ নাইবা নফল তাৱাফ কোনো ক্ষেত্ৰতে তাৱাফকাৰীয়ে হিজৰে ইছমাঈলত প্ৰৱেশ কৰাটো বৈধ নহয়। যদি কোনোবাই তাৱাফৰ সময়ত তাত প্ৰৱেশ কৰে তেন্তে তেওঁৰ তাৱাফ সম্পূৰ্ণ নহ'ব। কাৰণ তাৱাফ কৰিব লাগে কাবা ঘৰৰ চাৰিওফালে, আনহাতে হিজৰে ইছমাঈল হৈছে কাবা ঘৰৰ অন্তৰ্ভুক্ত। মহান আল্লাহে পৱিত্ৰ কোৰআনত কৈছেঃ

(وليطوفوا بالبيت العتيق)

"আৰু তেওঁলোকে যেন প্ৰাচীন ঘৰৰ তাৱাফ কৰে।"

ইয়াৰ উপৰিও মুছলিম আৰু অন্যান্য গ্ৰন্থত বৰ্ণিত হৈছে যে, আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ

«سألت رسول الله صلى الله عليه وسلم عن الحجر، فقال: "هو من البيت» || ، وفي لفظ قالت: إني نذرت أن أصلي في البيت، قال:

মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক হিজৰে ইছমাঈল সম্পৰ্কে প্ৰশ্ন কৰাত তেখেতে কৈছেঃ "এইটো

হৈছে কাবাৰ অংশ"। আন এটা হাদীছত আছে যে, তেওঁ কৈছিলঃ মই মান্নত কৰিছোঁ যে, মই কাবা ঘৰৰ ভিতৰত নামাজ পঢ়িম। তেতিয়া তেখেতে কৈছিলঃ

«صلي في الحجر، فإن الحجر من البيت» .

"তুমি হিজৰে ইছমাঈলৰ ভিতৰত নামাজ পঢ়া, কাৰণ হিজৰে ইছমাঈল হৈছে কাবাৰ অংশ।"

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ২৩৩)।

***

পঞ্চমঃ ছায়ী সম্পৰ্কীয় ফাতাৱাসমূহ

প্ৰশ্নঃ নাৰীসকলে ছায়ী কৰাৰ সময়ত সেউজীয়া পোহৰযুক্ত চিহ্ন দুটাত দৌৰি পাৰ হোৱা সম্পৰ্কে ফিকাহ গ্ৰন্থৰ হজ্জ আৰু ওমৰাহ সম্পৰ্কীয় অধ্যায়ত মোৰ সীমিত অধ্যয়নৰ জৰিয়তে নাৰীসকলৰ বাবে এইটো নিষিদ্ধ বুলি কোনো প্ৰমাণ পোৱা নাই। কিন্তু টেলিভিছনত এবাৰ এজন আলিমক এই কথা কওঁতে শুনিছোঁ যে, ছায়ী কৰাৰ সময়ত নাৰীসকলে দৌৰি যোৱা উচিত নহয়, এইটো কেৱল পুৰুষসকলৰ বাবেহে প্ৰযোজ্য। এইটোৱে হৈছে নাৰীসকলৰ বাবে অধিক নিৰাপদ উপায়, যাতে তেওঁলোকৰ শাৰীৰিক আকৃতি প্ৰকাশ নাপায়। কিন্তু তেওঁৰ এই উক্তিৰ সৈতে কোনো প্ৰমাণ উপস্থাপন কৰা নাছিল। মই মনে মনে ভাবিলোঁ যে, এইটো যদি সঁচা হয় তেন্তে এইটো হৈছে তেওঁৰ এটা ইজতিহাদ, আনহাতে ছায়ীৰ সময়ত দৌৰি পাৰ হোৱাটো হৈছে এটা ছুন্নত, যিটো হাজেৰা ৰাদ্বিয়াল্লাহু

আনহাৰ পৰা আৰম্ভ হৈছিল। কিন্তু আলহাম্‌দুলিল্লাহ মই যুক্তি তথা মতামত বুজিব পাৰোঁ, লগতে আল্লাহৰ চুকৰিয়া যে, দ্বীন ব্যক্তিগত মতৰ ওপৰত নিৰ্ভৰশীল নহয়, এই কথা আমীৰুল মুমিনীন আলী ৰাদ্বিয়াল্লাহু আনহুৱে কৈছে। অনুগ্ৰহ কৰি ইয়াৰ সঠিক সমাধান দিব বুলি আশা কৰিলোঁ, আল্লাহে আপোনাক বৰকত দান কৰক।

উত্তৰঃ ইবনুল মুনজিৰে কৈছেঃ বিশেষজ্ঞ উলামাসকল এই ক্ষেত্ৰত একমত যে, নাৰীসকলৰ বাবে কাবা ঘৰ তাৱাফ কৰাৰ সময়ত লগতে চাফা আৰু মাৰৱাৰ মাজত ছায়ী কৰাৰ সময়ত ৰমল কৰা বা দৌৰি পাৰ হোৱাৰ বিধান নাই। তেওঁলোকৰ বাবে ইজতিবা কৰাৰো বিধান নাই। কাৰণ ৰমল আৰু ইজতিবা দৰাচলতে শক্তিমত্তা আৰু শৰীৰ দেখুৱাবলৈ কৰা হয়। এই উদ্দেশ্য নাৰীসকলৰ বাবে নহয়। বৰং নাৰীসকলৰ বাবে পৰ্দা বজায় ৰখাটো আৱশ্যক। পক্ষান্তৰে ৰমল আৰু ইজতিবা কৰিলে শৰীৰৰ অংগ প্ৰকাশিত হ'ব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ২২৬)।

***

ষষ্ঠঃ ওমৰাৰ পৰা হালাল হোৱা সম্পৰ্কীয় ফাতাৱাসমূহ

প্ৰশ্নঃ যি ব্যক্তিয়ে এই সপ্তাহত ওমৰাহ কৰি মূৰ খুৰাই লৈছে, ইয়াৰ পিছত অহা সপ্তাহত তেওঁ আন এটা ওমৰাহ কৰিব বিচাৰে, এই অৱস্থাত তেওঁ কি কৰা

উচিত? কাৰণ তেওঁৰ চুলি খুবেই সৰু, আনকি সম্ভৱতঃ এতিয়াও গজা নাই।

উত্তৰঃ যিয়ে হজ্জ অথবা ওমৰাহ কৰে, তেওঁৰ বাবে মূৰৰ চুলি খুৰাই লোৱা বা চুলি চুটি কৰাটো আৱশ্যক। কিন্তু যদি তেওঁৰ মূৰত চুলি নাথাকে তেন্তে তেওঁৰ ক্ষেত্ৰত এই বিধান প্ৰযোজ্য নহ'ব। এই অৱস্থাত তেওঁৰ হজ্জ অথবা ওমৰাহ সঠিক বুলি গণ্য হ'ব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৩২৭)।

***

প্ৰশ্নঃ এদল লোক ওমৰাহ পালন কৰিবলৈ গৈছিল, তেওঁলোকে নিজৰ সকলো আনুষ্ঠানিকতা সম্পন্ন কৰি তেওঁলোকৰ মাজৰ এজনে বাকীসকলৰ মূৰ খুৰাই দিছিল আৰু পিছত বেলেগ এজনে তেওঁৰ মূৰ খুৰাই দিছিল। এইদৰে তেওঁলোকে ইহৰামৰ পৰা হালাল হৈছিল। এই ক্ষেত্ৰত চৰীয়তৰ বিধান কি?

উত্তৰঃ যদি মুহৰিম ব্যক্তিয়ে আন এজন মুহৰিম ব্যক্তিৰ মূৰ খুৰাই দিয়ে হালাল হোৱাৰ উদ্দেশ্যে তেন্তে এই ক্ষেত্ৰত কোনো অসুবিধা নাই। কাৰণ এই ধৰণে মুণ্ডন কৰাটো অনুমোদিত।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ১৪৬)।

***

প্ৰশ্নঃ অনুগ্ৰহ কৰি জনাব যে, হজ্জ আৰু ওমৰাত সঠিকভাৱে কেনেকৈ মূৰ খুৰাব লাগে? ব্লেডেৰে খুৰোৱা

ভাল নে মেচিনেৰে খুৰোৱাটো ভাল? নে দুয়োটাই সমান?

উত্তৰঃ মুঠতে মুণ্ডন কৰিব লাগে বা চুলি চুটি কৰিব লাগে, যিটোৰেই নহওক কিয়। কিন্তু জানি থোৱা উচিত যে, মূৰ খুৰাই লোৱাটোহে বেছি উত্তম। আৰবীত (الحلق) কৰা মানে হৈছে, সম্পূৰ্ণ মূৰৰ চুলি খুৰাই পেলোৱা, সেয়া ব্লেডেৰে হওক বা মেচিন আদিৰে। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মূৰ খুৰাই লোৱা ব্যক্তিৰ বাবে তিনিবাৰকৈ ৰহমতৰ আৰু মাগফিৰাতৰ দুআ কৰিছে। আনহাতে চুলি চুটি কৰা লোকৰ বাবে কেৱল এবাৰ দুআ কৰিছে।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ২০১)।

***

প্ৰশ্নঃ যদি কোনো জিদ্দাৰ বাসিন্দাই ওমৰাহ কৰে আৰু তেওঁ জিদ্দাত গৈ মূৰ খুৰাই লয় তেন্তে ইয়াৰ বিধান কি?

উত্তৰঃ হজ্জ বা ওমৰাৰ বাবে মূৰ খুৰোৱাটো হাৰাম এলাকাৰ ভিতৰত হওক বা বাহিৰত কোনো অসুবিধা নাই। কিন্তু ওমৰাৰ ক্ষেত্ৰত ইহৰামৰ পৰা হালাল হ'বলৈ হ'লে তেওঁ মূৰ খুৰাব লাগিব বা চুলি চুটি কৰিব লাগিব। আনহাতে হজ্জৰ ক্ষেত্ৰত যদি তেওঁ জামাৰাতত শিলগুটি নিক্ষেপ কৰিছে, তাৱাফ কৰে আৰু ছায়ী কৰিছে, তেন্তে তেওঁ মূৰ নোখুৰোৱালৈকে অথবা চুলি

চুটি নকৰালৈকে স্ত্ৰীৰ সৈতে শাৰীৰিক সম্পৰ্ক স্থাপন কৰিব নোৱাৰিব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ২০৩)।

***

প্ৰশ্নঃ কোনো এজন ব্যক্তি জিদ্দালৈ আহিল আৰু তাৰ পিছৰ দিনা তেওঁ নিজৰ জীৱনৰ প্ৰথম ওমৰাহ কৰিবলৈ ৰাওনা হ'ল, আৰু তেওঁ নিজৰ এজন আত্মীয়ৰ সৈতে ওমৰাহ সম্পন্ন কৰিলে। ছায়ী শেষ কৰি মই তেওঁক ক'লোঁ, "আমি মূৰ খুৰাম নে চুলি চুটি কৰিম"? তেওঁ ক'লেঃ আমি ঘৰত গৈ মূৰ খুৰাই ল'ম। ইয়াৰ পিছত আমি ঘৰত উভতি আহি বিষয়টো পাহৰি গ'লোঁ আৰু ইহৰাম খুলি পেলালোঁ। এতিয়া আমাৰ কৰণীয় কি?

উত্তৰঃ যিয়ে তাৱাফ আৰু ছায়ী কৰাৰ পিছত হলক কৰিবলৈ অথবা চুলি চুটি কৰিবলৈ পাহৰি গৈছে আৰু সাধাৰণ কাপোৰ পৰিধান কৰিছে, তেওঁৰ ওপৰত ওৱাজিব হৈছে মনত পৰাৰ লগে লগে ইহৰামৰ কাপোৰ পৰিধান কৰা, আৰু তাৰ পিছত মূৰ খুৰাই লোৱা অথবা চুলি চুটি কৰি লোৱা। ইয়াৰ পিছত সাধাৰণ পোছাক পৰিধান কৰা। এই ক্ষেত্ৰত তেওঁৰ কোনো কাফ্ফাৰা দিব নালাগে আৰু তেওঁৰ কোনো গুনাহো নহ'ব, কাৰণ তেওঁ পাহৰি গৈছিল।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ২০৬)।

***

হাজীসকলৰ বাবে খুবেই গুৰুত্বপূৰ্ণ তথা অধিক প্ৰয়োজনীয় কিছুমান ফতোৱা।[1]

হজ্জৰ বিধান আৰু গুৰুত্ব, লগতে হজ্জত প্ৰতিনিধিত্বৰ বিধান

প্ৰশ্নঃ ইছলামী বিশ্বত মক্কাৰ গুৰুত্ব কি?

উত্তৰঃ মহান আল্লাহে ইয়াক মানুহৰ বাবে আশ্ৰয়স্থল আৰু নিৰাপত্তাৰ স্থান হিচাপে আৰু এটা নিৰাপদ পৱিত্ৰ স্থান হিচাপে প্ৰতিষ্ঠিত কৰিছে। ইয়াত হাজীসকল আৰু আলিম-উলামাসকল নিজৰ হজ্জ কাৰ্যৱলী সম্পাদন কৰিবলৈ পূৰ্ণ স্বস্তি আৰু প্ৰশান্তিৰ সৈতে একত্ৰিত হয়। তেওঁলোকে মহান আল্লাহৰ পৰা উত্তম প্ৰতিদান আশা কৰে আৰু তেওঁৰ শাস্তিক ভয় কৰে। মুছলিমসকলে ইয়াত ইজনে সিজনৰ সৈতে পৰিচিত হয় আৰু পৰস্পৰৰ কল্যাণ কামনা কৰে, আৰু তেওঁলোকৰ দ্বীন আৰু দুনিয়াৰ গুৰুত্বপূৰ্ণ বিষয় সম্পৰ্কে আলোচনা কৰে। এই স্থানত চালাত আৰু অন্যান্য নেক আমলৰ ছোৱাব বহুগুণে বৃদ্ধি পায়।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৮)।

***

প্ৰশ্নঃ মোৰ পিতৃয়ে প্ৰায় চল্লিছ বছৰ আগত এবাৰ খোঁজকাঢ়ি হজ্জ কৰিছে। তেওঁ দুটা ওমৰাও কৰিছে।

[1] এই ফতোৱাসমূহ ছৌদি আৰবৰ স্থায়ী ফতোৱা কমিটিৰ 'ফাতাৱা সমগ্ৰ'ৰ পৰা সংগ্ৰহ কৰা হৈছে, লগতে প্ৰশ্নোত্তৰবোৰ স্থান অনুযায়ী সংগতিপূৰ্ণভাৱে সংক্ষিপ্তৰূপে দাঙি ধৰা হৈছে।

তাৰে এটা তেওঁ মৃত্যুৰ প্ৰায় তিনি বছৰ আগত কৰিছে। তেওঁ নিৰক্ষৰ আছিল, লিখিব পঢ়িব পৰা নাছিল। সেয়ে মই নাজানো তেওঁ কিদৰে সেই হজ্জ আদায় কৰিছে। এতিয়া মই তেওঁৰ ফালৰ পৰা হজ্জ কৰিব লাগিব নেকি? এই বিষয়ত সন্মানীয় শ্বাইখৰ মতামত কি?

উত্তৰঃ হজ্জ জীৱনত কেৱল এবাৰেই অনিবাৰ্য্য। আনহাতে আমল তথা ইবাদতৰ মূলনীতি হৈছে সঠিকভাৱে পালন কৰা। গতিকে পুনৰ হজ্জ কৰাৰ প্ৰয়োজন নাই। এতেকে আপুনি যদি আপোনাৰ পিতৃৰ ফালৰ পৰা হজ্জ কৰিব বিচাৰে তেন্তে সেয়া নফল হজ্জ হিচাপে গণ্য হ'ব। এইটোত আপোনাৰ আৰু আপোনাৰ পিতৃৰ বাবে আছে মহা ছোৱাব, যদি এয়া আল্লাহে আপোনাৰ পৰা গ্ৰহণ কৰে।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ১৫)।

***

প্ৰশ্নঃ স্বামীৰ অনুমতি নোলোৱাকৈ স্ত্ৰীয়ে ফৰজ হজ্জ কৰিবলৈ যাব পাৰেনে?

উত্তৰঃ সামৰ্থৱান হোৱাৰ চৰ্তসমূহ যদি পূৰণ হয় তেন্তে ফৰজ হজ্জ আদায় কৰাটো হৈছে অনিবাৰ্য্য, এই ক্ষেত্ৰত স্বামীৰ অনুমতি লোৱাটো চৰ্তৰ অন্তৰ্ভুক্ত নহয়। এইদৰে স্বামীয়েও তাইক বাধা দিয়া বৈধ নহয়। বৰং এই ফৰজ আমল আদায় কৰাত তেওঁ তাইক সহযোগিতা কৰা উচিত।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ২০)।

***

প্ৰশ্নঃ বিবাহিত নাৰীয়ে স্বামীৰ সন্তুষ্টিৰ বিপৰীতে নিজৰ আত্মীয় অৰ্থাৎ নিজৰ ভাতৃসকলৰ সৈতে হজ্জ কৰিবলৈ যাব পাৰেনে?

উত্তৰঃ স্বামীৰ অনুমতি নোহোৱাকৈ স্ত্ৰীয়ে হজ্জ কৰিবলৈ যাব নোৱাৰে, কিন্তু যদি সেইটো ফৰজ হজ্জ হয় তেন্তে স্বামীয়ে তাইক বাধা দিয়াৰ অধিকাৰ নাই, যদি তাইৰ সৈতে যাব পৰা কোনো মাহৰাম থাকে। কাৰণ মাহৰাম নোহোৱাকৈ কেৱল হজ্জেই নহয়, কোনো ছফৰেই কৰিব নোৱাৰে। এই বিষয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«لا يحل لامرأة تؤمن بالله واليوم الآخر أن تسافر إلا ومعها ذو محرم»

"যি নাৰীয়ে আল্লাহ আৰু আখিৰাতৰ প্ৰতি বিশ্বাস পোষণ কৰে, তেওঁৰ বাবে মাহৰাম নোহোৱাকৈ কোনো ছফৰে কৰা বৈধ নহয়।" কোনো নাৰী দলৰ সৈতে থকাটো মাহৰামৰ বিকল্প হ'ব নোৱাৰে। ফৰজ হজ্জ হওক বা বেলেগ কোনো ছফৰ সকলোতে একেই বিধান।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ৪০)।

***

প্ৰশ্নঃ মই যদি মোৰ এই সৰু শিশুটোক হজ্জ কৰিবলৈ লৈ যাওঁ, যিটো এতিয়াও প্ৰাপ্তবয়স্কত উপনীত

হোৱা নাই, মই ইয়াক ইহৰামৰ পোছাক পৰিধান কৰাব লাগিব নেকি, আৰু ইয়াৰ ফালৰ পৰা হজ্জৰ যাৱতীয় কাৰ্যৱলী যেনে- তাৱাফ আদি সম্পন্ন কৰিম নেকি? নে ইয়াক সাধাৰণ পোছাক পৰিধান কৰাই লৈ যাম, যিহেতু ই এতিয়াও সৰু, ইয়াৰ ওপৰত হজ্জ ফৰজ হোৱা নাই?

উত্তৰঃ যিজন শিশু বুদ্ধি-বিবেচনাসম্পন্ন হ'লেও এতিয়াও প্ৰাপ্ত বয়স্কত উপনীত হোৱা নাই, এনেকুৱা শিশুক যদি তাৰ অভিভাৱকে হজ্জ কৰাব বিচাৰে তেন্তে তাক ইহৰামৰ কাপোৰ পৰিধান কৰাৰ আদেশ দিব আৰু সেই শিশুৱে ইহৰামৰ পৰা আৰম্ভ কৰি হজ্জৰ যাৱতীয় কাম নিজেই সম্পন্ন কৰিব। যদি সি নিজে শিলগুটি নিক্ষেপ কৰিবলৈ সক্ষম নহয় তেন্তে অভিভাৱকে তাৰ ফালৰ পৰা নিক্ষেপ কৰি দিব। লগতে তাক ইহৰামৰ নিষিদ্ধ বিষয়সমূহৰ পৰা বিৰত থাকিবলৈ নিৰ্দেশ দিব লাগিব। আনহাতে যদি সি এতিয়াও বুদ্ধি-বিবেচনাসম্পন্ন হোৱা নাই, তেন্তে অভিভাৱকে তাৰ ফালৰ পৰা হজ্জ অথবা ওমৰাৰ নিয়্যত কৰিব আৰু তাক লগতলৈ তাৱাফ আৰু ছায়ী কৰিব, লগতে অন্যান্য আমলসমূহতো লগত ৰাখিব আৰু তাৰ ফালৰ পৰা শিলগুটি নিক্ষেপ কৰিব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ২২)।

***

প্ৰশ্নঃ যদি কোনো শিশু ল'ৰা হওক বা ছোৱালী ফৰজ হজ্জ আদায় কৰে, তেন্তে এইটো তাৰ বাবে যথেষ্ট

হ'বনে? নে এইটো কেৱল নফল হিচাপে গণ্য হ'ব আৰু ইয়াৰ ছোৱাব কেৱল তাৰ মাক বাপেকে পাব?

উত্তৰঃ অপ্ৰাপ্তবয়স্ক শিশুৰ ওমৰাহ বা হজ্জ নফল হিচাপে গণ্য হ'ব। এইটো ফৰজ হজ্জ বা ওমৰাহ হিচাপে যথেষ্ট নহ'ব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ২৩)।

***

প্ৰশ্নঃ এজনী নাৰী ছৌদি আৰবলৈ আহিছে আৰু তেওঁ আয়োজকৰ খৰচত ফৰজ হজ্জ কৰাৰ সুযোগ লাভ কৰিছে। তেওঁ জানিব বিচাৰিছে যে, তেওঁৰ এই হজ্জ, ইছলামৰ ফৰজ হজ্জ হিচাপে গণ্য হ'বনে, যদিও তেওঁ নিজৰ ফালৰ একোৱে ব্যয় কৰা নাই?

উত্তৰঃ তেওঁৰ ফৰজ হজ্জ আদায়ৰ ক্ষেত্ৰত কোনো প্ৰভাৱ নপৰিব, যদিও তেওঁ নিজৰ ফালৰ পৰা একোৱে ব্যয় কৰা নাই। অথবা সামান্য ব্যয় কৰিছে আৰু অধিকাংশ খৰচ বেলেগে বহন কৰিছে। এতেকে তেওঁ যদি হজ্জৰ চৰ্তসমূহ পূৰ্ণ কৰি, ৰুকন আৰু ওৱাজিবাতসমূহ সঠিকভাৱে আদায় কৰে তেন্তে এইটো তেওঁৰ ফৰজ হজ্জ হিচাপে গণ্য হ'ব, যদিও ইয়াৰ খৰচ বেলেগ কোনোবাই বহন কৰিছে।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৩৪)।

***

প্ৰশ্নঃ ইয়াৰ পৰা ...... হজ্জ কৰিবলৈ গ'লে ১,২৫,০০০...... পৰিমাণ অৰ্থ বেংকত জমা ৰাখিব লাগে। যিটো এটা বৃহ অংকৰ অৰ্থ। অথচ এই বেংকবোৰ হৈছে সুতৰ সৈতে জৰিত। ইয়াৰ বাহিৰে হজ্জলৈ যোৱাৰ বেলেগ কোনো ব্যৱস্থা নাই। এই অৱস্থাত সামৰ্থৱান মুছলিমৰ বাবে হজ্জ কৰাটো ফৰজ নে, আনহাতে যদি কোনোবাই এইদৰে হজ্জ কৰে তেন্তে তেওঁৰ হজ্জ সঠিক হ'বনে? যিহেতু তেওঁ সুতৰ সৈতে জৰিত বেংক আৰু ৰাষ্ট্ৰিক সহায় কৰি আছে?

উত্তৰঃ হজ্জ শুদ্ধ হ'ব, আৰু উল্লিখিত বিষয়টো হজ্জ বিলম্ব কৰাৰ বৈধ অজুহাত হিচাপে গণ্য হ'ব নোৱাৰে। যদি সেই ব্যক্তিজন হজ্জ কৰিবলৈ সক্ষম হয়।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৪২)।

***

প্ৰশ্নঃ যি ব্যক্তিয়ে হাৰাম উপাৰ্জনৰ দ্বাৰা হজ্জ কৰে, তাৰ হজ্জ গ্ৰহণযোগ্য হ'বনে নাই, ইয়াৰ বিধান কি?

উত্তৰঃ হাৰাম টকাৰে হজ্জ কৰিলে হজ্জৰ শুদ্ধতা বিনষ্ট নহয়, কিন্তু হাৰাম উপাৰ্জন কৰাৰ ফলত তাৰ গুনাহ নিশ্চয় হ'ব। ইয়াৰ ফলত হজ্জৰ ছোৱাব হ্রাস পাব কিন্তু হজ্জ বাতিল বুলি গণ্য নহ'ব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৪৩)।

***

প্ৰশ্নঃ মই বেংকৰ পৰা এটা নিৰ্দিষ্ট পৰিমাণৰ ঋণ লৈছোঁ, যিটো বাৰ্ষিক কিস্তি পৰিশোধ কৰিব লাগে। এই অৱস্থাত মোৰ বাবে হজ্জ কৰাটো বৈধ হ'বনে, যিহেতু মোৰ ওপৰত বেংকৰ ঋণ আছে?

উত্তৰঃ হজ্জ কৰিবলৈ সামৰ্থৱান হোৱাটো হৈছে হজ্জৰ এটি অন্যতম চৰ্ত। যদি আপুনি হজ্জৰ খৰচ বহন কৰিবলৈ আৰু হজ্জত যোৱাৰ আগতে নিৰ্ধাৰিত সেই কিস্তি আদায় দিবলৈ সক্ষম হয় তেন্তে আপোনাৰ ওপৰত হজ্জ কৰাটো বাধ্যতামূলক। কিন্তু যদি আপোনাৰ পক্ষে দুয়োটা একেলগে আদায় কৰা সম্ভৱ নহয়, তেন্তে প্ৰথমে নিৰ্ধাৰিত কিস্তি পৰিশোধ কৰিব লাগিব, আৰু হজ্জ পৰৱৰ্তী সময়ৰ বাবে স্থগিত ৰাখিব, যেতিয়ালৈকে আপুনি সামৰ্থৱান নহয়। কিয়নো পৱিত্ৰ মহান আল্লাহে কৈছেঃ

{وﷲ على الناس حج البيت من استطاع إليه سبيلا}

"আৰু সামৰ্থৱান মানুহৰ বাবে আল্লাহৰ উদ্দেশ্যে সেই ঘৰৰ হজ্জ কৰা তাৰ ওপৰত ফৰজ।"

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৪৫)।

***

প্ৰশ্নঃ যিয়ে কোনো মৃত ব্যক্তিৰ ফালৰ পৰা হজ্জ কৰিব বিচাৰে অথবা কোনো বৃদ্ধ অক্ষম ব্যক্তিৰ ফালৰ পৰা, অথচ তেওঁ ইতিপূৰ্বে নিজৰ হজ্জ কৰা নাই আৰু তেওঁৰ কোনো অৰ্থ সম্পদো নাই, বৰং কেৱল নিয়োগদাতাৰ অৰ্থৰেহে হজ্জ কৰিবলৈ সক্ষম। তেন্তে

তেওঁ প্ৰথমে নিজৰ হজ্জ কৰি লোৱাটো জৰুৰী, নে নিয়োগদাতাৰটো কৰিলেই হ'ব?

উত্তৰঃ নিজৰ হজ্জ কৰাৰ আগতে বেলেগ কাৰোবাৰ ফালৰ পৰা (বদল হজ্জ) কৰাটো কোনো ব্যক্তিৰ বাবেই বৈধ নহয়। ইয়াৰ মূল প্ৰমাণ হৈছে ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত এই হাদীছঃ

«أن النبي صلى الله عليه وسلم سمع رجلا يقول: لبيك عن شبرمة، قال: "حججت عن نفسك؟ " قال: لا، قال: "حج عن نفسك، ثم عن شبرمة» .

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এজনক এই বুলি কোৱা শুনা পালে যে, লাব্বাইকা আন শ্‌বুবৰামা, (অৰ্থঃ মই শ্‌বুবৰামাৰ ফালৰ পৰা হজ্জ কৰিবলৈ উপস্থিত হৈছোঁ।) তেতিয়া তেখেতে তেওঁক সুধিলেঃ "তুমি তোমাৰ নিজৰ হজ্জ কৰিছানে"? তেওঁ ক'লেঃ নাই কৰা। তেতিয়া তেখেতে ক'লেঃ "প্ৰথমে তুমি তোমাৰ নিজৰ হজ্জ কৰি লোৱা, তাৰ পিছত শ্‌বুবৰামাৰ ফালৰ পৰা হজ্জ কৰিবা।"

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৫০)।

***

প্ৰশ্নঃ যিয়ে নিজৰ ফৰজ হজ্জ আদায় কৰিছে, তেনেকুৱা ব্যক্তিয়ে তেওঁৰ কোনো আত্মীয়ৰ ফালৰ পৰা হজ্জ কৰা বৈধনে, যিজন হজ্জ আদায় কৰিবলৈ অক্ষম?

উত্তৰঃ যিয়ে নিজৰ ফৰজ হজ্জ আদায় কৰিছে, তেনেকুৱা ব্যক্তিয়ে আনৰ হৈ হজ্জ কৰাটো বৈধ, যদি

সেই ব্যক্তিজন নিজে হজ্জ আদায় কৰাত অক্ষম হয়। উদাহৰণস্বৰূপে- বাৰ্ধক্যৰ কাৰণে অথবা এনেকুৱা বেমাৰ আজাৰৰ কাৰণে যিটোৰ পৰা আৰোগ্য হোৱাৰ কোনো সম্ভাৱনা নাই, নাইবা কোনো মৃত ব্যক্তিৰ ফালৰ পৰা। এই বিষয়ত ছহীহ হাদীছ বৰ্ণিত হৈছে। কিন্তু যাৰ ফালৰ পৰা হজ্জ কৰা হৈ আছে, তেওঁ যদি কোনো সাময়িক কাৰণত হজ্জ কৰিবলৈ অক্ষম হয়, যেনে- এনেকুৱা বেমাৰ আজাৰ যিটোৰ পৰা আৰোগ্য হোৱাৰ সম্ভাৱনা আছে, অথবা ৰাজনৈতিক প্ৰতিবন্ধকতা নাইবা নিৰাপত্তাৰ অভাৱ। তেন্তে এনেকুৱা ব্যক্তিৰ ফালৰ পৰা হজ্জ কৰাটো বৈধ নহ'ব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৫১)।

***

প্ৰশ্নঃ মোৰ পিতৃ-মাতৃ স্বাৱলম্বী নাছিল আৰু তেওঁলোকৰ ওপৰত হজ্জ ফৰজ হোৱা নাছিল, কিন্তু এতিয়া মই মোৰ মৃত পিতৃ-মাতৃৰ ফালৰ পৰা হজ্জ কৰিব বিচাৰোঁ। এই ক্ষেত্ৰত চৰীয়তৰ বিধান কি?

উত্তৰঃ যদি আপুনি আপোনাৰ ফৰজ হজ্জ আদায় কৰিছে, তেন্তে আপুনি আপোনাৰ পিতৃ-মাতৃৰ ফালৰ পৰা হজ্জ কৰিব পাৰিব, নাইবা এনেকুৱা কোনো ব্যক্তিৰ জৰিয়তে কৰাব পাৰে যিয়ে নিজৰ ফৰজ হজ্জ আদায় কৰিছে। ইয়াৰ প্ৰমাণ হৈছে আবু দাঊদৰ এই হাদীছ, আব্দুল্লাহ ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«سمع رجلا يقول: لبيك عن شبرمة، قال: "من شبرمة؟ " قال: أخ لي، أو قريب لي، قال: "حججت عن نفسك؟ " قال: لا، قال: حج عن نفسك، ثم حج عن شبرمة»

(নবী চাল্লাল্লাহু আলাইহি অছাল্লামে) এজনক এই বুলি কোৱা শুনা পালে যে, লাব্বাইকা আন শ্‌বুবৰামা, (অৰ্থঃ মই শ্‌বুবৰামাৰ ফালৰ পৰা হজ্জ কৰিবলৈ উপস্থিত হৈছোঁ।) তেতিয়া তেখেতে তেওঁক সুধিলেঃ "শ্‌বুবৰামা কোন"? তেওঁ ক'লেঃ মোৰ ভাতৃ অথবা কৈছিলঃ মোৰ আত্মীয়। তেতিয়া তেখেতে ক'লেঃ "তুমি তোমাৰ নিজৰ হজ্জ কৰিছানে"? তেওঁ ক'লেঃ নাই কৰা। তেতিয়া তেখেতে ক'লেঃ "প্ৰথমে তুমি তোমাৰ নিজৰ হজ্জ কৰি লোৱা, তাৰ পিছত শ্‌বুবৰামাৰ ফালৰ পৰা হজ্জ কৰিবা।" হাদীছটো ইবনে মাজাই বৰ্ণনা কৰিছে। ইয়াৰ চনদ শুদ্ধ। এই বিষয়ত ইয়াতকৈ অধিক শুদ্ধ আন কোনো হাদীছ নাই।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৫৩)।

***

প্ৰশ্নঃ কোনোবাই এবাৰতেই নিজৰ ফালৰ পৰা আৰু পিতৃ-মাতৃৰ ফালৰ পৰা হজ্জ কৰিব পাৰেনে?

উত্তৰঃ মৃত ব্যক্তি অথবা হজ্জ কৰিবলৈ অক্ষম ব্যক্তিৰ ফালৰ পৰা বদল হজ্জ কৰা বৈধ, কিন্তু এবাৰ হজ্জ কৰিবলৈ গৈ একেলগে দুজন ব্যক্তিৰ ফালৰ পৰা হজ্জ কৰা বৈধ নহয়। কাৰণ হজ্জ কেৱল এবাৰত এজনৰ ফালৰ পৰাহে কৰিব পাৰি। এইদৰে ওমৰাও এবাৰত কেৱল এজনৰ ফালৰ পৰাহে কৰিব পাৰি। কিন্তু

যদি কোনোবাই একে বছৰতে এজনৰ ফালৰ পৰা হজ্জ, আৰু আনজনৰ ফালৰ পৰা ওমৰাহ আদায় কৰে, তেন্তে তাত কোনো অসুবিধা নাই। কিন্তু চৰ্ত হৈছে, তেওঁ প্ৰথমে নিজৰ হজ্জ আৰু ওমৰাহ আদায় কৰি ল'ব লাগিব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৫৭)।

***

প্ৰশ্নঃ যিয়ে হজ্জ কৰিবলৈ গৈ মাকৰ ফালৰ পৰা ওমৰাহ আদায় কৰিছে আৰু পিতৃৰ ফালৰ পৰা হজ্জ আদায় কৰিছে, আৰু পৰৱৰ্তী বছৰত মাকৰ ফালৰ পৰা হজ্জ কৰিছে আৰু পিতৃৰ ফালৰ পৰা ওমৰাহ কৰিছে, এনেকৈ কৰাটো বৈধ হয় নে নহয়?

উত্তৰঃ হজ্জ আৰু ওমৰাহ দুয়োটাই পৃথক পৃথক ইবাদত। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হজ্জে ইফৰাদ, হজ্জে কিৰান আৰু তামাত্তু হজ্জৰ লগতে ওমৰাৰ পদ্ধতি বৰ্ণনা কৰিছে। এতেকে যদি কোনোবাই ওমৰাৰ ইহৰাম কৰে মাকৰ ফালৰ পৰা আৰু ওমৰাহ সম্পন্ন কৰাৰ পিছত হজ্জৰ ইহৰাম বান্ধে পিতৃৰ ফালৰ পৰা নাইবা ইয়াৰ বিপৰীত কৰে, তেন্তে তেওঁ কৰিব পাৰে। এইদৰে দুয়োটা ইবাদতৰ যিকোনো এটা যদি নিজৰ বাবে আদায় কৰে আৰু সেইটো সম্পন্ন কৰাৰ পিছত আন এটা পিতৃৰ ফালৰ পৰা আদায় কৰে তেন্তে এইটোও অনুমোদিত। কাৰণ সকলো আমল নিয়্যতৰ ওপৰত নিৰ্ভৰশীল আৰু প্ৰত্যেকেই নিজৰ নিয়্যত অনুযায়ী প্ৰতিফল লাভ কৰিব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৫৮)।

***

প্ৰশ্নঃ মোৰ স্বামী (আল্লাহে তেওঁৰ ওপৰত ৰহমত বৰ্ষণ কৰক) মৃত্যুবৰণ কৰিছে, আৰু মই ইন শ্বা আল্লাহ এই বছৰ কোনো এজন ব্যক্তিক তেওঁৰ ফালৰ পৰা হজ্জ কৰিবলৈ প্ৰতিনিধি নিয়োগ কৰিব বিচাৰোঁ। যিয়ে তেওঁৰ হৈ হজ্জ আদায় কৰিব। এতিয়া মোৰ প্ৰশ্ন হৈছে, তেওঁ কষ্টৰ বিনিময়ত পাৰিশ্ৰমিক ল'ব পাৰে নে? এয়া হ'ব যাতায়ত, খাদ্য আৰু পানাহাৰৰ খৰচৰ বাহিৰে। এইটো অনুমোদিত হয় নে? অনুগ্ৰহ কৰি উত্তৰ প্ৰদান কৰি মোক উপকৃত কৰিব। আল্লাহে আপোনালোকক উত্তম প্ৰতিদান দিয়ক।

উত্তৰঃ যিয়ে আনৰ ফালৰ পৰা হজ্জ কৰিবলৈ নিয়োগপ্ৰাপ্ত হয়, তেওঁৰ বাবে এই কৰ্মৰ বিনিময়ত নিৰ্ধাৰিত পাৰিশ্ৰমিক গ্ৰহণ কৰা বৈধ, আনকি তেওঁৰ যাতায়ত, পানাহাৰ আৰু হজ্জ সম্পাদন কৰিবলৈ প্ৰয়োজনীয় অন্যান্য খৰচতকৈ বেছি হ'লেও ল'ব পাৰে। কিন্তু তেওঁৰ বাবে উত্তম হৈছে, এই কৰ্মত অংশগ্ৰহণৰ মাধ্যমত ছোৱাব আৰু কল্যাণ আশা কৰা, যিহেতু আল্লাহে তেওঁক হৰম শ্বৰীফত ইবাদত কৰাৰ তাওফীক দান কৰিছে, সেয়ে তেওঁ এইটো আন্তৰিকতাৰে পালন কৰিব লাগে। কেৱল অৰ্থ উপাৰ্জনৰ উদ্দেশ্যেই হজ্জ কৰা উচিত নহয়।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৬০)।

***

প্ৰশ্নঃ আমি হজ্জ কৰিছোঁ আৰু আমাৰ লগত এজন সৰু শিশু আছিল, আৰু আমি তাৰ বাবে এজনী মৃত নাৰীৰ ফালৰ পৰা হজ্জৰ নিয়্যত কৰিছিলোঁ আৰু তাৰ হৈ তাৱাফ কৰিছোঁ লগতে হজ্জৰ যাৱতীয় কাৰ্যৱলী পালন কৰিছোঁ আৰু সেই নাৰীৰ ফালৰ পৰা ফিদিয়া আদায় কৰিছোঁ। এই ক্ষেত্ৰত চৰীয়তৰ বিধান কি?

উত্তৰঃ শিশুৰ দ্বাৰা সম্পাদিত হজ্জ তাৰ নিজৰ বাবে নফল হিচাপে গণ্য হ'ব। সি বেলেগ কাৰোবাৰ হৈ হজ্জ কৰিব নোৱাৰে, যেতিয়ালৈকে সি নিজৰ ফৰজ হজ্জ আদায় নকৰে। ফৰজ হজ্জ তেতিয়াহে গ্ৰহণযোগ্য হ'ব যেতিয়া সি প্ৰাপ্তবয়স্ক হ'ব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৬৮) অকণমান পৰিৱৰ্তন সহকাৰে উল্লেখ কৰা হৈছে।

***

প্ৰশ্নঃ নিজে হজ্জত যোৱাৰ আগতে পিতৃ-মাতৃক হজ্জলৈ পঠোৱাটো বৈধনে?

উত্তৰঃ হজ্জ হৈছে প্ৰতিজন স্বাধীন, বিবেকৱান, প্ৰাপ্তবয়স্ক আৰু সামৰ্থৱান মুছলিমৰ ওপৰত জীৱনত কেৱল এবাৰহে ফৰজ। পিতৃ-মাতৃৰ প্ৰতি সদ্ব্যৱহাৰ আৰু তেওঁলোকক তেওঁলোকৰ ওৱাজিব ইবাদত পালনত যথাসম্ভৱ সহায় কৰাটো প্ৰকৃতপক্ষে এটা

প্ৰশংসনীয় বিষয়। কিন্তু এই ক্ষেত্ৰত আপুনি আপোনাৰ নিজৰ হজ্জ প্ৰথমে আদায় কৰিব লাগিব, তাৰ পিছত আপুনি এই বিষয়ত আপোনাৰ পিতৃ-মাতৃক সহায় কৰিব, যদি আপোনালোকে সকলোৱে একেলগে হজ্জ কৰাটো সম্ভৱ নহয়। কিন্তু যদি আপুনি প্ৰথমে পিতৃ-মাতৃক হজ্জলৈ পঠায় তেন্তে তেওঁলোকৰ হজ্জ আদায় হৈ যাব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৭০)।

***

প্ৰশ্নঃ মোৰ মা এজনী বৃদ্ধা, তেওঁৰ বয়স প্ৰায় এশ বছৰ হ'ব। হজ্জ আদায় কৰিবলৈ তেওঁ অক্ষম। যোৱা বছৰ মই তেওঁৰ ফালৰ পৰা হজ্জ আৰু ওমৰাহ কৰিছোঁ। কিছুমান লোকে কৈছে যে, তেওঁৰ মৃত্যু নোহোৱালৈকে তেওঁৰ ফালৰ পৰা হজ্জ কৰিলে হজ্জ নহ'ব, মই কৰা হজ্জৰ কোনো উপকাৰ নহ'ব। এই বিষয়ত আপোনাৰ মতামত কি?

উত্তৰঃ বয়সস্থ হোৱাৰ কাৰণে আপোনাৰ মাকে যদি হজ্জ পালন কৰিবলৈ সক্ষম নহয় তেন্তে তেওঁৰ ফালৰ পৰা আপুনি হজ্জ অথবা ওমৰাহ পালন কৰিলে সেয়া হৈ যাব, কিন্তু চৰ্ত হৈছে যদিহে আপুনি আপোনাৰ ফৰজ হজ্জ আৰু ওমৰাহ আগতে পালন কৰিছে, যিটো আপোনাৰ বাবে জৰুৰী।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৭১)।

***

প্ৰশ্নঃ হজ্জৰ কৰণীয়সমূহৰ মাজৰ কোনবোৰ কৰণীয়ত আনক প্ৰতিনিধি হিচাপে নিয়োগ কৰিব পাৰি তথা আনক দায়িত্ব দিব পাৰি, লগতে কেতিয়া আনৰ ফালৰ পৰা হজ্জ কৰাটো বৈধ?

উত্তৰঃ মৃত মুছলিম ব্যক্তিৰ ফালৰ পৰা হজ্জ আৰু ওমৰাৰ বাবে প্ৰতিনিধি নিয়োগ কৰা বৈধ, আৰু এনেকুৱা জীৱিত মুছলিম ব্যক্তিৰ ফালৰ পৰাও বৈধ, যিজন নিজে হজ্জ কৰিবলৈ সক্ষম নহয়, বয়সজনিত কাৰণতে হওক অথবা আৰোগ্য লাভৰ সম্ভাৱনা নথকা কোনো বেমাৰত আক্ৰান্ত হোৱাৰ কাৰণতে হওক। এইদৰে প্ৰতিনিধি নিয়োগ কৰিব পাৰে সেই ব্যক্তিয়ে যিয়ে জামাৰাতত শিলগুটি নিক্ষেপ কৰিবলৈ সক্ষম নহয়, যেনে- শিশু, অসুস্থ ব্যক্তি বা বয়সস্থ ব্যক্তি। কিন্তু এই ক্ষেত্ৰত প্ৰতিনিধিজন সেই বছৰৰে হজ্জ পালনকাৰী হ'ব লাগিব আৰু প্ৰথমে নিজৰ বাবে জামাৰাতত শিলগুটি নিক্ষেপ কৰা হ'ব লাগিব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৭৬)।

***

প্ৰশ্নঃ ছৌদি আৰবৰ বাহিৰত এটা মুছলিম দেশত এজন মুছলিম ব্যক্তিৰ মৃত্যু হৈছে, তেওঁ হজ্জ কৰা নাছিল, অথচ তেওঁৰ ওপৰত হজ্জ ফৰজ আছিল। মই যিহেতু ছৌদি আৰবত থাকোঁ, সেয়ে মই তেওঁৰ ফালৰ পৰা হজ্জ আদায় কৰিব পাৰিমনে? লগতে মই এইটোও

জানিব বিচাৰোঁ যে, দূৰৱৰ্তী দেশৰ পৰা হজ্জ কৰা আৰু ওচৰৰ ঠাইৰ পৰা হজ্জ কৰাত ছোৱাবৰ কোনো পাৰ্থক্য আছে নেকি?

উত্তৰঃ আপুনি ছৌদি আৰবত থাকি সেই মুছলিম ব্যক্তিৰ ফালৰ পৰা হজ্জ কৰিব পাৰিব, সেই মুছলিম ব্যক্তিজন নিজৰ দেশতে মৃত্যুবৰণ কৰক বা বেলেগ কোনো দেশত, তাত কোনো অসুবিধা নাই, তেওঁ নিজে হজ্জ কৰিছেনে নাই সেইটোৱো কোনো প্ৰয়োজন নাই। লগতে হজ্জৰ ছোৱাব দূৰত্বৰ ওপৰতো নিৰ্ভৰ নকৰে। বৰং ছোৱাব নিৰ্ভৰ কৰে ইখলাচ অনুপাতে তথা ব্যয় আৰু পৰিশ্ৰমৰ লগতে চৰীয়তসন্মত পদ্ধতি অনুসৰণৰ ক্ষেত্ৰত থকা আগ্ৰহৰ ওপৰত।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৭৭)।

***

প্ৰশ্নঃ যিয়ে পাৰিশ্ৰমিকৰ বিনিময়ত মৃত ব্যক্তিৰ ফালৰ পৰা হজ্জ কৰে, সেয়া পুৰুষ হওক বা নাৰী, অথবা এনেকুৱা ব্যক্তিৰ ফালৰ পৰা যিয়ে নিৰাময় হোৱাৰ সম্ভাৱনা নথকা বেমাৰত ভুগি আছে, এইদৰে পাৰিশ্ৰমিক লোৱা ব্যক্তিয়ে আল্লাহৰ ওচৰত ছোৱাব পাবনে?

উত্তৰঃ যি ব্যক্তিয়ে পাৰিশ্ৰমিকৰ বিনিময়ত বা বিনামূলীয়াকৈ আনৰ ফালৰ পৰা হজ্জ বা ওমৰাহ কৰে, সেই হজ্জ বা ওমৰাৰ ছোৱাব সেই ব্যক্তিয়ে পাব যাৰ ফালৰ পৰা কৰা হৈছে। কিন্তু প্ৰতিনিধিয়ে যদি ইখলাচ

আৰু কল্যাণৰ ইচ্ছাৰে এই কাম সম্পাদন কৰে তেন্তে আশা কৰিব পাৰি যে, তেৱোঁ মহান আল্লাহৰ ওচৰত ছোৱাব লাভ কৰিব। প্ৰত্যেক সেই ব্যক্তি যিয়ে মছজিদুল হাৰামত উপস্থিত হৈ বেছি বেছি নফল ইবাদত কৰে আৰু বিভিন্ন নেক কৰ্ম কৰে, তেওঁ যদি নিৰ্ভেজালভাৱে খালিচ নিয়্যতে এইবোৰ আমল কৰে, তেন্তে তেওঁৰ বাবে বহুতো কল্যাণ আশা কৰিব পাৰি।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৭৭)।

***

প্ৰশ্নঃ আফ্ৰিকাৰ অধিবাসী এজন ব্যক্তিয়ে তেওঁৰ মাকৰ ফালৰ পৰা হজ্জ কৰাবলৈ এজন ব্যক্তিক প্ৰতিনিধি হিচাপে নিয়োগ কৰিব বিচাৰে। তেওঁ সেই ব্যক্তিজনক আফ্ৰিকাৰ পৰা মক্কালৈ অহাৰ সম্পূৰ্ণ যাতায়ত খৰচ আদায় কৰিব লাগিব নে খৰচ পাতিত কিবা কম কৰাটোও বৈধ আছে?

উত্তৰঃ উক্ত ব্যক্তিজনে মক্কাৰ অথবা বেলেগ কোনো ঠাইৰ এজন বিশ্বস্ত ব্যক্তিক তেওঁৰ মাকৰ ফালৰ পৰা হজ্জ কৰাবলৈ প্ৰতিনিধি হিচাপে নিয়োগ কৰিব পাৰে, যদি তেওঁৰ মাক ঢুকাইছে অথবা বয়সস্থ হোৱাৰ কাৰণে অক্ষম হৈ পৰিছে নাইবা এনেকুৱা বেমাৰত ভুগি আছে যিটো নিৰাময় হোৱাৰ কোনো সম্ভাৱনা নাই। তেওঁ সেই প্ৰতিনিধিজনক পাৰিশ্ৰমিক কম দিয়ক বা বেছি অথবা বিনামূলীয়া, ইয়াত কোনো বাধ্যবাধকতা নাই।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৮০)।

***

প্ৰশ্নঃ মোৰ পিতৃ ঢুকাইছে, আৰু তেখেতে হজ্জ কৰা নাছিল। মই গম পাইছোঁ যে, তেওঁৰ ফালৰ পৰা হজ্জ আদায় কৰাটো মোৰ ওপৰত ওৱাজিব। সেয়ে মই এজন ব্যক্তিক হজ্জৰ বাবে নিয়োগ কৰিছোঁ। কিন্তু যেতিয়া তেওঁ মোৰ পিতৃৰ নাম আৰু তেখেতৰ মাকৰ নাম জানিব বিচাৰিলে তেতিয়া আমি তেওঁৰ মৃত মাকৰ নাম সম্পৰ্কে অৱগত নাছিলোঁ, এই অৱস্থাত কেৱল মাত্ৰ মোৰ পিতৃ নাম উল্লেখ কৰি হজ্জ কৰিলে হজ্জ হ'বনে?

উত্তৰঃ আনৰ ফালৰ পৰা হজ্জ কৰাৰ ক্ষেত্ৰত কেৱল নিয়্যত কৰাটোৱে যথেষ্ট। এই ক্ষেত্ৰত যাৰ ফালৰ পৰা হজ্জ কৰা হৈ আছে তেওঁৰ নাম, তেওঁৰ মাক বাপেকৰ নাম উল্লেখ কৰাৰ কোনো প্ৰয়োজন নাই আৰু এইটো বাধ্যতামূলকো নহয়। কিন্তু যদি ইহৰাম কৰিবলৈ তালবিয়া পাঠৰ সময়ত, লগতে -যদি তামাত্তু হজ্জ হয় বা কিৰান হজ্জ হয়- কুৰবানীৰ জন্তু জবেহ কৰাৰ সময়ত তেওঁৰ নাম উল্লেখ কৰাটো উত্তম। কিয়নো আবু দাঊদ আৰু ইবনে মাজাত আছে লগতে ইবনে হিব্বানে হাদীছটোক ছহীহ বুলি কৈছে যে, ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত,

«أن النبي صلى الله عليه وسلم سمع رجلا يقول: لبيك عن شبرمة، قال: "من شبرمة؟ " قال: أخ لي أو قريب لي، قال: "حججت عن نفسك؟ " قال: لا، قال: "حج عن نفسك ثم حج عن شبرمة»

(নেবী চাল্লাল্লাহু আলাইহি অছাল্লামে) এজনক এই বুলি কোৱা শুনা পালে যে, লাব্বাইকা আন শ্‌বুবৰামা, (অৰ্থঃ মই শ্‌বুবৰামাৰ ফালৰ পৰা হজ্জ কৰিবলৈ উপস্থিত হৈছোঁ।) তেতিয়া তেখেতে তেওঁক সুধিলেঃ "শ্‌বুবৰামা কোন"? তেওঁ ক'লেঃ মোৰ ভাতৃ অথবা কৈছিলঃ মোৰ আত্মীয়। তেতিয়া তেখেতে ক'লেঃ "তুমি তোমাৰ নিজৰ হজ্জ কৰিছানে"? তেওঁ ক'লেঃ নাই কৰা। তেতিয়া তেখেতে ক'লেঃ "প্ৰথমে তুমি তোমাৰ নিজৰ হজ্জ কৰি লোৱা, তাৰ পিছত শ্‌বুবৰামাৰ ফালৰ পৰা হজ্জ কৰিবা।"

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৮১)।

***

প্ৰশ্নঃ এজন ২৫ বছৰীয়া পুৰুষ মৃত্যুবৰণ কৰিছে আৰু তেওঁ হজ্জ আদায় কৰা নাছিল। তেওঁৰ ফালৰ পৰা আমি হজ্জ কৰিব পাৰিমনে? আৰু ওমৰাহ নকৰাকৈ কেৱল হজ্জ কৰিলে হ'বনে? যিহেতু তেওঁৰ সম্পদ আছে?

উত্তৰঃ যিজন ব্যক্তিৰ ওপৰত হজ্জ ফৰজ আছিল আৰু তেওঁ সেয়া পালন নকৰাকৈয়ে মৃত্যুবৰণ কৰিছে, তেওঁৰ সম্পদৰ পৰা প্ৰয়োজনীয় টকাৰে হজ্জ আৰু ওমৰাহ কৰাব লাগিব। আনহাতে যদি কোনোবাই বিনা পইচাত তেওঁৰ ফালৰ পৰা হজ্জ কৰিব বিচাৰে, তথাপিও কৰিব পাৰিব। কিয়নো হজ্জ হৈছে ইছলামৰ অন্যতম এটা ৰুকন। যাৰ ওপৰত হজ্জ ফৰজ হৈছে, তেওঁ

মৃত্যুবৰণ কৰিলেও এই দায়িত্ব তেওঁৰ পৰা সাৰি নাযায়। ইমাম বুখাৰী ৰাহিমাহুল্লাহে তেখেতৰ ছহীহ গ্ৰন্থত বৰ্ণনা কৰিছে যে,

«أن امرأة من جهينة جاءت إلى النبي صلى الله عليه وسلم فقالت: إن أمي نذرت أن تحج فلم تحج حتى ماتت، أفأحج عنها؟ قال: "نعم، حجي عنها، أرأيت لو كان على أمك دين أكنت قاضيته؟ اقضوا الله، فالله أحق بالوفاء»

"জুহাইনা গোত্ৰৰ এজনী নাৰী নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহি ক'লেঃ মোৰ মাকে মান্নত কৰিছিল যে, তেওঁ হজ্জ কৰিব, কিন্তু হজ্জ কৰাৰ আগতেই তেওঁৰ মৃত্যু হৈছে। মই তেওঁৰ ফালৰ পৰা হজ্জ কৰিব পাৰিমনে? তেখেতে ক'লেঃ "হয়, তুমি তেওঁৰ ফালৰ পৰা হজ্জ কৰা। শুনা! তোমাৰ মাকৰ ওপৰত যদি ঋণ থাকিলহেঁতেন তেন্তে তুমি পৰিশোধ নকৰিলাহেঁতেন নে? সেয়ে আল্লাহৰ হক আদায় কৰা, কাৰণ আল্লাহৰ হক আদায় কৰাটো হৈছে অধিক গুৰুত্বপূৰ্ণ।"

«وسألته صلى الله عليه وسلم امرأة من خثعم قائلة: يا رسول الله إن فريضة الله على عباده في الحج أدركت أبي شيخا كبيرا لا يثبت على الراحلة، أفأحج عنه؟ قال: حجي عن أبيك»

খাচআম গোত্ৰৰ এজনী মহিলা নবী চাল্লাল্লাহু আলাইহি অছাল্লামক সুধিলেঃ হে আল্লাহৰ ৰাছুল! মহান আল্লাহে তেওঁৰ বান্দাসকলৰ ওপৰত ফৰজ কৰা হজ্জৰ বিধান মোৰ পিতৃৰ ওপৰত এনেকুৱা অৱস্থাত আহি প্ৰযোজ্য হৈছে যে, তেওঁ এতিয়া বাহনৰ ওপৰত বহি থাকিবলৈ সক্ষম নহয়। মই তেওঁৰ ফালৰ পৰা হজ্জ কৰিব

পাৰিমনে? তেতিয়া তেখেতে ক'লেঃ "তুমি তেওঁৰ ফালৰ পৰা হজ্জ কৰা।" আনহাতে ওমৰাহ সম্পৰ্কে পাঁচটা হাদীছ গ্ৰন্থত বৰ্ণিত হৈছে যে,[1]

«أبي رزين العقيلي، أنه أتى النبي صلى الله عليه وسلم فقال: إن أبي شيخ كبير لا يستطيع الحج ولا العمرة ولا الظعن، فقال: حج عن أبيك واعتمر» .

আবু ৰাঝীন আল উক্বাইলী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ আহি ক'লেঃ মোৰ পিতৃ অত্যন্ত বৃদ্ধ এজন লোক। হজ্জ আৰু ওমৰাহ পালন কৰিব পৰা আৰু বাহনত বহি থাকিব পৰা তেওঁৰ শক্তি নাই। তেতিয়া তেখেতে ক'লেঃ "তেন্তে তুমি তোমাৰ পিতাৰ ফালৰ পৰা হজ্জ কৰা আৰু ওমৰাহ পালন কৰা।"

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৮৭)।

***

প্ৰশ্নঃ এজনী মুছলিমা নাৰী অন্যান্য বিশ্বস্ত নাৰীসকলৰ সৈতে হজ্জত যাব পাৰিবনে, যদি তেওঁৰ সৈতে তেওঁৰ পৰিয়ালৰ কোনো মাহৰাম ব্যক্তি যাব নোৱাৰে, নাইবা তেওঁৰ পিতা ঢুকাইছে? এই অৱস্থাত তেওঁ মাকৰ সৈতে অথবা মাহী, খুৰী বা বেলেগ কোনো মহিলা তেওঁৰ মাহৰাম হিচাপে লগত গ'লে হজ্জ কৰিব পাৰিবনে?

[1] (روى الخمسة) পাঁচটা গ্ৰন্থই বৰ্ণনা কৰিছে, অৰ্থাৎ ছুনান আবু দাউদ, তিৰমিজী, নাছায়ী, ইবনে মাজাহ আৰু মুছনাদে আহমদে বৰ্ণনা কৰিছে।

উত্তৰঃ সঠিক মত হৈছে স্বামী অথবা পুৰুষ মাহৰাম নোহোৱাকৈ হজ্জৰ ছফৰ বৈধ নহয়। এতেকে বিশ্বস্ত নাৰীসকলৰ সৈতেই হওক বা বিশ্বস্ত পুৰুষে হওক যিজন মাহৰাম নহয়, তাৰ সৈতে হজ্জত যোৱাটো বৈধ নহয়, আনকি মা, মাহী আৰু খুৰীৰ সৈতেও নহয়। বৰং তেওঁ স্বামী বা পুৰুষ মাহৰামৰ সৈতে যাব লাগিব। যদি তেওঁৰ এনেকুৱা কোনো নাথাকে তেন্তে তেওঁৰ ওপৰত হজ্জ ফৰজ নহয়। কাৰণ চৰীয়তে বান্ধি দিয়া সক্ষমতাৰ চৰ্ত পূৰণ হোৱা নাই। মহান আল্লাহে কৈছেঃ

{ولله على الناس حج البيت من استطاع إليه سبيلا}

"আৰু সামৰ্থৱান মানুহৰ বাবে আল্লাহৰ উদ্দেশ্যে সেই ঘৰৰ হজ্জ কৰা তাৰ ওপৰত ফৰজ।"

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৯১)।

***

প্ৰশ্নঃ যদি কোনো নাৰীৰ স্বামীৰ মৃত্যু হৈছে অথবা তেওঁৰ কোনো মাহৰাম নাই, নাইবা তেওঁ ইদ্দত পালন কৰা অৱস্থাত আছে, কিন্তু তেওঁ হজ্জ পালন কৰিবলৈ (শাৰীৰিক আৰু আৰ্থিকভাৱে) সক্ষম, তেন্তে তেওঁৰ ওপৰত হজ্জ কৰা ফৰজনে?

উত্তৰঃ হজ্জৰ ছফৰত যোৱাৰ বাবে যি মহিলাৰ কোনো মাহৰাম পুৰুষ নাই তেনেকুৱা মহিলাৰ ওপৰত হজ্জ ফৰজ নহয়। এইদৰে ইদ্দত পালন অৱস্থাত হজ্জ কৰিবলৈ যোৱাটোও বৈধ নহয়।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৯৪)।

***

প্ৰশ্নঃ এজনী মহিলাই মাহৰাম নোহোৱাকৈ এদল সৎ মহিলাৰ সৈতে ফৰজ হজ্জ সম্পন্ন কৰিছে। এতিয়া প্ৰশ্ন হ'ল যে, তেওঁৰ ফৰজ হজ্জ আদায় হৈছেনে নাই?

উত্তৰঃ যদি বিষয়টো তেনেকুৱাই যিদৰে উল্লেখ কৰা হৈছে, তেন্তে তাইৰ হজ্জ সঠিক বুলি বিবেচিত হ'ব আৰু তাইৰ ফৰজ হজ্জৰ দায়িত্ব আদায় হৈ যাব। কিন্তু মাহৰাম নোহোৱাকৈ ছফৰ কৰাৰ কাৰণে তাই গুনাহগাৰ হ'ব। সেয়ে তাই আল্লাহৰ ওচৰত তাওবা কৰা উচিত আৰু ক্ষমা প্ৰাৰ্থনা কৰা উচিত।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৯৭)।

***

প্ৰশ্নঃ এজন ব্যক্তি মৃত্যুবৰণ কৰিছে, যিয়ে জীৱিত অৱস্থাত হজ্জ কৰিব পৰা নাছিল। তেওঁ নিজৰ সম্পত্তিৰে বেলেগ কাৰোবাৰ হতোৱাই হজ্জ কৰাবলৈ অছিয়ত কৰি গৈছে। এই ক্ষেত্ৰত তেওঁৰ এই হজ্জ সঠিক হ'বনে নাই, প্ৰতিনিধিৰ দ্বাৰা কৰোৱা হজ্জ, নিজে কৰা হজ্জৰ সমান হয়নে নহয়?

উত্তৰঃ যদি কোনো মুছলিম ব্যক্তিৰ ওপৰত হজ্জ ফৰজ হোৱাৰ সকলো চৰ্ত পূৰণ হোৱাৰ পিছতো হজ্জ আদায় নকৰাকৈ মৃত্যুবৰণ কৰে, তেন্তে তেওঁ ৰাখি থৈ যোৱা সম্পদৰ দ্বাৰা তেওঁৰ ফালৰ পৰা হজ্জ কৰাটো

আৱশ্যক। এই ক্ষেত্ৰত তেওঁ অছিয়ত কৰক বা নকৰক। যদি তেওঁৰ ফালৰ পৰা এনেকুৱা ব্যক্তিয়ে হজ্জ আদায় কৰে, যিয়ে নিজৰ ফৰজ হজ্জ আদায় কৰিছে, তেন্তে সেই হজ্জ শুদ্ধ বুলি বিবেচিত হ'ব আৰু মৃত ব্যক্তিৰ ফালৰ পৰা হজ্জৰ দায়িত্ব আদায় হৈ যাব। আনহাতে এজনৰ ফালৰ পৰা আন এজনে হজ্জ কৰিলে সেই হজ্জৰ ছোৱাব কম হ'বনে বেছি, এই বিষয়টো আল্লাহেই ভাল জানে। কিন্তু এই কথা নিশ্চিত যে, হজ্জ ফৰজ হোৱাৰ লগে লগে যিমান সোনকালে পাৰে সেয়া মৃত্যুৰ আগতে আদায় কৰিব লাগে। চৰীয়তৰ প্ৰমাণাদিয়ে এইটোৱে স্পষ্ট নিৰ্দেশনা দিয়ে, আৰু হজ্জ আদায়ত পলম কৰাটো তেওঁৰ বাবে গুনাহৰ কাৰণ হ'ব পাৰে।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ১০০)।

***

প্ৰশ্নঃ যদি কোনো ব্যক্তিয়ে হজ্জৰ সময়ছোৱাত তেওঁৰ সংগীসকলৰ সৈতে তৰ্ক-বিতৰ্কত লিপ্ত হয় তেন্তে তেওঁৰ হজ্জ শুদ্ধ আৰু যথেষ্ট হ'বনে, যদিও সেইটো ফৰজ হজ্জ হয়?

উত্তৰঃ তেওঁৰ হজ্জ শুদ্ধ হ'ব আৰু ফৰজ আদায় হৈ যাব। কিন্তু সেই পৰিমাণে তেওঁৰ ছোৱাব হ্ৰাস হ'ব যি পৰিমাণে তেওঁ তৰ্ক-বিতৰ্কত লিপ্ত হৈছিল। সেয়ে তেওঁ ইয়াৰ বাবে আল্লাহৰ ওচৰত তাওবা কৰা উচিত। মহান আল্লাহে কৈছেঃ

{وتوبوا إلى الله جميعا أيه المؤمنون لعلكم تفلحون}

"হে মুমিনসকল! তোমালোকে আটায়ে আল্লাহৰ ফালে উভতি আহা তথা তাওবা কৰা, যাতে তোমালোকে সফলতা অৰ্জন কৰিব পাৰা।"

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ১১২)।

***

দ্বিতীয়ঃ মীকাত আৰু ইহৰাম সম্পৰ্কীয় ফাতাৱা

প্ৰশ্নঃ জিদ্দাৰ পৰা ইহৰাম কৰাটো জায়েজ নে?

উত্তৰঃ জিদ্দা হজ্জ বা ওমৰাৰ মীকাত নহয়, কিন্তু সেই ঠাইৰ স্থায়ী বাসিন্দা বা যিসকলে জিদ্দাত অৱস্থান কৰিছে তেওঁলোকে সেই ঠাইৰ পৰাই ইহৰাম কৰিব পাৰে। ইয়াৰ উপৰিও যিসকলে হজ্জ বা ওমৰাৰ উদ্দেশ্য ব্যতীত বেলেগ কোনো প্ৰয়োজনত জিদ্দালৈ আহিছে আৰু পিছত হজ্জ বা ওমৰাহ কৰাৰ সিদ্ধান্ত লৈছে তেওঁলোকেও জিদ্দাৰ পৰাই ইহৰাম কৰিব পাৰিব। কিন্তু যিসকলৰ বাবে জিদ্দাৰ আগত মীকাত নিৰ্ধাৰিত আছে, যেনে- মদীনা আৰু ইয়াৰ পিছৰ অঞ্চলসমূহৰ বাবে জুল-হুলাইফা হৈছে মীকাত, অথবা যিসকলে স্থল বা জলপথেৰে নাইবা আকাশপথেৰে ইয়াৰ ওপৰেৰে অতিক্ৰম কৰে তেওঁলোকৰ বাবেও এইটো হৈছে মীকাত। এইদৰে ইজিপ্ট আৰু চিৰিয়াৰ পৰা অহা লোকসকলৰ বাবে মীকাত হৈছে জুহফা, আৰু য়ামানৰ পৰা অহা লোকসকলৰ বাবে মীকাত হৈছে য়ালামলাম। এইবোৰ অঞ্চলৰ লোকসকলে নিজৰ নিজৰ মীকাতত অথবা মীকাতৰ সমপৰ্যায় স্থানত উপস্থিত হৈ ইহৰাম

কৰাটো ওৱাজিব, স্থলপথেৰে আহক বা জলপথেৰে নাইবা আকাশপথেৰে।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ১৩০)।

***

প্ৰশ্নঃ যদি কোনো হজ্জযাত্ৰীয়ে ইহৰাম বন্ধাৰ সময়ত সুগন্ধি ব্যৱহাৰ কৰিব বিচাৰে, তেনেহ'লে সুগন্ধি ইহৰামৰ গোছলৰ আগত ব্যৱহাৰ কৰিব নে গোছলৰ পিছত?

উত্তৰঃ হজ্জ বা ওমৰাহ কৰিবলৈ ওলোৱা ব্যক্তিয়ে ইহৰাম বন্ধাৰ সময়ত তালবিয়া পাঠৰ আগত সুগন্ধি ব্যৱহাৰ কৰিব বিচাৰিলে কৰিব পাৰে। কিন্তু উত্তম হৈছে গোছলৰ পিছত ব্যৱহাৰ কৰিব লাগে, কিয়নো আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাই কৈছেঃ

«كنت أطيب رسول الله صلى الله عليه وسلم لإحرامه قبل أن يحرم، ولحله قبل أن يطوف بالبيت»

"মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক তেখেতৰ ইহৰামৰ বাবে ইহৰামত প্ৰৱেশৰ আগতেই সুগন্ধি লগাই দিছিলোঁ, এইদৰে হালাল হোৱাৰ সময়ত বাইতুল্লাহ তাৱাফৰ পূৰ্বে অনুৰূপ কৰিছিলোঁ।" হাদীছটোৰ শুদ্ধতাৰ ক্ষেত্ৰত বুখাৰী আৰু মুছলিম একমত।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ১৬৮)।

***

প্ৰশ্নঃ মহান আল্লাহে হাজীসকলৰ বাবে চিলাইযুক্ত পোছাক কিয় নিষিদ্ধ কৰিছে, ইয়াৰ আঁৰত কি হিকমত আছে?

উত্তৰঃ প্ৰথমঃ মহান আল্লাহে প্ৰত্যেক সামৰ্থৱান প্ৰাপ্তবয়স্ক মুছলিম ব্যক্তিৰ ওপৰত জীৱনত কেৱল এবাৰহে হজ্জ ফৰজ কৰিছে, আৰু ইয়াক ইছলামৰ এটা স্তম্ভ হিচাপে নিৰ্ধাৰণ কৰিছে, যিটো দ্বীনৰ দ্ব্যৰ্থহীনভাৱে জানিবলগীয়া এটা বিষয়। এতেকে মুছলিমৰ কৰ্তব্য হৈছে আল্লাহে ফৰজ কৰা এই বিধান তেওঁৰ সন্তুষ্টি অৰ্জনাৰ্থে আৰু তেওঁৰ আদেশৰ প্ৰতি আনুগত্য প্ৰদৰ্শন কৰি, আৰু তেওঁৰ পুৰস্কাৰৰ আশা পোষণ কৰি লগতে তেওঁৰ শাস্তিক ভয় কৰি পালন কৰা। লগতে এই বিশ্বাস থাকিব লাগিব যে, মহান আল্লাহে নিৰ্ধাৰণ কৰা সকলো বিধানেই হৈছে হিকমতপূৰ্ণ আৰু তেওঁ সকলো ক্ষেত্ৰতে প্ৰজ্ঞাৱান। তেওঁ বান্দাসকলৰ প্ৰতি পৰম দয়ালু। গতিকে তেওঁ বান্দাসকলৰ বাবে কেৱল সেইসমূহ বিধানেই নিৰ্ধাৰণ কৰে যিবোৰ তেওঁলোকৰ বাবে কল্যাণকৰ তথা দুনিয়া আৰু আখিৰাতৰ বাবে উপকাৰী। এতেকে মহান আল্লাহেই হৈছে বিধান প্ৰণয়নৰ অধিকাৰী। আনহাতে বান্দাৰ দায়িত্ব হৈছে পূৰ্ণ আত্মসমৰ্পণৰ সৈতে সেইবোৰ বিধান মানি চলা।

দ্বিতীয়ঃ হজ্জ আৰু ওমৰাত চিলাইবিহীন কাপোৰ পৰিধান কৰাৰ কেইবাটাও হিকমত আছে। তাৰে অন্যতম হৈছেঃ কিয়ামত দিৱসত হ'বলগীয়া মানুহৰ অৱস্থাৰ স্মৰণ কৰোৱা, কাৰণ সেইদিনা সকলোৱে

বস্ত্ৰহীন অৱস্থাত উত্থিত হ'ব আৰু ভৰিত নাথাকিব কোনো জোতা, চেণ্ডেল। ইয়াৰ পিছত তেওঁলোকক বস্ত্ৰ পৰিধান কৰোৱা হ'ব। আখিৰাত স্মৰণৰ মাজত আছে মানুহৰ বাবে উপদেশ আৰু শিক্ষা। আন এটা হিকমত হৈছেঃ ইয়াৰ ফলত আত্মা বিনয়ী হয় আৰু বশ্যতা স্বীকাৰ কৰে আৰু অহংকাৰৰ কলুষিতাৰ পৰা পৱিত্ৰ হয়। আন এটা হিকমত হৈছেঃ আত্মাক পাৰস্পৰিক সংহতি, সমতা আৰু সাধাৰণ জীৱন-যাপন কৰিবলৈ আৰু নিন্দনীয় ভোগ বিলাসৰ পৰা বিৰত থকাৰ শিক্ষা দিয়া হয়। ইয়াৰ ফলত দৰিদ্ৰ আৰু ধনী লোকৰ মাজত সমতা গঢ়ি উঠে। ইয়াৰ উপৰিও আৰু বহুতো ৰহস্য নিহিত আছে হজ্জৰ এই বিধানৰ ভিতৰত, যিবোৰ আল্লাহে নিৰ্ধাৰণ কৰিছে আৰু তেওঁৰ ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে ব্যাখ্যা কৰিছে।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ১৭৯)।

***

প্ৰশ্নঃ হাজীসকলে হজ্জৰ সময়ত কিয় এই পোছাক পৰিধান কৰে?

উত্তৰঃ মহান আল্লাহে তেওঁৰ ৰাছুল মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামৰ মাধ্যমত আমাক হজ্জ আৰু ওমৰাৰ সময়ত ইঝাৰ আৰু ৰিদা পৰিধান কৰাৰ নিৰ্দেশ প্ৰদান কৰিছে, ইয়াৰ হিকমত সম্পৰ্কে তেৱেঁই অৱগত। আমাৰ কৰ্তব্য হৈছে ছোৱাবৰ উদ্দেশ্যে এইটো পালন কৰা, হিকমত সম্পৰ্কে আমি অৱগত হওঁ বা

নহওঁ। উলামাসকলে এই ক্ষেত্ৰত যিবোৰ হিকমতৰ কথা উল্লেখ কৰিছে তাৰ ভিতৰত অন্যতম হৈছে- কিয়ামত দিৱসত হ'বলগীয়া পুনৰুত্থান আৰু সমবেত হোৱা অৱস্থা স্মৰণ কৰোৱাই দিয়া। হাজীসকলক বিনয় আৰু নম্ৰতাৰ অনুভূতি প্ৰদান কৰা, লগতে ধনী আৰু দুখীয়াৰ মাজত সমভাৱ সৃষ্টি কৰা। আমি আল্লাহৰ ওচৰত দুআ কৰোঁ যে, তেওঁ যেন আমালোকক আৰু আপোনাক তাওফীক দান কৰে, সঠিক পথৰ দীক্ষা দিয়ে আৰু তেওঁৰ সৈতে সাক্ষাৎ নকৰালৈকে আমাক সত্যৰ ওপৰত অবিচল ৰাখে।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ১৭১)।

***

প্ৰশ্নঃ হায়েজ বা মাহেকীয়া অৱস্থাত থকা মহিলাৰ হজ্জৰ বিধান কি?

উত্তৰঃ হজ্জ পালনৰ বাবে হায়েজ কোনো বাধা নহয়। যদি কোনো নাৰীয়ে হায়েজ অৱস্থাত ইহৰাম বান্ধে তেন্তে তেওঁ হজ্জৰ যাৱতীয় কৰণীয় পালন কৰিব পাৰিব, কিন্তু হায়েজৰ পৰা পৱিত্ৰ হৈ গোছল নকৰালৈকে কাবা ঘৰৰ তাৱাফ কৰিব নোৱাৰিব। প্ৰসূতি নাৰীৰ বাবেও এই একেই বিধান প্ৰযোজ্য। যদি তেওঁ হজ্জৰ যাৱতীয় আৰকান যথাযথভাৱে পালন কৰে তেন্তে তেওঁৰ হজ্জ শুদ্ধ বুলি বিবেচিত হ'ব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ১৭২)।

***

প্ৰশ্নঃ এজনী নাৰী হজ্জ পালনৰ উদ্দেশ্যে ছৌদি আৰবলৈ আহিছে, কিন্তু তাৱাফে কদূম কৰাৰ আগতেই তাইৰ হায়েজ হৈছে। এই ক্ষেত্ৰত চৰীয়তি বিধান কি? লগতে তেওঁ হায়েজ অৱস্থাত আৰাফালৈ যাব পাৰিবনে, ইয়াৰ বিধান কি?

উত্তৰঃ তেওঁ ইহৰাম অৱস্থাতে থাকিব লাগিব আৰু হাজীসকলৰ সৈতে হজ্জৰ যাৱতীয় কৰ্মৰাজি পালন কৰিব, কিন্তু হায়েজৰ পৰা পৱিত্ৰ নোহোৱালৈকে তথা হায়েজৰ তেজ বন্ধ হোৱাৰ পিছত গোছল নকৰালৈকে কাবা ঘৰৰ তাৱাফ কৰিব নোৱাৰিব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ১৭৩)।

***

প্ৰশ্নঃ মীকাতৰ পৰা ইহৰাম কৰাৰ পিছত কোনো পুৰুষে নখ কাটিব পাৰেনে, নে এইটো কেৱল কুৰবানীৰ পিছতেই কাটিব লাগে?

উত্তৰঃ যদি ইহৰামৰ আগত নখ কটা হয়, তেন্তে কোনো অসুবিধা নাই। আনহাতে যদি তেওঁ কুৰবানী দিবলৈ নিয়্যত কৰিছে আৰু ইপিনে জুল হিজ্জা মাহ আৰম্ভ হৈছে, তেনেহ'লে নখ কটা বৈধ নহয়, কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ইয়াৰ পৰা নিষেধ কৰিছে। পক্ষান্তৰে যদি কোনোবাই এইটো ইহৰামত প্ৰৱেশ কৰাৰ পিছত কৰে তেন্তে এইটো সম্পূৰ্ণৰূপে নিষিদ্ধ, কিয়নো মুহৰিম ব্যক্তিৰ বাবে নখ, চুলি আদি

কটাৰ অনুমতি নাই। ওমৰাৰ ক্ষেত্ৰত যেতিয়ালৈকে তেওঁ তাৱাফ আৰু ছায়ী নকৰিব, আৰু ইয়াৰ পিছত তেওঁ মূৰ খুৰাই অথবা চুলি চুটি কৰি হালাল নহ'ব। এইদৰে হজ্জত জামাৰাতুল আকাবাত শিলগুটি নিক্ষেপৰ পিছত তেওঁ মূৰ খুৰাব নাইবা চুলি চুটি কৰিব, মূৰ খুৰাই লোৱাটোৱে উত্তম। ইয়াৰ পিছত তেওঁ ইহৰামৰ পৰা মুক্ত হ'ব, সেয়া কুৰবানীৰ আগত হওক বা পিছত, যদি সম্ভৱ হয় কুৰবানীৰ পিছত কৰাটোৱে উত্তম।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ১৭৮)।

***

প্ৰশ্নঃ মোৰ পিতা যোৱা বছৰ হজ্জ কৰিবলৈ গৈছিল, কিন্তু সেই সময়ত তেওঁ বৰ অসুস্থ আছিল ফলত তেওঁ ইহৰাম বান্ধিব পৰা নাছিল। এতিয়া তেওঁৰ কৰণীয় কি?

উত্তৰঃ যদি কোনো হাজীয়ে অসুস্থতাৰ কাৰণে বা প্ৰচণ্ড শীতৰ কাৰণে ইহৰাম পৰিধান কৰিব নোৱাৰে আৰু সাধাৰণ কাপোৰ পৰিধান কৰি ইহৰামত প্ৰৱেশ কৰে, তেন্তে এইটো চৰীয়তৰ দৃষ্টিত অনুমোদিত। কিন্তু ইয়াৰ ফলত তেওঁৰ ওপৰত ওৱাজিব হৈ পৰিব তিনি দিন ৰোজা পালন কৰা, অথবা ছয়জন দৰিদ্ৰ ব্যক্তিক আহাৰ কৰোৱা, ছয়জনৰ প্ৰত্যেককে অৰ্দ্ধেক ছা পৰিমাণ দেশীয় খাদ্য প্ৰদান কৰিব লাগিব, নাইবা এটা ছাগলী জবেহ কৰিব লাগিব যিটো কুৰবানীৰ বাবে উপযুক্ত। এইদৰে যদি তেওঁ মূৰ ঢাকি ৰাখিছিল তথাপিও এইটো বিধানেই প্ৰযোজ্য। ৰোজা তেওঁ যিকোনো ঠাইতে কৰিব

পাৰিব, কিন্তু খাদ্য দ্ৰব্য বা কুৰবানী মক্কাৰ হাৰাম অঞ্চলতে কৰিব লাগিব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ১৮০)।

***

প্ৰশ্নঃ ইন শ্বা আল্লাহ মই হজ্জত যোৱাৰ ইচ্ছা কৰিছোঁ, কিন্তু মোৰ অসুবিধা হৈছে যে, মই হৈছোঁ এজন তপামূৰীয়া, মোৰ মূৰত চুলি নাই। লগতে মোৰ ছাল অত্যন্ত সংবেদনশীল। সূৰ্য্যৰ ৰশ্মি মোৰ শৰীৰত বৰ বেয়াকৈ প্ৰভাৱ পেলায় আৰু মোৰ মূৰত তীব্ৰ উষ্ণতা সৃষ্টি কৰে। বিশেষকৈ মূৰ আৰু মুখমণ্ডলৰ শিৰাবোৰ ভাঁহি উঠে। এই কথা অৱগত যে, ইহৰাম অৱস্থাত মূৰ ঢাকি ৰখা নিষিদ্ধ। সেয়ে মই আপোনাৰ ওচৰত জানিব বিচাৰিছোঁ, এই পৰিস্থিতিত মোৰ কৰণীয় কি? লগতে এই কথাও জনাই থওঁ যে, মই হৈছোঁ এজন চাপৰ (কম উচ্চতাৰ) মানুহ, সেয়ে মই ছাতি বহন কৰিব নোৱাৰোঁ। কাৰণ ইয়াৰ ফলত মোৰ ওচৰে পাঁজৰে থকা লোকসকলৰ অসুবিধা হয়। আশা কৰোঁ এই ক্ষেত্ৰত মোক সমাধান প্ৰদান কৰি সহায় কৰিব। আল্লাহে আপোনাক হিফাজতে ৰাখক আৰু আপোনাৰ সকলো দিশ সুৰক্ষিত ৰাখক।

উত্তৰঃ যদি আপোনাৰ অৱস্থা সেইটোৱে হয় যিটো আপুনি উল্লেখ কৰিছে, তেন্তে আপুনি ইহৰাম অৱস্থাত নিজৰ মূৰ ঢাকি ৰাখিব পাৰিব। কিন্তু ইয়াৰ বাবে আপুনি ফিদিয়া দিব লাগিব। সেয়া হৈছে, আপুনি এটা পশু

জবেহ কৰি মক্কাৰ দৰিদ্ৰসকলৰ মাজত বিলাই দিব লাগিব, নহ'লে মক্কাৰ হাৰাম অঞ্চলৰ ছয়জন দৰিদ্ৰক আহাৰ কৰাব লাগিব, অৰ্থাৎ প্ৰতিজন দৰিদ্ৰক অৰ্দ্ধেক ছা পৰিমাণ দেশীয় খাদ্য বস্তু দিব লাগিব, নাইবা তিনিটা ৰোজা ৰাখিব লাগিব। এইটো হজ্জৰ ইহৰামৰ ক্ষেত্ৰত প্ৰযোজ্য। আনহাতে যদি আপুনি ওমৰাৰ ইহৰামতো এনেকুৱা কৰে তেন্তে ইয়াৰ বাবেও পৃথককৈ ফিদিয়া দিব লাগিব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ১৮১)।

***

প্ৰশ্নঃ এজন হাজীয়ে এটা নিষিদ্ধ কৰ্ম কৰি পেলাইছে। তেওঁ জামাৰাতুল আকাবাত শিল নিক্ষেপ কৰাৰ পিছত আৰু মূৰ খুৰোৱাৰ পিছত কিন্তু তাৱাফে ইফাজাৰ আগত স্ত্ৰীক চুমা খাইছে আৰু উত্তেজনাৰ ফলত যৌনাংগৰ বাহিৰতে বীৰ্যপাত কৰিছে। কিন্তু তাইৰ স্ত্ৰী হাজী নহয়। এই ক্ষেত্ৰত ফতোৱা প্ৰদান কৰি আমাক উপকাৰ কৰিব বুলি আশা কৰিলোঁ, ইয়াৰ চৰীয়তি বিধান কি?

উত্তৰঃ হজ্জ অথবা ওমৰাহ নাইবা উভয়ৰে ইহৰাম পৰিধান কৰা কোনো মুছলিমৰ বাবেই এনেকুৱা কাম কৰা বৈধ নহয় যিটোৰ দ্বাৰা ইহৰাম ভংগ হয় অথবা ত্ৰুটিযুক্ত কৰে। ইহৰামৰ পৰা সম্পূৰ্ণৰূপে হালাল নোহোৱালৈকে ইহৰাম অৱস্থাত চুমা খোৱা হাৰাম। জামাৰাতুল আক্কাবাত শিলগুটি দলিয়াই মূৰ খুৰোৱাই

নাইবা চুলি চুটি কৰাৰ পিছত তাৱাফে ইফাজা আৰু যদি ছায়ী বাকী থাকে সেইটো সম্পন্ন কৰাৰ পিছতহে সম্পূৰ্ণৰূপে হালাল হ'ব। কিয়নো তেতিয়াও তেওঁ ইহৰাম অৱস্থাতে থাকে, আৰু ইহৰাম অৱস্থাত নাৰীৰ ওচৰলৈ যোৱা হাৰাম। কিন্তু প্ৰথম হালাল হোৱাৰ পিছত স্ত্ৰীক চুমা খোৱাৰ ফলত তেওঁৰ যদি বীৰ্যপাত হৈছে তেন্তে তেওঁৰ হজ্জ বাতিল নহ'ব। ইয়াৰ বাবে তেওঁ আল্লাহৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰা উচিত, আৰু এনেকুৱা কৰ্মৰ পৰা ভৱিষ্যতে বিৰত থকা উচিত। ইয়াৰ কাফ্ফাৰাস্বৰূপে তেওঁ কুৰবানী যোগ্য এটা ছাগলী জবেহ কৰিব লাগিব আৰু মক্কাৰ হাৰাম অঞ্চলৰ দৰিদ্ৰসকলৰ মাজত বিতৰণ কৰিব লাগিব। যিমান সোনকালে পাৰে এইটো আদায় কৰিব লাগিব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ১৮৮)।

***

প্ৰশ্নঃ মই ফৰজ হজ্জ পালন কৰিছোঁ, এদিনাখন ৰাতি মিনাত থকা অৱস্থাত মোৰ স্বপ্নদোষ হোৱাত মই গোছল কৰিব পৰা নাছিলোঁ। এতিয়া মোৰ কৰণীয় কি?

উত্তৰঃ হজ্জ বা ওমৰাৰ ইহৰামত থকা অৱস্থাত কোনো ব্যক্তিৰ যদি স্বপ্নদোষ হয়, তেন্তে ইয়াৰ ফলত তেওঁৰ হজ্জ বা ওমৰাৰ ওপৰত কোনো প্ৰভাৱ নপৰে, আৰু ইয়াৰ ফলত হজ্জ বা ওমৰাহ বাতিল নহয়। যাৰ এনেকুৱা হ'ব তেওঁ টোপনিৰ পৰা উঠাৰ পিছত বীৰ্য দেখা পালে, লগে লগে ফৰজ গোছল কৰি ল'ব লাগিব।

ইয়াৰ ফলত কোনো ফিদিয়া দিব নালাগে, কাৰণ স্বপ্নদোষ নিজৰ ইচ্ছাত নহয়।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ১৮৮)।

***

প্ৰশ্নঃ মক্কা আৰু মদীনাৰ গোছলখানাৰ কিবা বিশেষত্ব আছে নেকি?

উত্তৰঃ মক্কা আৰু মদীনাৰ গোছলখানাৰ কোনো বিশেষত্ব নাই। কিন্তু হাৰামৰ সীমাৰ ভিতৰত কোনো চৰাই-চিৰিকটি চিকাৰ কৰা আৰু খেদি পঠিওৱা উচিত নহয়। হাদীছত আহিছে যে,

«إن الله حرم مكة، فلم تحل لأحد قبلي، ولا تحل لأحد بعدي، وإنما أحلت لي ساعة من نهار، لا يختلى خلاها، ولا يعضد شجرها، ولا ينفر صيدها»

"নিশ্চয় মহান আল্লাহে মক্কা নগৰক হাৰাম হিচাপে নিৰ্ধাৰণ কৰিছে। এইটো মোৰ পূৰ্বে কাৰো বাবে হালাল কৰা নাছিল আৰু মোৰ পিছতো কাৰো বাবে হালাল নকৰিব। কিন্তু মোৰ বাবে কেৱল এটা নিৰ্দিষ্ট সময়ৰ বাবে হালাল কৰিছিল। সেয়ে- ইয়াত থকা ঘাঁহ উঘালি পেলোৱা নাযাব, ইয়াত থকা গছ-গছনি কটা নাযাব, লগতে ইয়াত থকা কোনো পশু-পক্ষীক আঁতৰাই দিয়া নাযাব।" হাদীছটো বুখাৰীয়ে বৰ্ণনা কৰিছে। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আৰু কৈছেঃ

«إن إبراهيم حرم مكة، وإني حرمت المدينة ما بين لابتيها، لا يقطع عضاهها، ولا يصاد صيدها»

"নিশ্চয় ইব্ৰাহীম আলাইহিচ্ছালামে মক্কাক হাৰাম ঘোষণা কৰিছে আৰু মই মদীনাক, ইয়াৰ দুয়ো প্ৰান্তৰ কংকৰময় ময়দানৰ মধ্যৱৰ্তী ঠাইক হাৰাম ঘোষণা কৰিছোঁ। সেয়ে ইয়াত থকা কোনো কাঁইটযুক্ত গছ কটা নাযাব আৰু ইয়াৰ জীৱ-জন্তুকো চিকাৰ কৰা নাযাব।" (মুছলিম)

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ২০২)।

***

প্ৰশ্নঃ ওমৰাহ সম্পন্ন কৰাৰ পিছত ইহৰামৰ কাপোৰ খুলিব পাৰিমনে, যিহেতু মই তামাত্তু হজ্জ পালন কৰি আছোঁ?

উত্তৰঃ হয়, তামাত্তু হজ্জ পালনকাৰী ব্যক্তিয়ে ওমৰাহ সম্পন্ন কৰাৰ পিছত ইহৰাম খুলি পেলোৱাটো চৰীয়তসন্মত। অৰ্থাৎ তাৱাফ, ছায়ী আৰু মূৰ খুৰোৱাৰ পিছত অথবা চুলি চুটি কৰাৰ পিছত সাধাৰণ পোছাক পৰিধান কৰা বৈধ। কিয়নো নবী চাল্লাল্লাহু আলাইহি অছাল্লামে বিদায়ী হজ্জৰ সময়ত চাহাবাসকলৰ মাজৰ যিসকলে হাদী লগতলৈ অহা নাছিল তেওঁলোকক ইয়াৰ নিৰ্দেশ দিছিল। ইয়াৰ পিছত হজ্জৰ বাবে ৮ জুল হিজ্জাৰ দিনা নতুনকৈ ইহৰাম বান্ধিব লাগিব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ২০২)।

***

প্ৰশ্নঃ তামাত্তু হজ্জকাৰীয়ে ওমৰাহ আদায় কৰি হালাল হোৱাৰ পিছত, কি কি বস্তু তেওঁৰ বাবে মুবাহ হৈ পৰে, অনুগ্ৰহ কৰি উল্লেখ কৰিব নেকি?

উত্তৰঃ যি ব্যক্তিয়ে তামাত্তু হজ্জৰ নিয়্যতেৰে ইহৰাম বান্ধি ওমৰাৰ যাৱতীয় আনুষ্ঠানিকতা যেনে- তাৱাফ, ছায়ী, মূৰ খুৰোৱা বা চুলি চুটি কৰা আদি সম্পন্ন কৰিছে, তেওঁ ওমৰাৰ পৰা হালাল হৈ যাব আৰু ইহৰামৰ বাবে তেওঁৰ ওপৰত নিষিদ্ধ হোৱা বিষয়বোৰ তেওঁৰ বাবে বৈধ হৈ পৰিব, ইহৰামৰ ফলত যিবোৰ নিষিদ্ধ আছিল যেনে- মূৰৰ চুলি কটা, নখ কটা, চিলাইযুক্ত কাপোৰ পৰিধান কৰা, মূৰ ঢাকি ৰখা, সুগন্ধি ব্যৱহাৰ কৰা, স্থলৰ প্ৰাণী চিকাৰ কৰা, বিবাহৰ বৈঠক অনুষ্ঠিত কৰা, স্ত্ৰী সহবাস আৰু স্ত্ৰীৰ প্ৰতি আকৰ্ষণমূলক কাৰ্যকলাপ কৰা।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ২০৪)।

***

প্ৰশ্নঃ হজ্জযাত্ৰীসকলে সন্মিলিত তালবিয়া পাঠ কৰাৰ বিধান কি? অৰ্থাৎ এজনে উচ্চস্বৰে তালবিয়া পাঠ কৰে আৰু বাকীসকলে অনুসৰণ কৰে।

উত্তৰঃ এইটো বৈধ নহয়। কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰাও এইটো প্ৰমাণিত নহয় আৰু খুলাফায়ে ৰাশ্বিদীনৰ ফালৰ পৰাও এইটো প্ৰমাণিত নহয়। বৰং এইটো হৈছে এটা বিদআত।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৩৫৮)।

***

প্ৰশ্নঃ হজ্জৰ সময়ছোৱাত যদি কোনো নাৰীৰ মাহেকীয়া হয়, তেন্তে তাই হজ্জৰ সকলো আনুষ্ঠানিকতা পালন কৰিব পাৰিবনে? ইয়াৰ বাবে তেওঁ গোছল কৰিব লাগিব নেকি? অথবা কোনবোৰ আনুষ্ঠানিকতা তাই পালন কৰিব নোৱাৰিব আৰু সেইবোৰ কেনেকৈ পূৰণ কৰিব? আল্লাহে আপোনালোকক উত্তম প্ৰতিদান দিয়ক।

উত্তৰঃ হজ্জৰ সময়ছোৱাত যদি কোনো নাৰীৰ মাহেকীয়া আৰম্ভ হয় তেন্তে তেওঁ ইহৰাম অৱস্থাতে থাকিব লাগিব আৰু হাজীসকলৰ সৈতে হজ্জৰ যাৱতীয় কৰ্মৰাজি পালন কৰিব। যেনে- আৰাফা ময়দানত অৱস্থান কৰা, মুজদালিফা আৰু মিনাত ৰাতি অতিবাহিত কৰা আৰু জামাৰাতত শিলগুটি নিক্ষেপ কৰা। কিন্তু হায়েজৰ পৰা পৱিত্ৰ হোৱাৰ পিছত গোছল নকৰালৈকে কাবা ঘৰৰ তাৱাফ কৰিব নোৱাৰিব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ১২৮)।

***

প্ৰশ্নঃ হজ্জ পালন কৰা অৱস্থাত নাৰীসকলে সৌন্দৰ্য্য অৱলম্বন কৰা বৈধনে?

উত্তৰঃ হজ্জ পালন কৰা অৱস্থাত নাৰীসকলে আকৰ্ষণীয় সাজ-সজ্জা অৱলম্বন কৰা বৈধ নহয়। কিন্তু

যদি তাইৰ শৰীৰত আ-অলংকাৰ থাকে বা মেহেন্দী থাকে তেন্তে সেয়া পুৰুষৰ দৃষ্টিৰ পৰা গোপন কৰি ৰখা উচিত। হাত বা বেলেগ অংগৰ পৰা সেয়া আঁতৰাই পেলোৱাৰ প্ৰয়োজন নাই।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ১৪৪)।

প্ৰশ্নঃ মই হজ্জৰ বাবে ইহৰাম বন্ধাৰ পিছত যেতিয়া মীকাত পাৰ হৈ আছিলোঁ, যিহেতু মই হজ্জে ইফৰাদ কৰিম, সেয়ে এই বুলি তালবিয়া পাঠ কৰিলোঁ, «لبيك اللهم لبيك حجا» (হে আল্লাহ! মই উপস্থিত হৈছোঁ, হজ্জ কৰিবলৈ মই উপস্থিত হৈছোঁ।) কিন্তু ইয়াৰ পিছত ভুলতে মই এইটো কৈ পেলালোঁ- «لبيك اللهم لبيك حجا وعمرة» (হে আল্লাহ! মই উপস্থিত হৈছোঁ, মই হজ্জ আৰু ওমৰাহ কৰিবলৈ উপস্থিত হৈছোঁ।) অনুগ্ৰহ কৰি জনাওক এতিয়া মোৰ কৰণীয় কি? আল্লাহে আপোনালোকক উত্তম প্ৰতিদান দিয়ক।

উত্তৰঃ আপোনাৰ সৈতে যিটো হৈছে সেইটো যদি কেৱল মৌখিক ভুল উচ্চাৰণ হয় তথা এইটো কোৱাটো যদি আপোনাৰ কোনো উদ্দেশ্য নাছিল, তেন্তে আপোনাৰ ওপৰত কোনো কাফ্‌ফাৰা নাই।কাৰণ মহান আল্লাহে কৈছেঃ

{ربنا لا تؤاخذنا إن نسينا أو أخطأنا}

অৰ্থঃ হে আমাৰ প্ৰতিপালক! যদি আমি পাহৰি যাওঁ অথবা ভুল কৰোঁ, তেনেহ’লে তুমি আমাক জবাবদিহি

নকৰিবা। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আৰু কৈছেঃ

«إنما الأعمال بالنيات وإنما لكل امرئ ما نوى»

"সকলো কাম (ৰ প্ৰাপ্য) হ'ব নিয়্যত অনুযায়ী, আৰু মানুহে তাৰ নিয়্যত অনুযায়ী প্ৰতিফল পাব।"

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ১৩২)।

***

প্ৰশ্নঃ মই কিছুমান হাজীক দেখিছোঁ তেওঁলোকে মিনাত থকা গছৰ ডাল ভাঙি মিছৱাক হিচাপে ব্যৱহাৰ কৰিছে। গতিকে মই জানিব বিচাৰোঁ যে, মিনাত থকা গছৰ ডাল কটাৰ বিধান কি? তথা হাৰাম অঞ্চলৰ গছৰ এনেকুৱা ডালৰ মিছৱাক হাদিয়া হিচাপে প্ৰদান কৰাৰ বিধান কি?

উত্তৰঃ হাৰাম এলাকাত থকা কোনো গছৰ ডাল পাত ঠাৰি আদি কটা কোনো ব্যক্তিৰ বাবেই বৈধ নহয়, সেয়া মুহৰিম ব্যক্তি হওক বা বেলেগ কোনো ব্যক্তি। কিয়নো নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«لا يخبط شوكها ولا يعضد شجرها»

"ইয়াত থকা কাঁইটযুক্ত গছো নিৰ্মূল কৰা নাযাব আৰু অন্যান্য গছ-গছনিও কটা নাযাব।" (মুছলিম)

এতেকে যিয়ে এনেকুৱা কাম কৰিছে, তেওঁ আল্লাহৰ ওচৰত তাওবা কৰা উচিত আৰু ভৱিষ্যতে এনেকুৱা কাম দুনাই কৰাৰ পৰা বিৰত থকা উচিত। ইয়াৰ উপৰিও যদি হাৰাম এলাকাৰ গছৰ ঠাৰিৰে মিছৱাক বনাই

উপহাৰ দিয়া হয়, তেনেকুৱা উপহাৰ গ্ৰহণ কৰাও উচিত নহয়। কাৰণ ইয়াৰ ফলত নিষিদ্ধ কৰ্মক সমৰ্থন কৰা হ'ব তথা সহায় কৰা বুজাব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ১৬৬)।

***

মিনাত ৰাতি অতিবাহিত কৰা।

প্ৰশ্নঃ মই এটি হজ্জযাত্ৰী দলৰ সৈতে হজ্জ কৰিবলৈ গৈছিলোঁ, আৰু আমি ৯ জুলহিজ্জাৰ ৰাতি মিনাত অতিবাহিত কৰিছিলোঁ, কিন্তু ফজৰৰ নামাজৰ আগতে আমি আৰাফালৈ গুচি আহোঁ আৰু তাত আহি ফজৰৰ নামাজ আদায় কৰোঁ। ভিৰৰ কাৰণে আমাৰ দলৰ পৰিচালকে এই ব্যৱস্থা হাতত লৈছিল। এতিয়া আমাৰ ওপৰত কিবা কৰণীয় আছে নেকি?

উত্তৰঃ নহয়, আপোনালোকৰ ওপৰত কৰণীয় একো নাই, কিন্তু হাজীসকলৰ বাবে উত্তম হৈছে ৯ জুলহিজ্জাৰ দিনা সূৰ্যোদয়ৰ পিছত আৰাফালৈ ৰাওনা হোৱা।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/২১০)।

***

প্ৰশ্নঃ মই এটা আভ্যন্তৰীণ হজ্জ সংস্থাৰ সৈতে হজ্জ কৰিছোঁ আৰু আমাৰ থকাৰ ঠাই আছিল মিনাৰ বাহিৰত। আমি ৯ জুলহিজ্জাৰ ৰাতি তাতে অৱস্থান কৰিছোঁ, কিন্তু আইয়্যামে তাশ্বৰীকৰ ৰাতিবোৰ আমি

মিনাতে কটাইছোঁ। ৯ জুলহিজ্জাৰ ৰাতি মিনাত অতিবাহিত কৰাটো ছুন্নত নে ওৱাজিব? যদি ওৱাজিব হয় তেন্তে এতিয়া মোৰ কৰণীয় কি? মহান আল্লাহে মোৰ ফালৰ পৰা আৰু সকলো মুছলিমৰ ফালৰ আপোনালোকক উত্তম প্ৰতিদান দিয়ক।

উত্তৰঃ ৯ জুলহিজ্জাৰ ৰাতি মিনাত অতিবাহিত কৰাটো হাজীসকলৰ বাবে ছুন্নত, ওৱাজিব নহয়। যদি আপুনি সেই ৰাতিটো মিনাত কটাব নোৱাৰে তেন্তে আপোনাৰ একো কৰিবলগীয়া নাই। কেৱল আপুনি ৰাতি অতিবাহিত কৰাৰ ছুন্নতৰ পৰা বঞ্চিত হ'ব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ১৭৭)।

***

আৰাফাত অৱস্থান কৰা।

প্ৰশ্নঃ কিছুমান লোকে কয় যে, যদি শুক্ৰবাৰে আৰাফাৰ দিন হয়, যেনে- এই বছৰ হৈছে, তেন্তে সাতটা হজ্জৰ ছোৱাব পোৱা যায়। এই বিষয়ত হাদীছৰ পৰা কোনো প্ৰমাণ আছে নেকি?

উত্তৰঃ এই বিষয়ত কোনো সঠিক প্ৰমাণ নাই। এই ক্ষেত্ৰত এনেকুৱাও কিছুমান লোক আছে যিসকলে ধাৰণা কৰে যে, শুক্ৰবাৰে আৰাফাৰ দিন হ'লে সত্তৰ অথবা বাসত্তৰটা হজ্জৰ ছোৱাব লাভ হয়। এইবোৰৰ এটাও ঠিক নহয়।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ২১১)।

***

প্ৰশ্নঃ আৰাফাত অৱস্থান কৰি হাজী চাহেবে ইমামৰ সৈতে জোহৰ আৰু আচৰ আদায় কৰাৰ পিছত, মাগৰিবলৈকে নফল নামাজ আদায় কৰিব পাৰিবনে?

উত্তৰঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আৰাফাতত জোহৰ আৰু আচৰ একেলগে আদায় কৰাৰ পিছত কোনো ধৰণৰ নফল নামাজ পঢ়া নাছিল। যদি এইটো সঠিক হ'লহেঁতেন তেন্তে এই ক্ষেত্ৰত তেখেত আমাতকৈ অধিক আগ্ৰহী হ'লহেঁতেন। প্ৰকৃততে সকলো কল্যাণ নিহিত হৈ আছে তেখেতৰ আদৰ্শৰ মাজত আৰু তেখেতৰ ছুন্নতৰ অনুসৰণৰ মাজত।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ২১১)।

***

প্ৰশ্নঃ যদি কোনোবাই মাগৰিবৰ নামাজৰ এক মিনিট আগত আৰাফাৰ পৰা গুচি যায়, কাৰণ তেওঁৰ সৈতে অৱস্থান কৰা গাড়ীৰ যাত্ৰীসকলে কৈছিল যে, সূৰ্য অস্ত গৈছে, তেন্তে ইয়াৰ বিধান কি?

উত্তৰঃ দৰাচলতে হাজীসকলে ৯ জুলহিজ্জাৰ দিনা আৰাফাতত অৱস্থান কৰাটো আৱশ্যক, আৰু সূৰ্যাস্ত নিশ্চিত নোহোৱালৈকে তাতেই অৱস্থান কৰা উচিত। সূৰ্যাস্তৰ আগত তাৰ পৰা অহাটো বৈধ নহয়। সূৰ্যাস্ত নিশ্চিত হোৱাৰ পিছত যদি তেওঁ গুচি আহিছে তেন্তে তেওঁৰ দায়িত্ব পালন হৈছে আৰু তেওঁৰ ওপৰত একো

কৰণীয় নাই। কিন্তু যদি কোনোবাই সূৰ্যাস্তৰ আগত গুচি যায় বা সূৰ্যাস্ত নিশ্চিত নকৰাকৈ গুচি যায় আৰু যদি উভতি নাহে নাইবা সূৰ্যাস্ত নোহোৱালৈকে অৱস্থান নকৰে অথবা ৰাতিত কিছু সময়ৰ বাবে হ'লেও উভতি নাহে তেন্তে তেওঁ এটা দম দিব লাগিব, অৰ্থাৎ এটা ছাগলী জবেহ কৰিব লাগিব, যিহেতু তেওঁ হজ্জৰ এটা ওৱাজিব পৰিত্যাগ কৰিছে।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ১৮১)।

***

মুজদালিফাত ৰাতি অতিবাহিত কৰা।

প্ৰশ্নঃ মই এটা পৰিয়ালৰ সৈতে গাড়ী ভাড়া কৰি এইবাৰ হজ্জ কৰিছোঁ। আৰাফাৰ পৰা আমি ৰাতি ৯ টাত প্ৰস্থান কৰি ২ বজাত আহি মুজদালিফাত উপস্থিত হৈছোঁ। কিন্তু মোৰ সৈতে যিসকল লোক আছিল তেওঁলোকে মুজদালিফাত অৱস্থান নকৰাকৈ খৰখেদাকৈ গুচি যাব বিচাৰিছিল, এই যুক্তিৰ আধাৰত যে, তেওঁলোকৰ সৈতে পৰিয়ালৰ লোক আছে আৰু চৰীয়তে তেওঁলোকৰ বাবে এইটো অনুমতি দিছে। সেয়ে আমি মুজদালিফাত ১৫ মিনিটৰ বেছি সময় অৱস্থান কৰা নাছিলোঁ। এতিয়া মোৰ ওপৰত কিবা কৰণীয় আছে নেকি?

উত্তৰঃ যদি এইদৰেই হৈছে যিটো আপুনি উল্লেখ কৰিছে, অৰ্থাৎ তেওঁলোকৰ লগত পৰিয়াল আছিল আৰু তেওঁলোকে ফজৰলৈকে মুজাদালিফাত ৰাতি কটাবলৈ

ভয় কৰিছিল, এই অৱস্থাত যদি আপোনালোকে সূৰ্যাস্তৰ সময় অনুযায়ী ৰাতি দুটা বজাত মুজদালিফাৰ পৰা ওলাই যায় তেন্তে কোনো অসুবিধা নাই। কাৰণ অৰ্দ্ধেক ৰাতি পাৰ হৈছে, আৰু অৰ্দ্ধেক ৰাতি পাৰ হোৱাৰ পিছত দুৰ্বল আৰু মহিলাসকলৰ বাবে ওলাই যোৱাৰ অনুমতি আছে। এইটো হৈছে তেওঁলোকৰ প্ৰতি মহান আল্লাহৰ অনুগ্ৰহ, দয়া আৰু ৰহমত।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ২১২)।

***

প্ৰশ্নঃ যোৱা বছৰ হজ্জত অত্যন্ত ভিৰ হৈছিল, যাৰ ফলত কিছুমান হাজীয়ে মুজদালিফালত ৰাতি অতিবাহিত কৰিব পৰা নাছিল, কাৰণ তেওঁলোকে তাতগৈ উপস্থিত হ'ব পৰা নাছিল, লগতে কিছুমান হাজী হেৰাই গৈছিল। তেওঁলোকে কি কৰা উচিত?

উত্তৰঃ যিসকলে ভিৰৰ কাৰণে মুজদালিফাত ৰাতি অতিবাহিত কৰিব পৰা নাই, তেওঁলোকৰ বাবে কোনো অসুবিধা নাই। আনহাতে যিসকলে মুজদালিফাৰ পৰা হেৰাই গৈ বেলেগ ঠাইত ৰাতি অতিবাহিত কৰিছে, তেওঁলোকে দম (প্ৰায়শ্চিত্ত কুৰবানী) দিব লাগিব, কাৰণ তেওঁলোকে মুজদালিফাৰ অৱস্থান সম্পৰ্কে জানিবলৈ সক্ষম আছিল নাইবা তাত উপস্থিত হ'বলৈ সক্ষম আছিল। কিন্তু তেওঁলোকে এই ক্ষেত্ৰত অৱহেলা কৰিছে।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ১৮৯)।

***

প্ৰশ্নঃ এজন হাজীয়ে প্ৰশ্ন কৰিছে যে, তেওঁ মুজদালিফাৰ পৰা ৰাতিৰ প্ৰথম তৃতীয়াংশত অৰ্থাৎ প্ৰায় ৰাতিৰ ১০ টা মান বজাত গুচি গৈছে। তেওঁ কাৰণ দৰ্শাইছে যে, তেওঁৰ সৈতে মহিলা আছিল। এতিয়া তেওঁৰ কৰ্তব্য কি, আৰু তেওঁ কি কৰা উচিত?

উত্তৰঃ যিয়ে কোনো বৈধ কাৰণ যেনে- অসুস্থতা আদি নোহোৱাকৈ মাজ ৰাতিৰ আগতেই গুচি গৈছে, তেওঁৰ ফালৰ পৰা মুজদালিফাত ৰাতি অতিবাহিত কৰাৰ ওৱাজিব আদায় হোৱা নাই। তেওঁ এটা ফিদিয়া দিব লাগিব, অৰ্থাৎ এটা ছাগলী জবেহ কৰি মক্কাৰ দৰিদ্ৰসকলৰ মাজত বিতৰণ কৰিব লাগিব। কিয়নো নূন্যতম অৰ্দ্ধেক ৰাতিলৈকে মুজদালিফাত ৰাতি অতিবাহিত কৰা ওৱাজিব। আনকি নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দুৰ্বল লোকসকলকো মাজ ৰাতিৰ আগতে মুজদালিফা ত্যাগ কৰাৰ অনুমতি দিয়া নাই।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ১৯৪)।

***

ঈদৰ দিনা কৰিবলগীয়া আমলসমূহ

প্ৰশ্নঃ যদি দুৰ্বল লোকসকলে আৰু তেওঁলোকৰ সাহচৰ্যসকলে অৰ্দ্ধেক ৰাতিৰ পিছত মুজদালিফাৰ পৰা মিনালৈ গুচি যায় আৰু তেওঁলোকে ফজৰৰ আগতেই

যদি জামাৰায়ে আক্বাবাতত শিলগুটি নিক্ষেপ কৰে আৰু তেওঁলোকৰ হাতত যদি যথেষ্ট সময় থাকে আৰু ফজৰৰ আগতেই যদি তেওঁলোকে তাৱাফে ইফাজা কৰে, এইটো তেওঁলোকে কৰিব পাৰিবনে?

উত্তৰঃ মহিলা, বৃদ্ধ আৰু তেওঁলোকৰ দৰে অন্যান্য দুৰ্বলসকলে মাজ ৰাতিৰ পিছত মুজদালিফাৰ পৰা মিনালৈ গুচি যাব বিচাৰে তেন্তে যাব পাৰে। লগতে তেওঁলোকে ফজৰৰ আগতেই জামাৰাতত শিলগুটি নিক্ষেপ কৰিব পাৰে, তাৱাফে ইফাজা কৰিব পাৰে আৰু মূৰ খুৰাব পাৰে। কাৰণ তেওঁলোকৰ বাবে এইটো সুবিধাজনক।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ১৯০)।

***

প্ৰশ্নঃ কোনো হাজীয়ে কোনো বৈধ কাৰণ নোহোৱাকৈয়ে প্ৰথম দিনা কৰিবলগীয়া জামাৰাতৰ শিলগুটি নিক্ষেপ আয়্যামে তাশ্বৰীকৰ দ্বিতীয় অথবা তৃতীয় দিনলৈকে পলম কৰিব পাৰেনে নাই, যদি কোনোবাই এনেকুৱা কৰে তেন্তে তাৰ বিধান কি?

উত্তৰঃ কোনো হাজীৰ বাবে বৈধ কোনো কাৰণ নোহোৱাকৈ প্ৰথম দিনা কৰিবলগীয়া জামাৰাতৰ শিলগুটি নিক্ষেপ আয়্যামে তাশ্বৰীকৰ দ্বিতীয় অথবা তৃতীয় দিৱসলৈকে পলম কৰাটো বৈধ নহয়। কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দশম জুলহিজ্জাৰ দিনা জামাৰাতুল আকাবাত শিলগুটি নিক্ষেপ কৰিছিল আৰু

চাহাবাসকলেও এইটোৱে অনুসৰণ কৰিছিল। তেওঁলোকে কোনো কাৰণ নোহোৱাকৈ আয়্যামে তাশ্বৰীকলৈকে পলম কৰা নাছিল। কিয়নো নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«خذوا عني مناسككم»

"তোমালোকে মোৰ পৰা হজ্জৰ নিয়ম-নীতি শিকি লোৱা।" সেয়ে যিয়ে কোনো বৈধ কাৰণ নোহোৱাকৈ জামাৰাতুল আকাবাৰ শিলগুটি নিক্ষেপক আয়্যামে তাশ্বৰীকলৈকে পলম কৰিছে, তেওঁ দৰাচলতে ছুন্নত পৰিপন্থী এটা কাম কৰিছে। ফলত তেওঁ সেই পৰিমাণ ছোৱাবৰ পৰা বঞ্চিত হ'ব। সেয়ে তেওঁ এনেকুৱা কৰ্মৰ পৰা আল্লাহৰ ওচৰত তাওবা কৰিব লাগিব আৰু ভৱিষ্যতে নেক কৰ্মবোৰ সঠিকভাৱে তথা চৰীয়ত অনুযায়ী পালন কৰিবলৈ যত্নৱান হ'ব লাগিব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ২১৭)।

***

প্ৰশ্নঃ আমি হজ্জত কিছুমান লোকক দেখিছোঁ যে, তেওঁলোকে হজ্জ বা ওমৰাৰ সময়ত চুলি চুটি কৰাৰ সময়ত কেৱল মূৰৰ তলৰ অংশৰ চাৰিওফালে বৃত্তাকাৰভাৱে চুলি চুটি কৰি লয়। বাকী অংশৰ চুলি নাকাটে। যেতিয়া আমি তেওঁলোকক ক'লোঁ যে, মূৰৰ গোটেই অংশৰ চুলি চুটি কৰাটো জৰুৰী, তেতিয়া তেওঁলোকে আমাক ক'লে যে, নহয়, এইখিনি কাটিলেই যথেষ্ট। দৰাচলতে কিমানখিনি চুলি চুটি কৰা ওৱাজিব?

উত্তৰঃ হজ্জ হওক বা ওমৰাহ, মূৰ খুৰালেও সম্পূৰ্ণ মূৰ খুৰাব লাগিব আৰু চুটি কৰিলেও সম্পূৰ্ণ মূৰৰ চুলি চুটি কৰিব লাগিব। কিন্তু এইটো কোনো চৰ্ত নহয় যে, প্ৰতিটো চুলি চাই চিতি কাটিব লাগিব। আপুনি যিটো ধৰণে উল্লেখ কৰিছে সেইটো অধিকাংশ উলামাৰ সঠিক মত অনুযায়ী যথেষ্ট নহয়। আনকি এইটো নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ছুন্নতো নহয়।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ২১৭)।

***

প্ৰশ্নঃ হাজী এজনে আৰাফাৰ ময়দানত অৱস্থান কৰাৰ পিছত মুজদালিফাত ৰাতি অতিবাহিত কৰিছে আৰু ঈদৰ দিনা পুৱাৰ ভাগত মিনালৈ গৈছে। তাত তেওঁ জামাৰাতুল আকাবাত শিলগুটি নিক্ষেপ কৰিছে, কুৰবানী কৰিছে আৰু তাৰ পিছত মূৰ খুৰাই লৈছে, ইয়াৰ পিছত তেওঁ মিনাতেই ইহৰামৰ কাপোৰ খুলি মক্কাত গৈ তাৱাফে ইফাজা কৰিছে। চৰীয়তৰ দৃষ্টিত এইটো জায়েজ নে? কিয়নো এজনে মোক কৈছে যে, তাৱাফে ইফাজা নকৰাকৈ মূৰ খুৰোৱা আৰু মিনাতেই ইহৰামৰ কাপোৰ খোলা বৈধ নহয়।

উত্তৰঃ তাৱাফে ইফাজাৰ আগত হওক বা পিছত উভয় অৱস্থাতে মূৰ খুৰোৱা বৈধ। আপুনি ঈদৰ দিনা যিটো কৰিছে যেনে- জামাৰাতুল আকাবাত শিলগুটি নিক্ষেপ কৰিছে, তাৰ পিছত কুৰবানী কৰিছে, ইয়াৰ পিছত মূৰ খুৰাইছে আৰু তাৰ পিছত তাৱাফে ইফাজা

কৰিছে, এইটোৱে ছুন্নত। কাৰণ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে বিদায়ী হজ্জৰ দিনা এইদৰেই কৰিছিল।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ২১৮)।

***

প্ৰশ্নঃ তাৱাফে ইফাজা কেতিয়া অন্ত পৰে?

উত্তৰঃ দুৰ্বল আৰু তেওঁলোকৰ অন্তৰ্ভুক্ত লোকসকলৰ বাবে তাৱাফে ইফাজা আৰম্ভ হয় ঈদৰ ৰাতি অৰ্থাৎ মুজদালিফাত অতিবাহিত কৰা ৰাতিৰ অৰ্দ্ধেক সময় পাৰ হোৱাৰ পিছৰ পৰা, আৰু ইয়াৰ শেষ হোৱাৰ নিৰ্দিষ্ট কোনো সময়সীমা নাই। কিন্তু উত্তম হৈছে হাজীসকলে নিজৰ সামৰ্থ অনুযায়ী সোনকালে সম্পন্ন কৰিব লাগে। কিন্তু নিজৰ প্ৰতি লক্ষ্য ৰাখি এনেকুৱা সময় নিৰ্বাচন কৰা উচিত যেতিয়া তুলনামূলকভাৱে মাতাফত ভিৰ কম থাকে। যাতে তেওঁৰ কষ্ট নহয় আৰু তেওঁৰ দ্বাৰা আনেও কষ্ট নাপায়।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ২২৭)।

***

প্ৰশ্নঃ যদি কোনো হাজীয়ে তাৱাফে ইজাফা কৰাৰ সময়ত এটা প্ৰদক্ষিণ পাহৰি যায় আৰু মছজিদুল হাৰামৰ পৰা ওলাই অহাৰ পিছত মনত পৰে, তেন্তে ইয়াৰ বিধান কি? আনহাতে যদি এইটো প্ৰথম পৰ্যায়ৰ হালাল হোৱাৰ পিছত মনত পৰে, তেন্তে কি কৰিব?

যিহেতু এইটো হৈছে সেই দুটা মূল বিষয়ৰ অন্যতম যিটোৰ মাধ্যমত প্ৰাথমিক পৰ্যায়ৰ হালাল অৰ্জন হয়।

উত্তৰঃ যদি কোনো হাজীয়ে তাৱাফে ইফাজা কৰাৰ সময়ত এটা প্ৰদক্ষিণ পাহৰি যায় আৰু দীৰ্ঘ সময় পাৰ হোৱাৰ পিছত মনত পৰে তেন্তে তেওঁ সম্পূৰ্ণ তাৱাফ পুনৰ কৰিব লাগিব, কিন্তু সময়ৰ ব্যৱধান যদি কম হয় তেন্তে কেৱল সেই পাহৰি যোৱা প্ৰদক্ষিণটো কৰিলেই হ'ব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ২৫৩)।

***

প্ৰশ্নঃ যিয়ে তাৱাফে ইফাজা কৰিছে কিন্তু আয়্যামে তাশ্বৰীকৰ শেষ দিৱস পৰ্যন্ত ছায়ী কৰা নাই, ইয়াৰ বিধান কি? নাইবা যদি তেওঁ সেই দিনা সূৰ্যাস্ত যোৱাৰ পিছত ছায়ী কৰে, অথবা আয়্যামে তাশ্বৰীকৰ পিছত ছায়ী কৰে তেন্তে ইয়াৰ বিধান কি?

উত্তৰঃ আয়্যামে তাশ্বৰীকৰ শেষৰ দিনা অথবা তাশ্বৰীকৰ দিনবোৰ শেষ হোৱাৰ পিছত কৰা ছায়ী সঠিক হিচাপে গণ্য হ'ব। পলম কৰাৰ কাৰণে কোনো অসুবিধা নাই। ইয়াৰ কোনো চৰ্ত নাই যে, তাৱাফৰ পিছতেই ছায়ী কৰিব লাগিব। কিন্তু তাৱাফৰ পিছতেই ছায়ী কৰাটো হৈছে এক প্ৰকাৰ পূৰ্ণতা। তথা নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এনেকুৱাই কৰিছিল।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ২৬২)।

***

প্ৰশ্নঃ পূৰ্ণাংগভাৱে হালাল হোৱাৰ পিছত পুনৰ মূৰ খুৰাব লাগিব নেকি অথবা চুলি চুটি কৰিব লাগিব নেকি, যিহেতু ইতিমধ্যে তেওঁ প্ৰাথমিক পৰ্যায়ৰ হালাল হোৱাৰ সময়ত মূৰ খুৰাইছিল, অৰ্থাৎ জামাৰাতুল আকাবাত শিলগুটি নিক্ষেপ কৰাৰ পিছত?

উত্তৰঃ চূড়ান্তভাৱে হালাল হোৱাৰ পিছত মূৰ খুৰোৱা বা চুলি চুটি কৰা ওৱাজিবো নহয় ছুন্নতো নহয়। যদি তেওঁ ইতিমধ্যে জামাৰাতত শিলগুটি নিক্ষেপ কৰাৰ পিছত প্ৰাথমিক হালাল হোৱাৰ সময়ত মূৰ খুৰাইছে বা চুলি চুটি কৰিছে। কিয়নো এইটো হৈছে হজ্জৰ এটা অন্যতম অংশ তথা ইবাদত, আৰু ইবাদতসমূহ নিৰ্ভৰ কৰে কোৰআন আৰু ছুন্নাহৰ ওপৰত (যিদৰে উল্লেখ হৈছে সেইদৰেই পালন কৰিব লাগিব)। সেয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা এই ক্ষেত্ৰত কোনো প্ৰমাণ নাই যে, তেখেতে চূড়ান্তভাৱে হালাল হোৱাৰ পিছত মূৰ খুৰাইছিল বা চুলি চুটি কৰিছিল। বৰং তেখেতে কেৱল প্ৰাথমিক হালাল হোৱাৰ সময়তহে এইটো কৰিছিল। ইয়াৰ উপৰিও তেখেতে কৈছেঃ

«خذوا عني مناسككم» .

"তোমালোকে মোৰ পৰা হজ্জৰ নিয়ম-নীতি শিকি লোৱা।"

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ২৬৩)।

***

প্ৰশ্নঃ মই ওমৰাহ কৰিছোঁ আৰু তাৰ পিছত নিজ ঘৰলৈ উভতি আহিছোঁ। লগতে এই বছৰ মই ইন শ্বা আল্লাহ হজ্জ কৰাৰো পৰিকল্পনা কৰিছোঁ, তেন্তে মই ইয়াৰ বাবে কোনো ফিদিয়া দিব লাগিব নেকি? আল্লাহে আপোনালোকক উত্তম প্ৰতিদান দিয়ক।

উত্তৰঃ অধিকাংশ ফকীহসকলৰ মতে আপোনাৰ ওপৰত কোনো হাদী অনিবাৰ্য্য নহয়। কাৰণ আপুনি ওমৰাহ সম্পন্ন কৰাৰ পিছত একেটা ভ্ৰমণতে হজ্জ আদায় কৰা নাই। বৰং আপুনি উল্লেখ কৰা মতে, ১৩৯৫ হিজৰীৰ শ্বাওৱাল মাহত ওমৰাহ সম্পন্ন কৰি ঘৰলৈ উভতি গৈছিল, হজ্জ আদায় কৰিবলৈ মক্কাত অৱস্থান কৰা নাছিল।

পক্ষান্তৰে কিছুমান ফকীহসকলৰ মতে আপুনি ওমৰাহ সম্পন্ন কৰাৰ পিছত সেই বছৰতেই যদি হজ্জ কৰে তেন্তে হাদী জবেহ কৰিব লাগিব। এই ক্ষেত্ৰত আপুনি ঘৰলৈ যাওক বা তাতোকৈ বেছি দূৰলৈ গুচি যাওক। তেওঁলোকে প্ৰমাণ হিচাপে এই আয়াতৰ ব্যাপক অৰ্থ দাঙি ধৰেঃ

{فمن تمتع بالعمرة إلى الحج فما استيسر من الهدي}

"এতেকে যিয়ে ওমৰাহ সম্পন্ন কৰাৰ পিছত হজ্জ কৰিবলৈ তামাত্তু কৰিব, তেন্তে তেওঁ সহজলভ্য হাদী কুৰবানী কৰিব লাগিব।" কিন্তু এই পৰিস্থিতিত অধিকাংশ ফকীহসকলৰ মতটোকে অগ্ৰাধিকাৰ দি ফতোৱা জাৰি হৈছে তথা ইয়াৰ ওপৰতে আমল অব্যাহত আছে যে, হাদী ওৱাজিব নহয়।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৩৬৬)।

***

প্ৰশ্নঃ যিয়ে হজ্জৰ যাৱতীয় কাৰ্যৱলী সম্পন্ন কৰাৰ পিছত চুলি কাটিবলৈ পাহৰি গৈছে আৰু দীৰ্ঘ সময় পিছত মনত পৰিছে তাৰ বিধান কি?

উত্তৰঃ মূৰ খুৰোৱা বা চুলি চুটি কৰাটো হৈছে হজ্জৰ এটা অন্যতম গুৰুত্বপূৰ্ণ ওৱাজিব আমল। যদি কোনোবাই পাহৰি যায় তেন্তে মনত পৰাৰ লগে লগে সেইটো কৰা ওৱাজিব তথা অনিবাৰ্য্য। আনহাতে যদি তেওঁ মূৰ খুৰোৱা বা চুলি চুটি কৰাৰ আগতে স্ত্ৰী সহবাস কৰিছে তেন্তে তেওঁ এটা ফিদিয়া দিব লাগিব। ফিদিয়া হৈছে, এটা কুৰবানী দিব পৰা ছাগলী মক্কাত জবেহ কৰিব লাগিব আৰু সেইটো হাৰাম অঞ্চলৰ দৰিদ্ৰসকলৰ মাজত বিতৰণ কৰিব লাগিব। কাৰণ তেওঁ দ্বিতীয় হালাল পূৰ্ণাংগভাৱে হোৱা নাছিল, ইয়াৰ আগতে যৌন সম্পৰ্ক স্থাপন কৰাৰ কাৰণে ফিদিয়া আৱশ্যক হৈ পৰিছে। এইদৰে ওমৰাতো, যদি তেওঁ হালাল হোৱাৰ আগতে এনেকুৱা কৰে।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ২০৪)।

***

প্ৰশ্নঃ কিৰান হজ্জকাৰীয়ে যদি তাৱাফে কুদূম কৰে তেন্তে তেওঁ তাৱাফে ইফাজাও কৰিব লাগিব নেকি?

উত্তৰঃ কিৰান আৰু ইফৰাদ হজ্জকাৰীৰ বাবে তাৱাফে ইফাজাৰ বিপৰীতে কেৱল তাৱাফে কুদূম যথেষ্ট নহয়। কিয়নো এইটো তাৱাফে ইফাজাৰ সময় নহয়। আনহাতে তাৱাফে ইফাজা হৈছে হজ্জৰ এটা অন্যতম অপৰিহাৰ্য্য ৰুকন, ইয়াৰ অবিহনে হজ্জ পূৰ্ণ নহয়। ইয়াৰ সঠিক সময় হৈছে আৰাফাতত অৱস্থান কৰাৰ পিছত মুজদালিফাৰ পৰা উভতি আহি এইটো কৰিব লাগে। পক্ষান্তৰে তাৱাফে কুদূম হৈছে এটা ছুন্নত, এইটো কৰিলে ভাল, নকৰিলেও কোনো অসুবিধা নাই।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ২১৭)।

***

প্ৰশ্নঃ মই বৃদ্ধ হোৱাৰ কাৰণে তথা শাৰীৰিক দুৰ্বলতাৰ কাৰণে যদি মক্কালৈ উভতি যাব নোৱাৰোঁ তেন্তে তাৱাফে ইফাজা আৰু বিদায়ী তাৱাফৰ বাবে মই বেলেগ কাৰোবাক দায়িত্ব অৰ্পণ কৰি পঠাব পাৰিমনে?

উত্তৰঃ তাৱাফে ইফাজা আৰু বিদায়ী তাৱাফৰ বাবে বেলেগক দায়িত্ব অৰ্পণ কৰা জায়েজ নহয়। এই ক্ষেত্ৰত অক্ষম ব্যক্তিক বহন কৰি হ'লেও তাৱাফ কৰাব লাগিব। গতিকে আপুনি মক্কালৈ যাবই লাগিব, যিটো ফতোৱাত উল্লেখ কৰা হৈছে। আল্লাহেই তাওফীক প্ৰদানকাৰী। দৰূদ আৰু ছালাম বৰ্ষিত হওক আমাৰ প্ৰিয় নবী মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওপৰত আৰু তেখেতৰ চাহাবাসকলৰ ওপৰত।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ২৭১)।

***

আয়্যামে তাশ্বৰীক আৰু জামাৰাতত শিলগুটি নিক্ষেপ

প্ৰশ্নঃ যিয়ে ঈদৰ পিছ দিনা পুৱাৰ ভাগতে জামাৰাতত শিলগুটি নিক্ষেপ কৰিছে, আৰু পিছত গম পাইছে যে, দুপৰীয়াৰ পিছতহে শিলগুটি নিক্ষেপ কৰিব লাগে। এতিয়া তাৰ কৰণীয় কি?

উত্তৰঃ যিয়ে ঈদৰ পিছ দিনা পুৱাৰ ভাগত শিলগুটি নিক্ষেপ কৰিছে, তেওঁ সেইদিনা পাছবেলা পুনৰ শিলগুটি নিক্ষেপ কৰাটো জৰুৰী। যদি তেওঁ তৃতীয় অথবা চতুৰ্থ দিনা নিজৰ ভুলটো গম পায় তেন্তে তেওঁ সেইদিনা সূৰ্য্য ঢাল খোৱাৰ পিছত সেই দিৱসৰ শিলগুটি নিক্ষেপৰ আগত, পূৰ্বৰ বাকী থকা শিলগুটি নিক্ষেপ কৰিব লাগিব। কিন্তু যদি তেওঁ চতুৰ্থদিনা সূৰ্যাস্ত যোৱাৰ পিছত নিজৰ ভুলটো গম পায় তেন্তে তেওঁৰ ওপৰত দম ওৱাজিব। যিটো মক্কাত জবেহ কৰিব লাগিব আৰু তাত থকা দৰিদ্ৰসকলৰ মাজত বণ্টন কৰিব লাগিব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ২৭৩)।

***

প্ৰশ্নঃ মহান আল্লাহৰ এই বাণীৰ অৰ্থ কি, {فمن تعجل في يومين فلا إثم عليه}? লগতে এই আয়াতটোৰ দ্বাৰা কি বুজাইছে সেইটো স্পষ্টভাৱে উল্লেখ কৰিব।

উত্তৰঃ মহান আল্লাহে কৈছেঃ

{واذكروا الله في أيام معدودات فمن تعجل في يومين فلا إثم عليه ومن تأخر فلا إثم عليه لمن اتقى}

"আৰু তোমালোকে নিৰ্দিষ্ট দিনসমূহত আল্লাহক স্মৰণ কৰিবা। এতেকে কোনোবাই যদি খৰ-খেদাকৈ দুদিনতেই গুচি আহে তেন্তে তাৰ কোনো পাপ নহ'ব আৰু যিয়ে অলপ পলমকৈ আহিব তাৰো কোনো পাপ নহ'ব। এইটো তাৰ বাবে যিয়ে তাক্বৱা অৱলম্বন কৰে।" আয়াত। এই নিৰ্দিষ্ট দিনসমূহ বুলি তাশ্বৰীকৰ দিনবোৰক বুজোৱা হৈছে। ১১, ১২ আৰু ১৩ তাৰিখ। ১২ তাৰিখে জামাৰাতত শিলগুটি নিক্ষেপ কৰাৰ পিছত সূৰ্যাস্তৰ আগতে যিসকলে মিনা ত্যাগ কৰে তেওঁলোকক খৰখেদা কৰা বুলি কোৱা হৈছে। আনহাতে যিসকলে ১৩ তাৰিখলৈকে থাকে, তেওঁলোকক পলমকৈ অহা বুলি কোৱা হৈছে, আৰু এইটোৱে উত্তম। কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এনেকুৱাই কৰিছিল।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ২৯৭)।

***

প্ৰশ্নঃ ক্বাজা হিচাপে দ্বিতীয় দিনা পুৱাৰ ভাগত শিলগুটি নিক্ষেপ কৰা বৈধনে? নে পাছদিনাও সূৰ্য্য ঢাল খোৱাৰ পিছতেই শিলগুটি নিক্ষেপ কৰিব লাগিব?

উত্তৰঃ তাশ্বৰীকৰ দিনবোৰত কেৱল সূৰ্য্য ঢাল খোৱাৰ পিছতেই শিলগুটি নিক্ষেপ কৰিব লাগে। ইয়াৰ আগত এইটো কৰা বৈধও নহয় আৰু যথেষ্টও নহয়।

কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সূৰ্য্য ঢাল খোৱাৰ পিছতেই শিলগুটি নিক্ষেপ কৰিছিল। লগতে তেখেতে কৈছেঃ

«خذوا عني مناسككم » .

"তোমালোকে মোৰ পৰা হজ্জৰ নিয়ম-নীতি শিকি লোৱা।" এতেকে যিয়ে আগদিনা শিলগুটি নিক্ষেপ কৰা নাই, তেওঁ পিছদিনা সূৰ্য্য ঢাল খোৱাৰ পিছত শিলগুটি নিক্ষেপ কৰিব। এই ক্ষেত্ৰত তেওঁ আগদিনা কৰিব নোৱাৰা শিলগুটি প্ৰথমে নিক্ষেপ কৰিব, তাৰ পিছত উভতি আহি পিছদিনা নিক্ষেপ কৰিবলগীয়া শিলগুটিবোৰ তিনিওটা জামাৰাতত নিক্ষেপ কৰিব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ১৮৯)।

***

প্ৰশ্নঃ মই বিগত কোনো এটা বছৰত হজ্জ কৰিছোঁ, কিন্তু মই অজানিতে দ্বিতীয় দিনা সূৰ্য্য ঢাল খোৱাৰ আগতে শিলগুটি নিক্ষেপ কৰিছিলোঁ। এতিয়া মোৰ কিবা কৰণীয় আছে নেকি?

উত্তৰঃ তাশ্বৰীকৰ দিনবোৰত সূৰ্য্য ঢাল খোৱাৰ আগত শিলগুটি নিক্ষেপ কৰাটো শুদ্ধ নহয়। কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সূৰ্য্য ঢাল খোৱাৰ আগত শিলগুটি নিক্ষেপ কৰা নাছিল। লগতে তেখেতে কৈছেঃ

«خذوا عني مناسككم»،

"তোমালোকে মোৰ পৰা হজ্জৰ নিয়ম-নীতি শিকি লোৱা।" যিহেতু আপুনি সূৰ্য্য ঢাল খোৱাৰ আগতে

শিলগুটি নিক্ষেপ কৰিছে, সেয়ে আপোনাৰ ওপৰত এটা ফিদিয়া ওৱাজিব হৈ আছে। আপুনি মক্কাত এটা ছাগলী জবেহ কৰিব লাগিব আৰু সেইটো হাৰাম অঞ্চলৰ দৰিদ্ৰসকলৰ মাজত বিতৰণ কৰিব লাগিব, সেইটোৰ পৰা আপুনি একো খাব নোৱাৰিব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ২৯৩)।

***

প্ৰশ্নঃ এজন ব্যক্তিয়ে ভুলতে মিনাৰ পৰা কেইটামান শিলগুটি লগতলৈ আহিছে। কিছুমানে তেওঁক কৈছে যে, মিনাৰ পৰা লৈ অহা শিলগুটি মক্কালৈ ওভোতাই পঠাব লাগিব। এই ক্ষেত্ৰত সঠিক বিষয়টো জনাই আমাক উপকৃত কৰক।

উত্তৰঃ জামাৰাতত নিক্ষেপ কৰিবলগীয়া অৱশিষ্ট শিলগুটি যিয়ে লগতলৈ আহিছে, তেওঁ সেইবোৰ মক্কালৈ বা মিনালৈ ঘূৰাই পঠোৱাৰ কোনো প্ৰয়োজন নাই। কাৰণ ইয়াৰ সপক্ষে কোনো দলীল নাই।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ২৯৪)।

***

প্ৰশ্নঃ হাজী এজনে জামাৰাতত একেলগে সাতটা শিলগুটি মুঠিতলৈ নিক্ষেপ কৰিছে, ইয়াৰ বিধান কি?

উত্তৰঃ যিয়ে জামাৰাতত একেলগে সাতটা শিলগুটি নিক্ষেপ কৰিছে, তেওঁ নিৰ্ধাৰিত সময়ৰ ভিতৰতে পুনৰ শিলগুটি নিক্ষেপ কৰিব লাগিব। কিয়নো প্ৰতিটো

শিলগুটি পৃথক পৃথককৈ দলিয়াব লাগে। আনহাতে একেলগে গোটেই কেইটা শিলগুটি দলিয়ালে এটাই গণ্য হ'ব। যদি তেওঁ পুনৰ নিক্ষেপ নকৰে তেন্তে হজ্জৰ এটা ওৱাজিব আমল পৰিত্যাগ কৰাৰ কাৰণে তেওঁৰ ওপৰত ফিদিয়া আৱশ্যক হৈ পৰিব। ফিদিয়া হৈছেঃ মক্কাত এটা ছাগলী জবেহ কৰি হাৰাম অঞ্চলত থকা দৰিদ্ৰসকলৰ মাজত বিতৰণ কৰিব লাগিব। যদি এইটো সম্ভৱ নহয় তেন্তে তেওঁ দহ দিন ৰোজা পালন কৰিব লাগিব, একেলেঠাৰিয়ে দহটা ৰোজা নাইবা মাজে মাজে এৰি (যিটো সহজ হয় কৰিলেই হ'ল।)

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ৩১০)।

***

প্ৰশ্নঃ যোৱা বছৰ মোৰ মাহীয়ে হজ্জ কৰিছে, তেওঁ কৈছে যে, জামাৰাতত শিলগুটি দলিওৱাৰ সময়ত প্ৰচণ্ড ভিৰ থকাৰ কাৰণে তেওঁ নিশ্চিত কৰিব পৰা নাছিল যে, শিলগুটিবোৰ হাউজত পৰিছেনে নাই, কিন্তু যিহেতু তেওঁ জামাৰাহ দেখা পাইছিল, সেয়ে তেওঁ জামাৰাক লক্ষ্য কৰি শিলগুটিবোৰ দলিয়াইছিল। এই ক্ষেত্ৰত তেওঁৰ কৰণীয় কি? অনুগ্ৰহ কৰি বিষয়টোৰ সমাধান দিব বুলি আশা ৰাখিলোঁ।

উত্তৰঃ সঠিকভাৱে শিলগুটি নিক্ষেপ কৰাৰ অন্যতম এটা চৰ্ত হৈছে দলিওৱা শিলগুটিবোৰ লক্ষ্যস্থানত গৈ পাইছেনে নাই সেইটো নিশ্চিত কৰা। যদি তেওঁ নিশ্চিত হয় যে, শিলগুটিবোৰ নিক্ষেপৰ সময়ত হাউজত

পৰিছিল, কিন্তু পৰৱৰ্তী সময়ত এই ক্ষেত্ৰত সন্দেহ জন্মিলে সেই সন্দেহৰ কোনো অৱকাশ নাই। তেওঁৰ শিলগুটি নিক্ষেপ সঠিক বুলি বিবেচিত হ'ব। আনহাতে শিলগুটি নিক্ষেপৰ সময়ৰ পৰাই যদি তেওঁ নিশ্চিত নহয় তথা সন্দেহত থাকে যে, শিলগুটিবোৰ হাউজত পৰিল নে নাই, তেন্তে তেওঁ ফিদিয়া দিব লাগিব, আৰু ফিদিয়া হৈছেঃ এটা ছাগলী জবেহ কৰি হাৰাম অঞ্চলৰ দৰিদ্ৰসকলৰ মাজত বিতৰণ কৰিব লাগিব। যদি এয়া সম্ভৱ নহয় তেন্তে দহটা ৰোজা পালন কৰিব লাগিব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ৩১১)।

***

প্ৰশ্নঃ কিছুমান এনেকুৱা হাজী দেখিবলৈ পোৱা যায়- আল্লাহে তেওঁলোকক হিদায়ত দিয়ক- যিসকলে জামাৰাতত শিলগুটি নিক্ষেপ কৰাৰ সময়ত শিলগুটিৰ পৰিবৰ্তে বিভিন্ন বস্তু দলিয়ায় যেনে- জুতা, পানীৰ বটল ইত্যাদি। এনেকুৱা কৰাৰ কাৰণে তেওঁলোকৰ শিলগুটি নিক্ষেপ বাতিল হৈ যাব, নে তেওঁলোকে তেওঁলোকৰ অজ্ঞতাৰ কাৰণে অৱকাশ পাব?

উত্তৰঃ জামাৰাতত জুতা চেণ্ডেল আৰু পানীৰ বটলকে আদি কৰি এনেকুৱা কোনো বস্তু নিক্ষেপ কৰা বৈধ নহয়। কাৰণ এইবোৰ চৰীয়তসন্মত নহয়। বৰং ইয়াৰ দ্বাৰা নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ আদৰ্শক অমান্য কৰা হয়। কিয়নো তেখেতে জামাৰাতত সৰু সৰু শিলগুটি নিক্ষেপ কৰিছিল, যিবোৰ আকাৰত বুট

মাহতকৈ অকণমান ডাঙৰ আছিল। লগতে তেখেতে কৈছেঃ

«خذوا عني مناسككم» ،

"তোমালোকে মোৰ পৰা হজ্জৰ নিয়ম-নীতি শিকি লোৱা।" এনেকুৱা লোক নিজৰ এইবোৰ কৰ্মৰ কাৰণে গুনাহগাৰ হ'ব, লগতে এনেকুৱা লোকক প্ৰত্যক্ষ কৰা ব্যক্তিৰ কৰ্তব্য হৈছে সিহঁতক এইবোৰৰ পৰা বিৰত ৰখা আৰু উপদেশ দিয়া। কিন্তু যদি সিহঁতে চৰীয়তসন্মত শিলগুটিৰ দ্বাৰা নিক্ষেপ কৰিছে তেন্তে সেইটো বাতিল নহ'ব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ৩২৪)।

***

প্ৰশ্নঃ সেইসকল লোকৰ বিধান কি, যিসকলে খৰখেদাকৈ যোৱাৰ উদ্দেশ্যে আয়্যামে তাশ্বৰীকৰ প্ৰথম দিনা তিনিওটা জামাৰাতত শিলগুটি নিক্ষেপ কৰিছে, পিছদিনাও তেনেকুৱাই কৰিছে। ইয়াৰ পিছত দ্বিতীয় দিনা সূৰ্যাস্তৰৰ আগতে মক্কালৈ গুচি গৈছে আৰু তাতেই ৰাতি অতিবাহিত কৰিছে, কিন্তু তৃতীয় দিনা শিলগুটি নিক্ষেপ কৰা নাই। তেওঁলোকে ফিদিয়া দিব লাগিব নে নাই?

উত্তৰঃ যিসকলে জুলহিজ্জাৰ ১২ তাৰিখে তিনিওটা জামাৰাতত শিলগুটি নিক্ষেপ কৰাৰ পিছত সূৰ্য্য ডুবাৰ আগতে মিনা ত্যাগ কৰিব বিচাৰে, তেওঁলোকে কৰিব পাৰে। তেওঁলোকৰ বাবে ১৩ তাৰিখে শিলগুটি নিক্ষেপ

কৰাটো জৰুৰী নহয়। তেওঁলোকে মক্কাতে থাকক বা বেলেগ কোনো ঠাইত।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ৩৩৫)।

***

বিদায়ী তাৱাফ।

প্ৰশ্নঃ মই জিদ্দাত থাকোঁ, লগতে প্ৰায়ে মই মক্কা মুকাৰ্ৰামালৈ যাওঁ। এতেকে মই হজ্জৰ পিছত লগে লগে বিদায়ী তাৱাফ কৰিম, নে বিদায়ী তাৱাফ নিজ দেশলৈ উভতি যোৱাৰ সময়লৈকে স্থগিত ৰাখিম? বিদায়ী তাৱাফ স্থগিত ৰাখিলে কোনো কাফ্‌ফাৰা দিব লাগিব নেকি?

উত্তৰঃ যদি আপুনি হজ্জ কৰে তেন্তে বিদায়ী তাৱাফ নকৰাকৈ জিদ্দালৈ উভতি নাযাব। আনহাতে যদি আপুনি বিদায়ী তাৱাফ নকৰাকৈ গুচি যায় তেন্তে আপুনি হাদী এটা জবেহ কৰিব লাগিব, এইটো মক্কাত জবেহ কৰি সেই ঠাইৰ দৰিদ্ৰসকলৰ মাজত বিতৰণ কৰিব লাগিব, আৰু ইয়াৰ একো আপুনি খাব নোৱাৰিব। কাৰণ বিদায়ী তাৱাফ হৈছে হজ্জৰ এটা অন্যতম ওৱাজিব। এইটো ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ দ্বাৰা বৰ্ণিত হাদীছৰ পৰা প্ৰমাণিতঃ “নবী (চাল্লাল্লাহু আলাইহি অছাল্লামে) মানুহক এই বিষয়ে আদেশ কৰিছিল যে, তেওঁলোকৰ সৰ্বশেষ কামটো যেন কা’বাত সম্পন্ন হয় [অৰ্থাৎ বিদায়ী তাৱাফৰ মাধ্যমত]। কিন্তু তেখেতে হায়েজ অৱস্থাত থকা নাৰীসকলৰ বাবে এই

বিধান লাঘৱ কৰিছিল।” হাদীছটোৰ শুদ্ধতাৰ ক্ষেত্ৰত বুখাৰী আৰু মুছলিম একমত। বিদায়ী তাৱাফ নকৰাকৈ আপুনি জিদ্দালৈ গুচি যোৱাৰ কাৰণে আপুনি আল্লাহৰ ওচৰত তাওবা কৰিব লাগিব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৩০৩)।

***

প্ৰশ্নঃ মিনাত থকা দিনবোৰত হাজী চাহেবে মিনাৰ পৰা তায়েফলৈ যাব পাৰেনে, আৰু বিশ দিন পিছত উভতি আহি বিদায়ী তাৱাফ কৰিলে হ'বনে?

উত্তৰঃ হজ্জ পালনকাৰী ব্যক্তিয়ে হজ্জৰ যাৱতীয় আমল সম্পূৰ্ণ নকৰাকৈ কোনো ঠাইলৈ ভ্ৰমণ কৰা বৈধ নহয়। ইয়াৰ ভিতৰত বিদায়ী তাৱাফো অন্তৰ্ভুক্ত।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৩০৭)।

***

প্ৰশ্নঃ মাহেকীয়া অৱস্থাত থকা আৰু প্ৰসূতি নাৰীকে আদি কৰি অসুস্থ আৰু অক্ষম ব্যক্তিৰ বাবেও বিদায়ী তাৱাফ জৰুৰী নেকি?

উত্তৰঃ মাহেকীয়া অৱস্থাত থকা আৰু প্ৰসূতি নাৰীৰ বাবে বিদায়ী তাৱাফ বাধ্যতামূলক নহয়। কিন্তু অসুস্থ আৰু অক্ষম ব্যক্তিক বহন কৰি হ'লেও বিদায়ী তাৱাফ কৰাব লাগিব। কিয়নো নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«لا ينفرن أحد منكم حتى يكون آخر عهده بالبيت» ،

"বিদায়ী তাৱাফ নকৰাকৈ তোমালোকৰ মাজৰ কোনেও যেন গুচি নাযায়।" ইয়াৰ উপৰিও ছহীহ বুখাৰী আৰু মুছলিমত ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ "নবী (চাল্লাল্লাহু আলাইহি অছাল্লামে) মানুহক এই বিষয়ে আদেশ কৰিছিল যে, তেওঁলোকৰ সৰ্বশেষ কামটো যেন কা'বাত সম্পন্ন হয় [অৰ্থাৎ বিদায়ী তাৱাফৰ মাধ্যমত]। কিন্তু তেখেতে হায়েজ অৱস্থাত থকা নাৰীসকলৰ বাবে এই বিধান লাঘৱ কৰিছিল।" আন এটা হাদীছত আহিছে যে, প্ৰসূতি নাৰীও মাহেকীয়া অৱস্থাত থকা নাৰীসকলৰ দৰেই, তেওঁলোকৰ বাবে বিদায়ী তাৱাফ বাধ্যতামূলক নহয়।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৩০৭)।

***

প্ৰশ্নঃ বিদায়ী তাৱাফ কৰাৰ সময়ত মই অসুস্থ হৈ পৰিছিলোঁ, ফলত মই তাৱাফ বন্ধ কৰিছিলোঁ, আৰু ইপিনে মোৰ সংগীসকলে নিজৰ নিজৰ তাৱাফ সম্পূৰ্ণ কৰিছিল। ইয়াৰ পিছত মই এজনৰ লগত গৈ মোৰ বাকী থকা তাৱাফ সম্পূৰ্ণ কৰিছোঁ। কিন্তু মই মোৰ নিজৰ দেশত উভতি অহাৰ পিছত মনত পৰিছে যে, মই তাৱাফ কৰাৰ সময়ত এটা প্ৰদক্ষিণ পাহৰি গৈছিলোঁ। ইয়াৰ বাবে মোৰ ওপৰত কিবা ফিদিয়া আছে নেকি? নাইবা মই কি কৰিব লাগিব?

উত্তৰঃ যদি আপুনি নিশ্চিত যে, আপুনি বিদায়ী তাৱাফৰ এটা প্ৰদক্ষিণ পাহৰি গৈছিল তেন্তে আপুনি

কুৰবানীৰ উপযুক্ত এটা ছাগলী ফিদিয়া হিচাপে মক্কাত জবেহ কৰিব লাগিব, আৰু ইয়াৰ মাংস হাৰাম অঞ্চলৰ দৰিদ্ৰসকলৰ মাজত বণ্টন কৰিব লাগিব। যদি আপুনি ফিদিয়া দিবলৈ সক্ষম নহয় তেন্তে দহ দিন ৰোজা পালন কৰিব লাগিব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ১২৬)।

***

প্ৰশ্নঃ মই হজ্জ কৰিছোঁ আৰু তাশ্বৰীকৰ দ্বিতীয় দিনা আচৰৰ পিছত মই বিদায়ী তাৱাফ কৰিছোঁ। কিন্তু মই সেইদিনা ৰাতি মক্কাতেই আছিলোঁ, পিছদিনা মই তায়েফলৈ গুচি গৈছোঁ। অনুগ্ৰহ কৰি মোক এই বিষয়ে জনাওক যে, মই আৰু মোৰ পৰিয়ালে যিটো বিদায়ী তাৱাফ কৰিছোঁ সেইটো আমাৰ বাবে যথেষ্ট হ'বনে, নে আমি কাফ্‌ফাৰা আদায় কৰিব লাগিব, নে মই আৰু মোৰ পৰিয়ালে পুনৰ তাৱাফ কৰিব লাগিব? আশা কৰোঁ উত্তৰটো জনাব, আল্লাহে আপোনালোকক উত্তম বিনিময় দান কৰক।

উত্তৰঃ যিয়ে হজ্জৰ বিদায়ী তাৱাফ কৰাৰ পিছত মক্কাত কিছু সময় অৱস্থান কৰে, তেওঁৰ বাবে পুনৰ তাৱাফ কৰাৰ প্ৰয়োজন নাই। কিন্তু যদি বিদায়ী তাৱাফৰ পিছত দীৰ্ঘ সময় মক্কাত থাকে তেন্তে তেওঁ পুনৰ তাৱাফ কৰিব লাগিব। যিহেতু আপুনি আৰু আপোনাৰ পৰিয়ালে আচৰৰ পিছত বিদায়ী তাৱাফ কৰিছে আৰু পিছদিনা মক্কাৰ পৰা ওলাই আহিছে, আৰু পুনৰ তাৱাফ

নকৰাকৈ ছফৰ কৰিছে, সেয়ে প্ৰত্যেকজন ব্যক্তিৰ ফালৰ পৰা এটাকৈ কুৰবানীযোগ্য ছাগলী জবেহ কৰিব লাগিব আৰু তাৰ মাংস হাৰাম অঞ্চলৰ দৰিদ্ৰ লোকসকলৰ মাজত বণ্টন কৰিব লাগিব। কিন্তু যদি আপোনাৰ সৈতে কোনো হায়েজগ্ৰস্ত বা নিফাছগ্ৰস্ত নাৰী আছিল তেন্তে তেওঁৰ বাবে বিদায়ী তাৱাফ আৱশ্যক নহয়।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ৩৩৭)।

***

প্ৰশ্নঃ মোৰ স্ত্ৰীয়ে যোৱা বছৰ হজ্জ কৰিছে, আৰু সেইটো আছিল তামাত্তু হজ্জ। তাই হজ্জৰ যাৱতীয় কাম সুচাৰুৰূপে পালন কৰিছে কিন্তু বিদায়ী তাৱাফ কৰিব পৰা নাই। কাৰণ সেই সময়ত তাইৰ মাহেকীয়া আৰম্ভ হৈছিল। সেই কাৰণে তাই বিদায়ী তাৱাফ কৰিব পৰা নাছিল। পিছত মোৰ পিতৃয়ে তাইক মছজিদুল হাৰামলৈ লৈ গৈছিল আৰু তাই কাবা ঘৰ চাই আহিছে। এই ক্ষেত্ৰত চৰীয়তি বিধান কি? অনুগ্ৰহ কৰি উত্তৰটো জনাব ইন শ্বা আল্লাহ।

উত্তৰঃ মাহেকীয়া অৱস্থাত থকা নাৰীসকলৰ পৰা বিদায়ী তাৱাফ মাফ কৰা হৈছে। ইয়াৰ বাবে আপোনাৰ স্ত্ৰীৰ একো কৰিবলগীয়া নাই। কাৰণ ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত হাদীছৰ দ্বাৰা প্ৰমাণিত, তেওঁ কৈছেঃ “নবী (চাল্লাল্লাহু আলাইহি অছাল্লামে) মানুহক এই বিষয়ে আদেশ কৰিছিল যে,

তেওঁলোকৰ সৰ্বশেষ কামটো যেন কা’বাত সম্পন্ন হয় [অৰ্থাৎ বিদায়ী তাৱাফৰ মাধ্যমত]। কিন্তু তেখেতে হায়েজ অৱস্থাত থকা নাৰীসকলৰ বাবে এই বিধান লাঘৱ কৰিছিল।” এইদৰে আইশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত তেখেতে কৈছেঃ

«حاضت صفية بنت حيي بعد ما أفاضت قالت: فذكرت ذلك لرسول الله صلى الله عليه وسلم فقال: أحابستنا هي؟ قلت: يا رسول الله: إنها قد أفاضت وطافت بالبيت ثم حاضت بعد الإفاضة قال: فلتنفر إذا»

"চাফিয়্যা বিন্তে হুয়্যাই ৰাদ্বিয়াল্লাহু আনহাৰ তাৱাফে ইফাজাৰ পিছত মাহেকীয়া আৰম্ভ হয়। তেওঁ কৈছেঃ মই বিষয়টো ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক অৱগত কৰিলোঁ, তেখেতে ক'লেঃ তাই দেখোন আমাৰ কাৰণে বাধা হৈ পৰিল? তেতিয়া মই ক'লোঁঃ হে আল্লাহৰ ৰাছুল! তাই দেখোন তাৱাফে ইফাজা কৰি লৈছে, তাৰ পিছতহে হায়েজ আৰম্ভ হৈছে। তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ ঠিকে আছে, তেন্তে তায়ো যাব পাৰিব।"

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ৩৪২)।

***

প্ৰশ্নঃ যিয়ে মক্কালৈ হজ্জ বা ওমৰাহ কৰাৰ উদ্দেশ্যে অহা নাই, এনেকুৱা ব্যক্তিয়ে মক্কা এৰিব বিচাৰিলে বিদায়ী তাৱাফ কৰিব লাগিব নেকি? নাইবা যদি কোনো ব্যক্তিয়ে মক্কাত এদিন বা দুদিন থাকে তেন্তে তাৰ বাবে বিদায়ী তাৱাফ আৱশ্যক নেকি? বিদায়ী তাৱাফটো নবী

চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা কোনো নিৰ্দিষ্ট তাৱাফ হিচাপে প্ৰমাণিত নেকি? নে যিকোনো তাৱাফেই বিদায়ী তাৱাফ হিচাপে গণ্য হয়, যদি সেই ব্যক্তি যিকোনো তাৱাফ কৰাৰ পিছত মক্কাৰ পৰা ওলাই যায়? অনুগ্ৰহ কৰি আমাক এই বিষয়টো জনাব, মহান আল্লাহে আপোনালোকক জান্নাত দান কৰক। আমীন।

উত্তৰঃ বিদায়ী তাৱাফ কেৱলমাত্ৰ হাজীসকলৰ বাবে আৱশ্যক, যেতিয়া হাজী চাহাবে হজ্জ কৰি মক্কা এৰি যায়। ইবনু আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ "নবী (চাল্লাল্লাহু আলাইহি অছাল্লামে) মানুহক এই বিষয়ে আদেশ কৰিছিল যে, তেওঁলোকৰ সৰ্বশেষ কামটো যেন কা'বাত সম্পন্ন হয় [অৰ্থাৎ বিদায়ী তাৱাফৰ মাধ্যমত]। কিন্তু তেখেতে হায়েজ অৱস্থাত থকা নাৰীসকলৰ বাবে এই বিধান লাঘৱ কৰিছিল।" (ছহীহ বুখাৰী আৰু মুছলিম)। মাহেকীয়া অৱস্থাত থকা নাৰীৰ দৰেই প্ৰসূতি নাৰীৰ ওপৰতো সেই একেই বিধান প্ৰযোজ্য। কিন্তু যিসকলে হজ্জ কৰা নাই, তেওঁলোকৰ বাবে বিদায়ী তাৱাফ জৰুৰী নহয়। কাৰণ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ওমৰাহকাৰী সকলৰ বাবে এই নিৰ্দেশ দিয়া নাই। ইয়াৰ উপৰিও হজ্জৰ বিদায়ী তাৱাফ কৰাৰ সময়ত ইয়াৰ নিয়্যত অনিবাৰ্য, যিহেতু এইটো হৈছে এটা সুকীয়া ইবাদত। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«إنما الأعمال بالنيات وإنما لكل امرئ ما نوى »

"সকলো কাম (ৰ প্ৰাপ্য) হ'ব নিয়্যত অনুযায়ী, আৰু মানুহে তাৰ নিয়্যত অনুযায়ী প্ৰতিফল পাব।" আল্লাহেই সৰ্বজ্ঞ।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ৩৪৪)।

***

প্ৰশ্নঃ বিদায়ী তাৱাফৰ পিছত কিবা লাগতিয়াল বয়-বস্তু ক্ৰয় কৰা বৈধ হ'বনে? আনহাতে যদি কোনোবাই তাৱাফৰ পিছত কিবা কিনিছে তেন্তে তেওঁৰ ওপৰত কোনো বিধান প্ৰযোজ্য হ'ব নেকি?

উত্তৰঃ দৰাচলতে বিদায়ী তাৱাফ হ'ব লাগে হজ্জৰ একেবাৰে শেষত। ইয়াৰ পিছত মক্কা ত্যাগ কৰিব লাগে। কিন্তু যদি কোনোবাই কিছু সময়ৰ বাবে মক্কাত অৱস্থান কৰে, যেনে- ভ্ৰমণ সংগীসকলৰ বাবে অপেক্ষা, নাইবা বয়-বস্তু জা-যোগাৰ কৰা, অথবা প্ৰয়োজনীয় কিবা ক্ৰয় কৰা আদি, তেন্তে কোনো অসুবিধা নাই।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ৩৪৫)।

***

প্ৰশ্নঃ এজন হাজীয়ে জুলহিজ্জা মাহৰ ১২ তাৰিখে বিদায়ী তাৱাফ সম্পন্ন কৰিছে, ইয়াৰ পিছত তেওঁ মিনালৈ গৈ জামাৰাতত শিলগুটি নিক্ষেপ কৰিছে, সেই ব্যক্তিৰ তাৱাফ শুদ্ধ হ'বনে, যিহেতু তেওঁ শিলগুটি নিক্ষেপ কৰাৰ আগতেই তাৱাফ কৰিছে। এই ব্যক্তিৰ কৰণীয় কি? তেওঁ হৈছে জিদ্দাৰ বাসিন্দা।

উত্তৰঃ যিয়ে জামাৰাতত শিলগুটি নিক্ষেপ কৰাৰ আগতেই বিদায়ী তাৱাফ কৰিছে, তাৰ সেই তাৱাফ গ্ৰহণযোগ্য নহ'ব। কাৰণ বিদায়ী তাৱাফ হ'ব লাগিব হজ্জৰ একেবাৰে শেষত। যিহেতু তেওঁ পুনৰ বিদায়ী তাৱাফ নকৰাকৈ গুচি গৈছে, সেয়ে তেওঁ ফিদিয়া হিচাপে মক্কাত এটা ছাগলী জবেহ কৰিব লাগিব আৰু সেইটো মক্কাৰ দৰিদ্ৰসকলৰ মাজত বণ্টন কৰিব লাগিব, তেওঁ নিজে সেইটোৰ পৰা একো খাব নোৱাৰিব। লগতে সেইটো কুৰবানীযোগ্য বয়সৰ ছাগলী হ'ব লাগিব। যদি তেওঁ এইটো কৰিব নোৱাৰে তেন্তে দহ দিন ৰোজা পালন কৰিব লাগিব।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ৩৪৫)।

***

প্ৰশ্নঃ জমজম পানীৰ বহুতো বৈশিষ্ট্য আছে বুলি জানো, এই বিষয়ত কোনো ছহীহ হাদীছ আছেনে?

উত্তৰঃ জমজম পানী হৈছে পৃথিৱীৰ আটাইতকৈ শ্ৰেষ্ঠ পানী। ইয়াৰ গুণাৱলী সম্পৰ্কীয় আটাইতকৈ সঠিক হাদীছ বৰ্ণিত হৈছে মুছলিমত, তাত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জমজম পানী সম্পৰ্কে কৈছেঃ

«إنها مباركة وإنها طعام طعم » .

"এই পানী হৈছে বৰকতময়, আৰু এইটো হৈছে অনাহাৰে থকা ব্যক্তিৰ বাবে আহাৰ।" আবু দাঊদত বিশুদ্ধ চনদৰ সৈতে এই কথাও উল্লেখ হৈছে যে,

«وشفاء سقم» ،

এইটো হৈছে অসুস্থ ব্যক্তিৰ বাবে শ্বিফা (আৰোগ্য)। নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা আৰু বৰ্ণিত হৈছে যে, তেখেতে কৈছেঃ

«ماء زمزم لما شرب له » .

"জমজম পানী যিটো নিয়্যতেৰে খোৱা হয়, সেই উদ্দেশ্যই পূৰণ হয়।" (হাদীছটো মুছনাদ আহমদ আৰু ইবনে মাজাত আছে।)

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ১৬৮)।

***

মদীনাহ মুনাওৱাৰাহ জিয়াৰত সম্পৰ্কীয় ফতোৱাসমূহ

প্ৰশ্নঃ মই যদি অহা ৰমাজান মাহত ওমৰাহ কৰাৰ নিয়্যত কৰোঁ আৰু ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ প্ৰিয় নগৰ মদীনাহ জিয়াৰত কৰাৰ সংকল্প কৰোঁ তেন্তে আপোনালোকে মোক কি পৰামৰ্শ দিব?

উত্তৰঃ মছজিদে নবৱী জিয়াৰত কৰাৰ উদ্দেশ্যে ছফৰ কৰাটো চৰীয়তসন্মত। কিন্তু নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰ জিয়াৰত কৰাৰ উদ্দেশ্যে বা বেলেগ কাৰোবাৰ কবৰ জিয়াৰত কৰাৰ উদ্দেশ্যে ভ্ৰমণ কৰি যোৱাটো বৈধ নহয়। কিয়নো নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«لا تشد الرحال إلا إلى ثلاثة مساجد: المسجد الحرام، ومسجدي هذا، والمسجد الأقصى»،

"তিনিটা মছজিদৰ বাহিৰে বেলেগ ক'তো তোমালোকে (ছোৱাবৰ উদ্দেশ্যে) ছফৰ কৰি নাযাবা। সেই তিনিটা মছজিদ হৈছেঃ মছজিদে হাৰাম, মোৰ এই মছজিদ আৰু মছজিদে আকচা।" কিন্তু যিয়ে মছজিদে নবৱী জিয়াৰত কৰিবলৈ আহিব, তেওঁৰ বাবে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰ আৰু তেখেতৰ দুয়ো চাহাবী আবু বকৰ আৰু ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ কবৰ জিয়াৰত কৰা আৰু তেওঁলোকক ছালাম দিয়াটো হৈছে চৰীয়তসন্মত। ইয়াৰ উপৰিও তেওঁৰ বাবে বাকীঈ কবৰস্থান, আৰু উহুদৰ শ্বহীদসকলৰ কবৰ জিয়াৰত কৰা, তেওঁলোকৰ বাবে দুআ কৰা, ৰহমত প্ৰাৰ্থনা কৰা, লগতে মৃত্যু আৰু পৰকালৰ কথা স্মৰণ কৰাটোও চৰীয়তসন্মত। এইদৰে মছজিদে কুবাত গৈ চালাত আদায় কৰাটোও চৰীয়তসন্মত, কাৰণ এই বিষয়ে কেইবাটাও হাদীছ বৰ্ণিত আছে।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৭৮)।

***

প্ৰশ্নঃ নাৰী-পুৰুষ উভয় হাজীসকলৰ বাবে ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰ, বাকীঈ কবৰস্থান, উহুদৰ শ্বহীদসকলৰ কবৰ আৰু মছজিদে কুবা জিয়াৰত কৰাটো আৱশ্যক নেকি? নে এইটো কেৱল পুৰুষসকলৰ বাবে?

উত্তৰঃ পুৰুষ হওক বা নাৰী, কোনো হাজীৰ বাবেই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰ, নাইবা

বাকীঈ কবৰস্থান আদি জিয়াৰত কৰা আৱশ্যক নহয়। আনকি সুকীয়াভাৱে কবৰ জিয়াৰত কৰাৰ উদ্দেশ্যে ছফৰ কৰাও সম্পূৰ্ণৰূপে হাৰাম। পক্ষান্তৰে নাৰীসকলৰ বাবে ছফৰ নকৰাকৈও কবৰ জিয়াৰত কৰা হাৰাম। ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«لا تشد الرحال إلا إلى ثلاثة مساجد: مسجدي هذا، والمسجد الحرام، والمسجد الأقصى»

"তিনিটা মছজিদৰ বাহিৰে বেলেগ ক'তো তোমালোকে (ছোৱাবৰ উদ্দেশ্যে) ছফৰ কৰি নাযাবা। সেই তিনিটা মছজিদ হৈছেঃ মোৰ এই মছজিদ, মছজিদে হাৰাম আৰু মছজিদে আকচা।" মুত্তাফাক্ব আলাইহ ইয়াৰ উপৰিও নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কবৰ জিয়াৰতকাৰী নাৰীসকলৰ প্ৰতি অভিসম্পাত কৰিছে। এতেকে নাৰীসকলৰ বাবে মছজিদে নবৱীত কেৱল চালাত আদায় কৰাটোৱে যথেষ্ট। লগতে তেওঁলোকে মছজিদৰ পৰাই হওক বা অন্য যিকোনো ঠাইৰ পৰা বেছি বেছি দৰূদ পাঠ কৰিব লাগে।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, প্ৰথম সংকলন (১১/ ৩৬২)।

***

প্ৰশ্নঃ মোৰ এজন ভাই আছে, যিয়ে মদীনাত অহা হাজী আৰু ওমৰাহকাৰীসকলক মদীনাৰ দৰ্শনীয় স্থানবোৰ দেখুৱায়, যাৰ ভিতৰত কিছুমান ঠাই পৰিদৰ্শন কৰোৱাটো চৰীয়তসন্মত নহয়। চৰ্ত অনুযায়ী তেওঁ ইয়াৰ

বিনিময়ত নিৰ্দিষ্ট পৰিমাণৰ অৰ্থ গ্ৰহণ কৰে। তেওঁৰ এই কাম কৰাটো চৰীয়ত সন্মতনে?

উত্তৰঃ আপোনাৰ ভাতৃয়ে মদীনালৈ অহা হাজী আৰু ওমৰাহকাৰীসকলক যিবোৰ ঠাই পৰিদৰ্শন কৰোৱায়, সেইবোৰৰ মাজৰ যিবোৰ ঠাই পৰিদৰ্শন কৰোৱাটো চৰীয়ত সন্মত নহয়, সেইটো হৈছে হাৰাম কাম। লগতে এই কামৰ বিনিময়ত তেওঁ যিটো অৰ্থ গ্ৰহণ কৰে সেইটোও হৈছে হাৰাম উপাৰ্জন। এই ক্ষেত্ৰত আপুনি তেওঁক ইয়াৰ পৰা বিৰত থাকিবলৈ উপদেশ দিয়া উচিত।

ফাতাৱা আল-লাজনা আত-দায়িমাহ, দ্বিতীয় সংকলন (১০/ ৩৯০)। সংক্ষিপ্ত।

***

# সূচীপত্ৰ

হজ্জ, ওমৰাহ আৰু জিয়াৰত সম্পৰ্কীয় ফাতাৱাসমূহ....................2
ওমৰাহ কৰিবলৈ অহা লোকসকলৰ বাবে (এই ফতোৱাবোৰ) খুবেই গুৰুত্বপূৰ্ণ তথা অধিক প্ৰয়োজনীয়।....................2
প্ৰথমঃ সাধাৰণ ফাতাৱা....................2

as408v2.0 - 06/09/2026